ৰবীন্দ্ৰ প্ৰতিভা

*

স্বৰ্গীয় ভবানন্দ দত্ত

প্ৰকাশক :
শ্ৰীবিচিত্ৰ নাৰায়ণ দত্তবৰুৱা, বি. এল.
লয়াৰ্চ বুক ষ্টল
গুৱাহাটী : অসম

প্ৰথম প্ৰকাশ : ১৩৬৭

বেচ ২·৫০ নয়া পইচা

মুদ্ৰক :
শ্ৰীফণিভূষণ ৰায়
প্ৰবৰ্ত্তক প্ৰিণ্টিং এণ্ড হাফটোন প্ৰাঃ লিঃ
৫২।৩, বিপিন বিহাৰী গাঙ্গুলী ষ্ট্ৰীট,
কলিকতা-১২

কবলগীয়া

ভবানন্দ দত্ত গ'লগৈ। সকলোৰেই এদিন যাব, কিন্তু ভবানন্দৰ যোৱা বহুত সোনকাল হ'ল। মনত সেয়ে দুঃখ হয। আশা আছিল এই ডেকা লিখকজন বহুত দিন জীয়াই থাকিব, আৰু বহুত লিখিব, ক'ব আৰু কৰিব। সেয়ে নহল। এতিয়া যিখিনি দি গল, সেই-খিনিও অৱশ্যে খুব সামান্য নহয়। ইয়াত দিয়া ৰচনা কেইখনিয়ে তাৰ সাক্ষ্য বহন কৰিছে। ইয়াত আছে বুদ্ধিৰ ক্ষমতা, কল্পনাৰ বিস্তৃতি আৰু বিজ্ঞান-সম্মত জীৱন-দৃষ্টি। ৰবীন্দ্ৰনাথৰ মাজত দত্তই দেখা পাইছিল জীৱনৰ গভীৰ সত্যৰ সাধনা। তেওঁক চিনিবলৈ যত্ন কৰিছিল প্ৰাণৰ গভীৰতাৰে, নিষ্প্ৰাণ পাণ্ডিত্যৰে নহয়। ৰবীন্দ্ৰনাথৰ কাব্যত সত্য চিৰসুন্দৰ হৈ প্ৰকাশিত হৈছে। সেইকাৰণে ভবানন্দই তেওঁক কবিতকৈও অধিক বুলি আখ্যা দিছে। ৰবীন্দ্ৰনাথ ঋষি। ভবানন্দৰ মতে ৰবীন্দ্ৰ-প্ৰতিভা পশ্চিমীয়া উদাৰনৈতিক পৰম্পৰা, উপনিষদীয় বিশ্বদৃষ্টি আৰু বৈষ্ণৱ মানৱতাৰ ত্ৰিবেণী। এই ত্ৰিবেণীত ডুব দি ভবানন্দই অমৃত আহৰণ কৰিছে, কিন্তু তাত সম্পূৰ্ণৰূপে নিজক হেৰুৱাই পেলোৱা নাই। ভবানন্দই নিজস্ব দৃষ্টিভঙ্গীৰে সকলো কথা চালি জাৰি চাইছে। ষোল বছৰৰ আগতে ভবানন্দই ৰবীন্দ্ৰনাথৰ "সুৰৰ অপূৰ্ণতা" আৱিষ্কাৰ কৰিছিল, ষোল বছৰৰ পিচতো সেই আৱিষ্কাৰ চিন্তাৰ স্বচ্ছতা, শ্ৰদ্ধাপূৰ্ণ নিষ্ঠা আৰু আশাগুধীয়া সহানুভূতিৰ মাজেদি প্ৰতিভাত হোৱা দেখিছো। এই স্থিৰ-বুদ্ধি বৌদ্ধিক সততাৰ চিন।

এই ৰচনাকেইখনৰ ৰবীন্দ্ৰনাথ ভবানন্দৰ বিশ্বদৃষ্টিত গঢ় লৈ উঠা ৰবীন্দ্ৰনাথ। ভবানন্দই কৈছে :

"বিশ্বপ্ৰকৃতিৰ প্ৰেমে কবিক জীৱনৰ ধৃতি দিছে; যেতিয়াই সমাজ-জীৱনৰ সংঘাতত পৰি বিভ্ৰান্ত হৈ পৰে, যেতিয়াই ব্যক্তিগত জীৱনৰ বিপদ আৰু দুৰ্ভাগ্যই কবিৰ জীৱন বিষাদময় কৰি তোলে, নিদাৰুণ দুখাঘাতত কবিয়ে মৃত্যুৰ স্নেহ-শীতল শান্তি কামনা কৰে,' সেই সময়ত কবিয়ে সান্ত্বনা পায় মানৱ-সমাজ-বিহীন বিশ্ব-প্ৰকৃতিৰ বুকত।"

অৱশ্যে সন্ন্যাসীয়ে যি ধৰণে বিশ্বপ্ৰকৃতিত ভূমানন্দ পায়, ৰবীন্দ্ৰনাথে সেই ধৰণে নেপায়। প্ৰকৃতি তেওঁৰ মাতৃ, এই মাতৃক তেওঁক বন্দনা কৰিছে। প্ৰেমেৰে:

তোমাৰ বন্দনা গানে আমি দিব সুৰ
যাহা জানি দুয়েকটি প্ৰীতি সুমধুৰ
অন্তৰেৰ ছন্দোগাথা। দুখেৰ ক্ৰন্দনে
বাজিব আমাৰ কণ্ঠ বিষাদ মধুৰ
তোমাৰ কণ্ঠেৰ সনে; কুসুমে চন্দনে
তোমাৰে পূজিব আমি; পৰাব সিন্দুৰ
তোমাৰ সীমন্তে ভালে; বিচিত্ৰ বন্ধনে
তোমাৰে বাঁধিব আমি; প্ৰমোদ সিন্ধুৰ
তৰঙ্গেতে দিব দোলা নব ছন্দ তানে।

দস্তুই দৰ্শাইছে, ৰবীন্দ্ৰনাথে ঐহিক জীৱনক একান্তভাৱে গ্ৰহণ কৰিছে, কিন্তু প্ৰকৃতিৰ লগত ইয়াৰ কোনো বিৰোধ দেখা নাই। বৰং তেওঁৰ কল্পনাত মানবপ্ৰকৃতি আৰু বিশ্বপ্ৰকৃতিৰ সম্মিলনত এক অপূৰ্ব্ব "মানসসুন্দৰীৰ" সৃষ্টি হৈছে:

এখন ভাসিছ তুমি
অন্তৰেৰ মাঝে; স্বৰ্গ হতে মৰ্ত্ত্যভূমি

কৰিছ বিহাৰ ; সন্ধ্যায় কনক বৰ্ণে
ৰাঙিছ অঞ্চল ; উষাৰ গলিত স্বৰ্ণে
পড়িছ মেখলা ; পূৰ্ণ তটিনীৰ জলে
কৰিছ বিস্তাৰ তলতল-ছলছলে
ললিত যৌবনখানি ; বসন্ত-বাতাসে
চঞ্চল বাসনা ব্যথা সুগন্ধ নিশ্বাসে
কৰিছ প্ৰকাশ ; নিষুপ্ত পূৰ্ণিমাৰাতে
নিৰ্জন গগনে একাকিনী ক্লান্ত হাতে
বিছাইছ দুগ্ধশুভ্ৰ বিৰহশয়ন।

ৰবীন্দ্ৰনাথে প্ৰকৃতিক নানা ৰূপত দেখিছে, এই মাতৃ-ক্ৰোডত তেওঁ প্ৰেমৰ আশ্ৰয়ো পাইছে। শেলীৰ ৰণ-চাঞ্চল্য ৰবীন্দ্ৰনাথৰ নাই ; পশ্চিমৰ পচোৱাৰ তাণ্ডৱ নৃত্য, গগনবিহাৰী পক্ষীৰ গীত আৰু মেঘৰ অসীম গতিশীল সৌন্দৰ্য্যত মুগ্ধ হৈও শেলী অসন্তুষ্ট। তেওঁ বিদ্ৰোহী ; মুক্ত সমাজৰ মাজত মুক্ত প্ৰেম তেওঁৰ কামনা আছিল। ৰবীন্দ্ৰনাথে পৃথিবীৰ প্ৰেমৰ মাজেদি ভূমানন্দ লাভ কৰিছিল। পৃথিবীৰ প্ৰেম-মুগ্ধ ৰবীন্দ্ৰনাথৰ মানবতা নাৰীৰ বেদনা-উপলব্ধিৰ মাজেদি মূৰ্ত্ত হৈ উঠিছে। 'ৰবীন্দ্ৰকাব্যত নাৰী' বোলা প্ৰবন্ধটিত দত্তই দৰ্শাইছে কিদৰে মালতী, মঞ্জুলিকা আৰু গান্ধাৰীৰ বেদনাক কবিয়ে বিশ্বজনীন সাজ পিন্ধাইছে। ব্যাক্তিহৃদয়ৰ পৰা বিশ্বহৃদয়লৈ আৰু অহংৰ মাজেদি বিশ্বাত্মাৰ বুকুলৈ ৰবীন্দ্ৰনাথৰ কাব্যিক চেতনাই সততে গতি কৰে। ৰবীন্দ্ৰনাথৰ গীতবোৰত তাৰ এক অপূৰ্ব্ব নিদৰ্শন পোৱা যায়। ভবানন্দই দৰ্শাইছে কিদৰে ভাৰতীয় সঙ্গীতৰ নিষ্প্ৰাণ সুৰ সাধনা ৰবীন্দ্ৰ প্ৰতিভাৰ স্পৰ্শত অপূৰ্ব্ব ভাবসম্পদৰ অধিকাৰী হৈ নতুন মুক্তিৰ উদ্দেশ্যে ধাৱিত হ'ল। ৰবীন্দ্ৰনাথে ভাৰতীয় সঙ্গীতক ব্যক্তিহৃদৰ পৰা বিশ্বহৃদয়লৈ

তুলি লৈ গৈছিল। "ৰবীন্দ্রসঙ্গীত" প্ৰবন্ধটো ৰসিক শ্ৰোতা ভবানন্দৰ সুন্দৰ সৃষ্টি। ৰবীন্দ্রনাথৰ স্বদেশ-প্ৰেমমূলক গীতসমূহৰ তাৎপৰ্য্য ব্যাখ্যা কৰোতে ভবানন্দই এটি সিদ্ধান্তও আমালৈ আগ বঢ়াইছে। তেওঁ কৈছে যে সঙ্গীতত "ব্যক্তি হৃদয়ৰ আবেগৰ মুক্তি পোনপতীয়া ভাবে বিশ্বপ্ৰকৃতি আৰু ভূমাৰ ভিতৰেদিয়েই অকল নহৈ সামূহিক জনচেতনাৰ মাজেদিও হ'ব পাৰে।" এই সিদ্ধান্তটি লোক সঙ্গীতৰ তত্ত্ব হিচাপে তাৎপৰ্য্যপূৰ্ণ।

ৰবীন্দ্রনাথে স্থান কালক গ্ৰহণ কৰিছিল। তেওঁৰ পৃথিবীত প্ৰেম বাৰে-ৰঙনীয়া। দেশকো তেওঁ গভীৰ ভাৱে ভাল পাইছিল আৰু স্থান কালৰ আলোকত তাক নকৈ আবিষ্কাৰ কৰিছিল। ভবানন্দই এই প্ৰবন্ধলানীত ৰবীন্দ্রনাথৰ এই ভাৰত আবিষ্কাৰ সম্পৰ্কেও গভীৰ আলোচনা কৰিছে। তেওঁ কৈছে, ৰবীন্দ্রনাথৰ ভাৰতবৰ্ষত আছিল,

"তপোবন আৰু অনাড়ম্বৰ গাৱঁলীয়া জীৱনৰ শান্ত ধ্যানী ৰূপ;
তাত আছিল দাৰিদ্র্যৰ কঠিন ব্ৰত, মৌনৰ স্তম্ভিত আবেগ,
নিষ্ঠাৰ কঠোৰ শান্তি আৰু বৈৰাগ্যৰ উদাৰ গাম্ভীৰ্য্য।"

এই ভাৰতবৰ্ষই আমাৰ জাতীয় চৰিত্ৰ গঢ়ি তুলিছে। ৰবীন্দ্রনাথে নিজে কৈছে [ভবানন্দৰ উদ্ধৃতিৰ পৰা],

"মৃত্যু ভয়হীন আত্মসমাহিত শক্তি ভাৰতবৰ্ষেৰ মুখশ্ৰীতে মৃদুতা এবং মজ্জাৰ মধ্যে কাঠিন্য, লোক ব্যৱহাৰে কোমলতা এবং স্বধৰ্ম্ম ৰক্ষায় দৃঢ়ত্ব দান কৰিয়াছেন। ...বহু শতাব্দী ধৰিয়া বহু দুৰ্গতিৰ মধ্যে ভাৰতবৰ্ষেৰ এই অন্তৰ্নিহিত শক্তিই আমাদিগকে ৰক্ষা কৰিয়া আসিয়াছে এবং সময়কালে এই দীনহীনবেশী, ভূষণহীন, বাক্যহীন, নিদ্ৰাদ্ৰঢ়িষ্ঠ শক্তিই জাগ্ৰত হইয়া সমস্ত ভাৰতবৰ্ষেৰ উপৰে আপন ৰবাভয় হস্ত প্ৰসাৰিত কৰিবে।..."

ধুমুহাৰ গৰ্জ্জনত "এই নিভৃতবাসী ভাৰতবৰ্ষ"ৰ মৌন ৰূপ বাঙ্ময় আৰু স্তব্ধৰূপ গতিময় হৈ পৰে। ৰবীন্দ্ৰনাথৰ ইতিহাসবোধে এই ভাৰতবৰ্ষৰ উপলব্ধিয়ে গঢ় দিছে। এই ভাৰতবৰ্ষৰ বুকুতে তেওঁ ভাৰতীয় মহত্বৰ আধাৰ-শিলা প্ৰতিষ্ঠা কৰিছিল। দত্তই দৰ্শাইছে ৰবীন্দ্ৰনাথৰ বিশ্ববোধ কিদৰে এই ভাৰত-প্ৰীতিৰ স্পৰ্শত জীৱন্ত আৰু ব্যাপ্ত হৈ পৰিছে। এচিয়া-আফ্ৰিকাক আপোন কৰি লোৱা আৰু ইউৰোপীয় সভ্যতাৰ জিঘাংসু প্ৰবৃত্তিক নিন্দা কৰাৰ শক্তিও তেওঁক এই ভাৰতবৰ্ষই দিছে।

সংসাৰে ৰবীন্দ্ৰনাথক বাৰে বাৰে আঘাত হানিছে; আঘাতৰ পোৰনিত মাজে মাজে তেওঁ প্ৰকৃতিমাতৃৰ বুকুত আশ্ৰয় লয়; তেনে এক নিভৃতিৰ মুহূৰ্ত্ততে "গীতাঞ্জলি"ৰ জন্ম। দত্ত বস্তুবাদী, কাজেই ৰবীন্দ্ৰকাব্যৰ উৎসৰ সন্ধান কৰোতে সদায় তেওঁ সৃষ্টিৰ পাৰিপাৰ্শ্বিকতালৈ লক্ষ্য ৰাখে। নিজক আত্মাৰ শক্তিৰে বলবান আৰু নিৰ্ভয় কৰিবৰ বাবে আৰু তাৰ লগে লগে বিশ্বহৃদয়ৰ লগত আধ্যাত্মিক একাত্মীয়তা উপলব্ধি কৰিবৰ বাবে কৰা ৰবীন্দ্ৰনাথৰ চেষ্টাৰ ফলতেই "গীতাঞ্জলি"ৰ জন্ম। "গীতাঞ্জলি" বোলা প্ৰবন্ধটি ভবানন্দৰ ৰবীন্দ্ৰ-কাব্যৰ উৎস আৱিষ্কাৰৰ এটি সুন্দৰ প্ৰচেষ্টা। ৰবীন্দ্ৰনাথৰ আধ্যাত্মিকতা বৈষ্ণৱ আধ্যাত্মিকতাতকৈ বেলেগ। বৰং উপনিষদৰ অমৃত কামনাহে তেওঁৰ কাব্যত সততে প্ৰতিধ্বনিত হৈছে। তেওঁৰ পৃথিবীৰ প্ৰেমত পশ্চিমীয়া মানবতাবোধৰো উপাদান আছে। কিন্তু এই প্ৰেমত প্ৰকৃতিৰ প্ৰতি সমৰ ঘোষণা নাই; আছে খণ্ডৰ মাজেদি অখণ্ডৰ, অপূৰ্ণতাৰ মাজেদি পূৰ্ণতাৰ আৰু ব্যক্তিহৃদয়ৰ মাজেদি বিশ্বহৃদয়ৰ ভূমানন্দৰ অনুসন্ধানৰ সুন্দৰ উপলব্ধি। তেওঁৰ দৃষ্টি মহাকালত প্ৰসাৰিত হৈছিল। তেওঁৰ কল্পনাশক্তিয়ে সত্যক সুন্দৰ কৰিয়েই এৰা নাই, তাক মহৎ

আৰু ভবিষ্যদ্বক্তাও কৰিছে। সেয়ে দত্তই ক'ব খোজে ৰবীন্দ্ৰনাথ ৰসস্ৰষ্টা কবিতকৈ অধিক, তেওঁ ঋষি।

মহৎ কবিৰ লিখনিৰ অৰ্থও অসীম। "গীতা"ৰ পাতনি লিখোতে মহাত্মা গান্ধীয়ে এই কথা কৈছিল। কাৰণ মহৎ কবিতাৰ শব্দাৱলীৰ অৰ্থবোৰ সময়ে সময়ে বিবৰ্ত্তিত হৈ থাকে। গান্ধীৰ ভাষাত ক'বলৈ হ'লে ৰবীন্দ্ৰ-সাহিত্য আছিল ভবানন্দৰ "spiritual reference book."। এই সাহিত্যই তেওঁক ব্যক্তিগত জীৱনৰ অশান্তিতো শান্তি দিছিল আৰু মাজে মাজে পথো প্ৰদৰ্শন কৰিছিল। ৰবীন্দ্ৰনাথৰ কাব্যত মহৎ ভূমানন্দ সাধনাৰ লগত প্ৰবৃত্তিমাৰ্গৰ বিবাহ দেখি তেওঁৰ বস্তুবাদী চিন্তাধাৰাই তাত মহৎ ঐতিহ্যৰ সকলো শ্ৰেয় বস্তুকে বিচাৰি ফুৰিছিল। এনে দাৰ্শনিক কাব্যোপলব্ধিৰ মাজেদি তেওঁ আপোন বিশ্বদৃষ্টিক পৰিপূৰ্ণ কৰিবলৈ যত্ন কৰিছিল। "জীৱনৰ চৰম লক্ষ্য" প্ৰবন্ধটিয়ে তাৰে সাক্ষ্য বহন কৰিছে। এইটো স্বয়ং সম্পূৰ্ণ প্ৰবন্ধ। ইয়াত লিখকে ভাৰতীয় দৰ্শন, ৰবীন্দ্ৰনাথৰ দৰ্শন আৰু বৈজ্ঞানিক বস্তুবাদী দৰ্শন এই তিনিওটাৰে তুলনামূলক আলোচনা কৰি আপোন বিশ্বদৃষ্টিক প্ৰতিপন্ন কৰিবলৈ চেষ্টা কৰিছে,

> "প্ৰকৃতিৰ গোলামীৰ পৰা (মানুহৰ শক্তি প্ৰয়োগ কৰি) জীৱনক ক্ৰমাগতভাৱে মুক্ত কৰিব পৰাটোৱে মানৱজীৱনৰ প্ৰকৃত মুক্তি। সেই মুক্তিসাধনাই মানৱজীৱনৰ লক্ষ্য। প্ৰকৃতিৰ গোলামীৰ পৰা পোৱা এই মুক্তিৰ উপলব্ধি আৰু আনন্দৰ মাজেদিহে মানুহৰ প্ৰকৃত সংস্কৃতিৰ গঢ় লয়।"

এই সিদ্ধান্তৰ আলোকত ৰবীন্দ্ৰ-কাব্যক চালি-জাৰি চাই ভবানন্দই দাৰ্শনিক বিচাৰ কৰিছে। যি সকলে এই জীৱন-দৃষ্টি গ্ৰহণ নকৰে তেওঁলোকেও এই বিচাৰত নতুন সত্য দেখিব বুলি মোৰ বিশ্বাস।

ৰবীন্দ্ৰ-কাব্য সুদীৰ্ঘ, সুগভীৰ আৰু সুবিশাল। এই কাৰণে ইয়াৰ ওপৰত বিভিন্ন ব্যাখ্যা হোৱা একো আচৰিত নহয়। বিশেষতঃ ৰবীন্দ্ৰনাথৰ শেহৰ ছোৱাৰ কবিতাৱলীৰ মাজত বহুতো সমালোচকে "সুৰৰ অপূৰ্ণতা"ৰ স্বীকাৰোক্তি আৱিষ্কাৰ কৰিছে। ভবানন্দয়ো ভাবে যে ৰবীন্দ্ৰনাথৰ কাব্যৰ আপোন সুৰত শ্ৰমজীৱি জনসাধাৰণৰ চিত্তৰ আশা-আকাঙ্ক্ষা পৰিস্ফুট হৈ উঠা নাই। সকলো দেখিও যেন জীৱনৰ কুৰুক্ষেত্ৰত সমৱেত এই অখ্যাত সেনানীসকলৰ মৰ্ম্ম-বাণী তেওঁ শুনা নাছিল। এই ব্যাখ্যা গভীৰ ভাৱে প্ৰণিধানযোগ্য। কাৰণ আপোন জীৱনযাত্ৰা-প্ৰণালীয়ে ৰবীন্দ্ৰনাথৰ সৰ্ব্বত্ৰগামী উপলব্ধিক সৰ্ব্বশ্ৰেণীমুখা কৰি তোলা নাছিল।

এই ৰচনা কেইখনিয়ে এহাতেদি যেনেকৈ ৰবীন্দ্ৰ-প্ৰতিভাৰ মহত্বৰ প্ৰতি পঢ়ুৱৈৰ দৃষ্টি আকৰ্ষণ কৰিছে, আনহাতেদি তেনেকৈ ই অসমীয়া প্ৰতিভাৰ স্বাধীন চিন্তাৰ স্বাক্ষৰো বহন কৰিছে। ভাৰতীয় সাহিত্যত কাব্য পৰম্পৰা অতিশয় মহৎ, এই মহৎ কাব্য-পৰম্পৰাৰ শেহতম নিদৰ্শন ৰবীন্দ্ৰনাথ। ৰবীন্দ্ৰকাব্য চৰ্চ্চা স্বৰূপাৰ্থত আমাৰ মহৎ ঐতিহ্যৰে চৰ্চ্চা। কবিত্বৰ সৃষ্টি-শক্তিৰ নিদৰ্শন হিছাপেও ই আমাৰ অনুপ্ৰেৰণাৰ স্থল। সেই কাৰণে ৰবীন্দ্ৰ-প্ৰতিভাৰ উৎস অনুসন্ধানৰ ক্ষেত্ৰত এই বাট পোনোৱা প্ৰচেষ্টাৰ বাবে ভবানন্দ দত্ত আমাৰ ধন্যবাদৰ পাত্ৰ। ই অসমীয়া সাহিত্যৰ বৌদ্ধিক জীৱনৰ এটি অভাৱ পূৰাব।

ভবানন্দক মই বন্ধু হিছাপেও পাইছিলোঁ। তেওঁৰ স্মৃতি শক্তিয়ে মোক মুগ্ধ কৰিছিল আৰু বিশ্লেষণ শক্তিয়ে আনন্দ দিছিল। তেওঁৰ লিখাত সদায় এটা সামাজিক অন্তৰ্দৃষ্টি দেখা পাইছিলো। তেওঁ বিশ্বাস কৰিছিল যে মানুহ সামাজিক প্ৰাণী, মানুহৰ কলা-কাব্য দৰ্শন সামাজিক সংগ্ৰামৰ সংস্কৃত সৃষ্টি। তেওঁৰ চিন্তা সততে সামাজিক পুনৰগঠনৰ

অভিমুখে ধাবিত হৈছিল। তেওঁৰ ব্যক্তিত্ব সম্পূর্ণৰূপে জানো বুলি মই দাবী কৰিব নোৱাৰো; তথাপি ভবানন্দৰ মৃত্যুক মোৰ ব্যক্তিগত ক্ষতিয়েই বুলি গ্ৰহণ কৰিছো।

শ্ৰীযুতা নীলিমা দত্তক এই পুথিখন সংকলন কৰিবলৈ কিহে প্ৰেৰণা দিছে তাক মই নকলেও হ'ব। তেওঁৰ ক্ষতি অপূৰণীয়। এই ক্ষতিৰ চকুলো কেৱল সময়েহে মচি দিব পাৰিব। আমি মাথোন ইয়াকেহে ক'ব পাৰো যে তেওঁৰ শোকৰ ভাগ আমি সকলোৱে বহন কৰিছো। এইখিনিতে ৰবীন্দ্ৰনাথৰ এটা কথা তেওঁক সোঁৱৰাই দিব খোজোঁ:

> "মানুষের শূন্য ভরাবার জন্য তার মনের মানুষকে নানাভাবে নানারসে জাগিয়ে রাখবার জন্য আছে তার সাহিত্য, তার শিল্প।"

—বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্য

২৭-৪-৬০

উছৰ্গা

যি গৰাকী নাৰীৰ মাতৃহৃদয়ৰ সংস্পৰ্শত সেউজী অসমৰ বুকত এটি প্ৰতিভাৰ সৃষ্টি হৈছিল, যি গৰাকীৰ স্বভাৱজ সংস্কাৰৰ প্ৰভাৱত শৈশৱতে এটি প্ৰখৰ মন বহুবিধ জ্ঞান লাভাৰে জীপাল হৈ উঠিছিল আৰু আজি যি গৰাকী নাৰীয়ে প্ৰতি মুহূৰ্ত্তে পুত্ৰশোকৰ ভাৰ অকলশৰীয়াকৈ নীৰবে বহন কৰিছে সেই গৰাকী নাৰী মোৰ পৰম পূজনীয়া শাহু আইৰ শ্ৰীচৰণত তেঁখেতৰ অতি চেনেহৰ ৺পুত্ৰৰ স্মৃতি-চিহ্নৰূপে মোৰ ৺স্বামী ভৱানন্দ দত্ত দেৱ ৰচিত—

'ৰবীন্দ্ৰ প্ৰতিভা'

অৰ্পণ কৰিলোঁ।

—নীলিমা দত্ত।

জীৱনী

অসমৰ বজালী অঞ্চলৰ স্বৰ্গীয় সৰ্ব্বানন্দ দত্ত দেৱৰ তৃতীয় পুত্ৰ স্বৰ্গীয় ভবানন্দ দত্ত দেৱৰ জন্ম হয় যোৰহাটত ১৯১৮ চনৰ জুন মাহত। ৺ভবানন্দ দত্তই শৈশৱৰ পৰা অতি প্ৰখৰ প্ৰতিভাৰ পৰিচয় দিছিল। বজালী হাইস্কুলৰ পৰা মেট্ৰিক পাছ কৰি গুৱাহাটীৰ কটন কলেজত তেওঁ ভৰ্ত্তি হয়হি। ১৯৪১ চনত ৺দত্তই ১ম শ্ৰেণীৰ ১ম হৈ দৰ্শনত বি. এ. পাছ কৰে। ১৯৪২ৰ স্বাধীনতা আন্দোলনত যোগ দি তেওঁ কিছুকাল পঢ়া-শুনা স্থগিত ৰাখে। ১৯৪৪ চনত তেওঁ দৰ্শনত ১ম শ্ৰেণী লাভ কৰি কলিকতা বিশ্ববিদ্যালয়ৰ পৰা এম. এ. পাছ কৰে। এম. এ. পাছ কৰাৰ পাছত ৺দত্ত নলবাৰী কলেজত অধ্যাপক নিযুক্ত হয়। ১৯৪৭ চনত তেওঁ চৰকাৰী বৃত্তি লৈ শিশু মনো-বিজ্ঞান অধ্যয়নাৰ্থে বিলাতলৈ যায়। বিলাতত থকা কালছোৱাৰ ভিতৰতে তেওঁ প্ৰাগত বহা বিশ্বশিক্ষা বিজ্ঞান সঙ্ঘৰ [UNESCO] তৰফৰ পৰা এখন আন্তৰ্জাতিক আলোচনা চক্ৰত যোগদান কৰি কীৰ্তি আৰ্জন কৰে। ১৯৪৯ চনত তেওঁ অসমলৈ আহি প্ৰথমতে কটন কলেজ তাৰ পাছত গুৱাহাটী বিশ্ববিদ্যালয়ৰ দৰ্শনৰ অধ্যাপক নিযুক্ত হয়। অসমৰ শিক্ষা, সাহিত্য আৰু ৰাজনীতিৰ ক্ষেত্ৰত ৺দত্তই আপোন প্ৰতিভাৰ বিশেষ পৰিচয় দিয়ে। Philosophy and India বোলা পুথিখনেই তেওঁৰ প্ৰথম পুথি। কিতাপৰ সংখ্যা কম হলেও

৺দত্তই লিখা প্ৰবন্ধ অসমীয়া বিবিধ আলোচনীত সিঁচৰিত হৈ আছে আৰু তেওঁ এজন উচ্চ শ্ৰেণীৰ লেখক বুলি পৰিগণিত হৈছে। ৺ভবানন্দ দত্তই মাৰ্ক্সবাদক জীৱনৰ দৰ্শন ৰূপে গ্ৰহণ কৰিছিল। ১৯৫১ আৰু ১৯৫৬ চনত সাধাৰণ নিৰ্ব্বাচনত তেওঁ লোকসভাৰ প্ৰাৰ্থীৰূপে প্ৰতিদ্বন্দ্বিতা কৰিছিল।

মোৰ কবলগীয়া

'ৰবীন্দ্ৰ প্ৰতিভা'ৰ এই প্ৰবন্ধ কেইটি মোৰ স্বামী স্বৰ্গীয় ভবানন্দ দত্ত দেৱে ১৯৫০ চনৰ পৰা ১৯৫৯ চনৰ ভিতৰত ২৫ বহাগ এই দিনটো অৰ্থাৎ ৰবীন্দ্ৰ জন্মোৎসৱ উপলক্ষে লিখা। এই কেইটি প্ৰবন্ধ ৰামধেনু, আৱাহন, জয়ন্তী, অসমবাণী, অৰুণাচল আৰু নটৰাজ আদি আলোচনীত ওলাই গৈছে। ৰবীন্দ্ৰনাথৰ ওপৰত লিখা তেখেতৰ প্ৰবন্ধ আৰু দুই এটা আছে তাহানিৰ আৱাহন আৰু জয়ন্তী আলোচনীত। কিন্তু সেই কেইটা প্ৰবন্ধ ইয়াত যোগ কৰিব পৰা নগল। ৺স্বামীৰ মৃত্যুৰ পাছত তেখেতৰ প্ৰবন্ধবোৰ অসমবাসীয়ে কিতাপ আকাৰত বিচাৰিছে আৰু তাৰ ফল স্বৰূপেই এই প্ৰবন্ধ কেইটি আলোচনীৰ বুকৰ পৰা আনি কিতাপৰ ৰূপ দিবলৈ প্ৰথম চেষ্টা কৰা হ'ল।

অভিজ্ঞতা পূৰ্ণ নহলে কম বয়সত কিতাপ লিখা তেখেতে পছন্দ নকৰিছিল। কিন্তু তেখেতৰ আশা আছিল দেশৰ হৈ বহুতো ক'ব আৰু মানুহৰ কথা বহুতো লিখিব। অভিজ্ঞতা পৰিপক্ক হ'লে দুই এখন ভাল কিতাপ লিখাৰ কথা মোক প্ৰায়ে কৈছিল—কিন্তু সেই আশা তেখেতৰ পূৰ্ণ হবলৈ নাপালে!

৺স্বামীৰ সান্নিধ্যলৈ অহা প্ৰায় সকলোৱে জানে ৰবীন্দ্ৰনাথৰ প্ৰতি তেখেতৰ কি গভীৰ শ্ৰদ্ধা আছিল। বিয়াৰ পিছত আমাৰ ঘৰত ৰবীন্দ্ৰনাথৰ কিতাপ এখনো নাছিল। কিন্তু

আমাৰ সেই সুখৰ দিনবোৰ ৰবীন্দ্ৰনাথৰ কবিতা আৰু গীতেৰে ৰিত হৈ উঠিছিল। বছৰৰ বিভিন্ন ঋতু, প্ৰকৃতিৰ বিভিন্ন ৰূপ, জীৱনৰ নানা পৰ্য্যায়ৰ বিবিধ উপলব্ধি আৰু অনুভূতিৰ ক্ষেত্ৰত আমাৰ সেই পুৱা গধূলি বোৰ ৰবীন্দ্ৰকবিতা আবৃত্তিৰে গুঞ্জৰিত হৈছিল—ক'তো ভুল নাই। অনৰ্গল গাই গৈছিল। কিন্তু নিয়তিৰ কি কঠোৰ বিধান! আমাৰ সোণৰ সংসাৰ ছাৰ-খাৰ কৰিবলৈ দোৰ্ঘোৰ ধুমুহা নামি আহিল। দাৰুণ বিপদ বিঘিনি ইটোৰ পিছত সিটোকৈ নিয়তিৰ নিৰ্দ্দেশত যেন শৃঙ্খলিত হৈ আহিবলৈ ধৰিলে। সেই দুৰ্য্যোগৰ দিনবোৰত যেতিয়া আমাৰ জীৱনৰ ধৰণী কপি উঠিছিল তেতিয়াও সাহস আৰু ধৈৰ্য্যৰ কাৰণে তেখেতে বহু 'ৰবীন্দ্ৰসঙ্গীত' গালে। নিয়তিৰ বিধানৰ সম্মুখত সমৰ্পণৰ ভাব আনিবলৈ পোনাদুটিৰে সৈতে আমি প্ৰতি গধূলি প্ৰাৰ্থনা কৰিলোঁ ৰবীন্দ্ৰনাথৰ ব্ৰহ্মসঙ্গীত গাই গাই—

"সত্য মঙ্গল প্ৰেমময় তুমি, ধ্ৰুবজ্যোতি তুমি অন্ধকাৰে"

এই ক্ষেত্ৰত তেখেত কৃতকাৰ্য্য হৈছিল—তেখেতে সমৰ্পণৰ ভাবেৰে মৃত্যুৰ কাৰণে প্ৰস্তুত হৈছিল। হস্পিতেললৈ নিয়াৰ আগৰাতি তেখেতে ৰবীন্দ্ৰনাথৰ এই দুশাৰী কবিতা এডোখৰ কাগজত লিখি গৈছে।

"কৰ্ম্মভাৰ নব প্ৰাতে নব সেবকেৰ হাতে কৰে যাব দান।
মোৰ শেষ কণ্ঠস্বৰে যাইব ঘোষণা কৰে তোমাৰ আহবান।"

—নীলিমা দত্ত

সূচীপত্ৰ

১। ৰবীন্দ্ৰ প্ৰতিভা ১

২। ৰবীন্দ্ৰ প্ৰসঙ্গ ১০

৩। জীৱনৰ চৰম লক্ষ্য ২৪

৪। ৰবীন্দ্ৰ আলেখ্য ৩৭

৫। ৰবীন্দ্ৰনাথৰ গীতাঞ্জলি ৬৫

৬। ৰবীন্দ্ৰ সঙ্গীত ৭৮

৭। ৰবীন্দ্ৰ কাব্যত নাৰী ৯৩

৮। ৰবীন্দ্ৰনাথৰ নাট্য ৰীতি ১১১

৯। ৰবীন্দ্ৰনাথৰ “জন্মদিনে” ১১৭



॥ ৰবীন্দ্ৰ প্ৰতিভা ॥

ভাৰতৰ পৰাধীনতাৰ অৱস্থাত যি সময়ত ভাৰতৰ জন সাধাৰণ আত্মবিস্মৃত, সকলো প্ৰকাৰে পঙ্গু আৰু নিষ্পেষিত সেই সময়তে ৰবীন্দ্ৰনাথৰ নিচিনা বিৰাট প্ৰতিভাৰ বিকাশ ভাৰতীয় সংস্কৃতি সাধনাৰ এক বিৰাট বিস্ময়। ভাৰতৰ কাব্য ইতিহাসত অতীজৰ পৰা আজিলৈকে ৰবীন্দ্ৰ কাব্য-প্ৰতিভাৰ সমকক্ষ প্ৰতিভা একমাত্ৰ কালিদাসৰহে দেখা যায়। এই প্ৰতিভাৰ উৎস কি?

ৰবীন্দ্ৰ কাব্যৰ মূল ভেটি তেখেতৰ এক বিৰাট আৰু সু-সমঞ্জস বিশ্বদৃষ্টি আৰু জীৱন দৰ্শন। তেখেতৰ প্ৰত্যেক সৃষ্টিৰ পটভূমিতেই এই দৃষ্টিৰ আলোক পৰিছে। এনে এটা বিশ্বদৃষ্টি থকা বাবেই তেখেতক কেৱল কবি বুলিলেই ঠিক নহয়, তেখেতক দেশবাসীয়ে ঋষিত্ব আৰোপ কৰিছে। যি বিলাক কেৱল কবি তেওঁলোকে ৰসজ্ঞজনৰ মনোৰঞ্জনৰ অৰ্থে অৰ্থ আৰু যশোলাভাৰ্থে নিজৰ প্ৰতিভা খটুৱায়; ৰস সৃষ্টিয়েই তেনে কবিৰ লক্ষ্য। ৰবীন্দ্ৰনাথৰ সাধনা কেৱল ৰস সৃষ্টিয়েই নাছিল, তাৰ উপৰিও তেখেতে বিচাৰিছিল জীৱনৰ গভীৰ উপলব্ধি প্ৰকাশ স্বতঃস্ফূৰ্ত্তভাৱে। কিন্তু কালিদাস, ভৱভূতি আদিয়ে ৰস সৃষ্টিকেই নিজৰ মুখ্য সাধনা হিচাবে লৈছিল। এই কাৰণে ৰবীন্দ্ৰনাথৰ বহু লিখা উপনিষদবোৰৰ বাণীৰ নিচিনা। তেখেতক ঋষি বুলি অভিহিত কৰাৰ এইটোৱেই মূল কাৰণ।

জীৱনৰ উপলব্ধিৰ ক্ষেত্ৰত ৰবীন্দ্ৰনাথ দাৰ্শনিক দৃষ্টি-সম্পন্ন

আছিল, যদিও তেখেতে সেই উপলব্ধিৰ প্ৰকাশৰ মূল মাধ্যম কবিতাকেই কৰিছিল। কাৰণ শিল্পী হিচাবে ৰবীন্দ্ৰনাথ মূলতঃ কবি আছিল। এই ক্ষেত্ৰত তেখেতৰ জন্মগত দক্ষতা আছিল। শব্দৰ সঙ্গীত ধৰ্মীতা আৰু অক্ষৰৰ মিল—এই দুটাৰ প্ৰতি জন্মগত আকৰ্ষণ থকা বাবেই তেখেতে অতি বাল্যকালৰ পৰাই সঙ্গীত ধৰ্মী শব্দবিন্যাস আৰু পদ্য লিখিবলৈ বিশেষভাবে লাগি যায়। এই প্ৰচেষ্টাত তেখেতে সেই বয়সতে মতলীয়া হৈ উঠিছিল। সেই অতি অপৈনত বয়সতে এবাৰ তেখেতে ছন্দৰ মিলৰ খাতিৰত নিজে অৰ্থ নজনা শব্দ 'দ্বিৰেফ' ব্যৱহাৰ কৰে। বহুদিন পিচত হে জানিলে দ্বিৰেফ মানে ভোমোৰা বুলি। শব্দৰ অৰ্থৰ উপৰিও ধ্বনিৰ প্ৰতি এই তীব্ৰ আকৰ্ষণৰ ফলত তেখেতে কম বয়সতে সংস্কৃত ভাষাৰ শব্দৰাজি নিজৰ অন্তৰঙ্গ কৰি লৈছিল আৰু এই শব্দবোৰৰ লীলাৰূপ সংস্কৃত কাব্যত দেখি মুগ্ধ হৈ তাৰ প্ৰয়োগ কৌশল নিয়ত সাধনা কৰিছিল। এই সাধনাই হে প্ৰকৃত শিল্পীৰ সাধনা। ইয়াৰ অভাৱ হলে বিশেষ ৰসানুভূতি থাকিলেও কোনেও প্ৰথম শ্ৰেণীৰ কবি হ'ব নোৱাৰে। তেখেতে কম বয়সতে কালিদাস আৰু জয়দেৱৰ কাব্য পঢ়িছিল। জয়দেৱৰ গীত-গোবিন্দ পঢ়ি লগে লগে বিদ্যাপতি, চণ্ডীদাস আদি বৈষ্ণৱ খণ্ড কবি সকলৰ পদাৱলী কীৰ্ত্তন পঢ়ি ইমান মতলীয়া হৈছিল যে সেই কৈশোৰ কালতে তেখেতে ভানুসিংহ বুলি ছদ্ম নাম লৈ "ভানুসিংহৰ পদাৱলী" লিখে। তেখেতে এই পদাৱলী নিজে লিখা বুলি প্ৰকাশ নকৰি

উদ্ধাৰ কৰা বুলি কৈছিল। এই কল্পিত ভানুসিংহৰ ওপৰত "থেচিচ" লিখি কোনো এজনে বিশ্ববিদ্যালয়ৰ "ডক্টৰ" উপাধি পোৱা বুলি তেখেতে জীৱন-স্মৃতিত লিখিছে। জয়দেৱৰ "গীত গোবিন্দ" সঙ্গীত ধৰ্ম্মীতাৰ ফালৰ পৰা সমগ্ৰ সংস্কৃত কাব্য সাহিত্যতে প্ৰথম শ্ৰেণীৰ। তাৰ বিশেষকৈ এই শ্লোকটো "মেঘৈমে´দুৰসম্বৰং বনভুৱঃ শ্যামাস্তমালদ্ৰুমৈঃ" ইয়াৰ ভাৱানুসঙ্গ আৰু কল্পনাই ৰবীন্দ্ৰনাথৰ গোটেই চিন্তাকাশ ৰঞ্জিত কৰি তুলি-ছিল। "ভানুসিংহৰ পদাৱলীৰ" অতি উৎকৃষ্ট কীৰ্ত্তনটোতেই তাৰ প্ৰকাশ হৈছে। যেনে—

"শাঙন গগনে ঘোৰ ঘনঘটা নিশীথ যামিনীৰে।
কুঞ্জপথে সখি কেইসে যাওব অবলা কামিনীৰে॥
উন্মদ পবনে যমুনা তৰ্জিত, ঘন ঘন গৰ্জিত মেহ।
দমকত বিদ্যুত, পথতৰু লুণ্ঠিত, থৰহৰ কম্পিত দেহ॥
ঘনঘন ৰিম্‌ঝিম্ ৰিম্‌ঝিম্ ৰিম্‌ঝিম্ বৰখত নীৰদ পুঞ্জ।
শাল পিয়ালে তাল তমালে নিবিড় তিমিৰময় কুঞ্জ॥"

গীত গোবিন্দৰ আন এটা বিভাৱে যেনে—

"ৰতি সুখ সাৰে গতমভি সাৰে মদন মনোহৰ বেশম্।
মা কুৰু নিতম্বিনী গমন বিলম্বনমনুসৰ তং হৃদয়েশম্॥"

এইটোৱে তেখেতৰ কল্পনাক বিশেষভাৱে চমকিত কৰিছিল। ৰতিসুখ অভিসাৰিকা ৰাধাৰ বিননিৰেই "ভানুসিংহৰ পদাৱলী" ভৰপূৰ।

বাল্যকালত তেখেতৰ ঘৰুৱা পৰিৱেশ দেউতাক মহৰ্ষি

দেবেন্দ্ৰ নাথ ঠাকুৰৰ বিৰাট ব্যক্তিত্বৰ প্ৰভাৱত মহীয়ান হৈ আছিল। মহৰ্ষি দেবেন্দ্ৰ নাথ সেই সময়ত বিস্তাৰ লাভ কৰা ব্ৰাহ্ম সমাজৰ আন্দোলনৰ মধ্য মণি স্বৰূপ আছিল। বেদমন্ত্ৰ পাঠ, ব্ৰহ্মোপাসনা, ব্ৰহ্মসঙ্গীত আদি ব্ৰাহ্ম সমাজৰ আনুষ্ঠানিক আচাৰবোৰ ঠাকুৰ পৰিয়ালৰ দৈনন্দিন জীৱনৰ অঙ্গ আছিল। খৃষ্টানৰ গীৰ্জাত গোৱা ভক্তিমূলক সমবেত প্ৰাৰ্থনা সঙ্গীতৰ প্ৰেৰণাত উদাত্ত সুৰত এই বেদমন্ত্ৰবোৰ, উপনিষদৰ শ্লোকবোৰ আৰু ব্ৰহ্ম সঙ্গীতবোৰ সমস্বৰে পাঠ কৰাত সেইবোৰৰ ব্যাপক বিশ্বদৃষ্টি, ধ্বনি গাম্ভীৰ্য্য আৰু সুৰৰ বিশালতাই অতি বাল্যকালতে ৰবীন্দ্ৰনাথৰ প্ৰতিভাক পথ দেখুৱাইছিল। বিশেষকৈ বেদৰ গায়ত্ৰী মন্ত্ৰ যেনে "ওঁ তৎ সবিতু ৰ্বৰেণ্যম্। ভৰ্গোদেবস্য ধীমহি। ধিয়ো যো নঃ প্ৰচোদয়াৎ"—এই সূৰ্য্য বন্দনাই তেখেতৰ জীৱন দৃষ্টিৰ কেন্দ্ৰভূমি অধিকাৰ কৰি ল'লে। উপনিষদত এই সূৰ্য্যই অনন্ত জ্যোতিৰ্ম্ময় ব্ৰহ্মৰূপে বৰ্ণিত হৈছে। সেই ভাব ধাৰায়ো তেখেতক বিশ্ব প্ৰকৃতি সম্বন্ধে দাৰ্শনিক দৃষ্টি, অনুভূতি আৰু বিশ্বাসৰ ভিতৰেদি দান কৰিলে। প্ৰথম উষাৰ যি স্বৰ্ণোজ্বল অৰুণোদয় তাৰ সৌন্দৰ্য্য আৰু প্ৰকাশৰ আনন্দই তেখেতক এনে সুগভীৰ ভাবে মুগ্ধ কৰিছিল যে তেখেতৰ জীৱনৰ সুদীৰ্ঘ ৮০ বছৰ কালৰ ভিতৰত মাত্ৰ এদিনহে তেখেতে সূৰ্য্যোদয়ৰ পাছত সাৰ পায়, সিও বাল্যকালত বহু ৰাতিলৈ যাত্ৰা চোৱাৰ ফলত। সদায় ব্ৰাহ্মমুহূৰ্ত্তত উঠি বহু সময় ধৰি সূৰ্য্যোদয় তেখেতে নিতৌ চাইছিল। এইটোৱে তেখেতৰ

চিত্তবৃত্তিৰ অসাধাৰণত্বৰ এটা তাৎপৰ্য্যপূৰ্ণ দৃষ্টান্ত। তেখেতৰ ধ্যানী ৰূপ এই সূৰ্য্য বন্দনা আৰু ব্ৰহ্মোপসনাৰ অভ্যাসৰ পৰাই বিশেষভাৱে পুষ্ট হৈছিল।

ব্ৰহ্মসঙ্গীতৰ উদাত্ত সুৰ আৰু তাৰ ধ্ৰুৱপদী ধৰণে তেখেতৰ সঙ্গীত সাধনাক বিশেষ ভাৱে অনুপ্ৰাণিত কৰে। বাল্যকালৰ এই প্ৰভাৱৰ ফলতে তেখেতৰ ৰচিত দুহেজাৰৰো অধিক গানৰ ভিতৰত ব্ৰহ্ম সঙ্গীত বোৰেই শ্ৰেষ্ঠ সৃষ্টি হৈ উঠিছে। অতি কম বয়সতে যি ব্ৰহ্মসঙ্গীতটো তেখেতে ৰচনা কৰিছিল সেইটোৰ প্ৰথম সাৰি হল "নয়ন তোমাৰে পায়না দেখিতে ৰয়েছ নয়নে নয়নে।" এই গান শুনি মহৰ্ষি দেবেন্দ্ৰনাথে তেখেতক ৫০০৲ টকা পুৰস্কাৰ দিয়ে। এই সাৰি কথাৰ মূল ভাৱটো তেখেতৰ পূৰঠ বয়সৰ বহু গান আৰু কবিতাতো পোৱা যায়। যেনে "হিয়াৰ মাঝে লুকিয়েছিলে দেখতে আমি পাই নি, বাহিৰ পানে চোখ মেলেছি হৃদয় পানে চাইনি" বলাকা কাব্যৰ 'ছবি' কবিতাত "নয়ন সম্মুখে তুমি নাই নয়নেৰ মাঝখানে নিয়েছ যে ঠাই; আজি তাই শ্যামলে শ্যামল তুমি নীলিমায় নীল" ইত্যাদি। ব্ৰহ্মসঙ্গীতৰ উপৰিও ঠাকুৰ পৰিয়ালত নানা বিখ্যাত ওস্তাদে গোৱা হিন্দুস্থানী ৰাগ সঙ্গীতৰ আসৰ বহিছিল। ওস্তাদৰ পৰা তেখেতে ৰাগ সঙ্গীতৰ শিক্ষা লৈছিল। ককায়েক জ্যোতিৰিন্দ্ৰনাথ সঙ্গীতত নিপুন আছিল। ককায়েকে পিয়ানোত সুৰ তোলে আৰু ৰবীন্দ্ৰনাথে সেই সুৰৰ লগত কথা বহুৱাই যায়।

এটা কথা লক্ষণীয় যে তেখেতৰ বাল্যকালত পৰিবেশৰ

ভাৱমণ্ডল সৰ্বভাৰতীয় আছিল। সৰ্ব ভাৰতীয় সাংস্কৃতিক জীৱনৰ এক নৱ অভ্যুদয়ৰ সূচনাই সেই সময়ত দেখা দিছিল। অতীত ভাৰতীয় সাধনাৰ প্ৰেৰণা আৰু ৰূপে তেখেতৰ মানসিক পটভূমি ৰচিছিল। সেইকাৰণে তেখেতৰ দৃষ্টি বিশ্বজনীন হোৱা সত্ত্বেও পূৰ্ণভাৱে ভাৰতীয়ই হৈ ৰ'ল, আৰু ভাৰতীয়ত্বৰ এই ঐতিহাসিক দৃষ্টিৰ কাৰণে পৰাধীন পৰিৱেশৰ মাজতো নিজৰ অন্তৰক সকলো মুহূৰ্ত্ততে স্বাধীন কৰি ৰাখিব পাৰিছিল। বৃটিছ শাসনৰ ফলত বাহিৰৰ বন্ধনৰ উপৰিও অন্তৰৰ যি গোলামী দেশত দেখা দিছিল—যাৰ নানা পৰোক্ষ প্ৰভাৱৰ পৰা আজিও আমি সম্পূৰ্ণ ভাৱে মুক্ত হ'ব পৰা নাই—সেই আন্তৰিক বন্ধনৰ পৰা তেখেতৰ মন সদায় মুক্ত আছিল। এইটো তেখেতৰ সাধনাৰ আন এটা বিস্ময়। যিমানেই ভাৰত বাসীয়ে অন্তৰৰ গুপুত বন্ধনৰ পৰা নিজক মুক্ত কৰিব পাৰিব সিমানেই ৰবীন্দ্ৰনাথৰ সাধনাই আমাৰ প্ৰাণত গভীৰতৰ আত্মীয়তা দিব। ভাৰত-চীন, ভাৰত-ইণ্ডোনেচিয়া, ভাৰত-শ্যাম আদি দেশৰ অতীতৰ যি সাংস্কৃতিক মিলন আৰু আদান প্ৰদান তাৰ সচেতনতা তাৰ তাৎপৰ্য্য উপলব্ধি, তাৰ পূৰ্ণ বিকাশৰ প্ৰচেষ্টা আধুনিক ভাৰতত প্ৰথম ৰবীন্দ্ৰ সাধনাতে দেখা যায়। কাৰণ আমি প্ৰায় সকলোৱে তেতিয়া জগতখনক পশ্চিমীয়া চকুৰে চাইছিলোঁ আৰু অন্য এচিয়াবাসীক অকল অৱহেলাই নহয়, বহুত সময়ত তাচ্ছিল্যও কৰিছিলোঁ। সেইটো আছিল আমাৰ মানসিক গোলামীৰ ফল আৰু তাৰ পৰা ৰবীন্দ্ৰ চিত্ত সকলো সময়তে মুক্ত আছিল।

যবদ্বীপৰ লগত ভাৰতৰ অতীত আৰু বৰ্ত্তমানৰ সম্বন্ধৰ স্বৰূপ তেখেতে 'সাগৰিকা বুলি ৰূপক কবিতাটোত বৰ্ণাইছে।

ছাত্ৰাৱস্থাত বিলাতত থকা সময়ত তেখেতে ইংৰাজী কাব্য সাহিত্যৰ লগত বিশেষভাৱে পৰিচিত হ'বৰ সুবিধা পায়। বিলাতত তেতিয়া ইংৰাজী সভ্যতা আৰু সংস্কৃতিৰ মধ্যাহ্নকাল। বিশ্বজনীন মানবতাবাদ, উদাৰনৈতিক দৃষ্টি, আশাবাদ, প্ৰগতি আৰু মানবীয় মহত্ত্বৰ বিকাশৰ ধাৰণা, ঐহিক জীৱন আৰু বিশ্বপ্ৰকৃতিত সত্য আৰু সুন্দৰৰ প্ৰকাশ—ৰোমাণ্টিক আৰু ভিক্টোৰীয় যুগৰ এইবোৰ ভাবধাৰাই ৰবীন্দ্ৰনাথৰ চেতনাক সমৃদ্ধ কৰিলে। অৱশ্যে ৰবীন্দ্ৰনাথৰ চিত্তত বিশ্বমানৱতাবাদৰ অঙ্কুৰ উপনিষদৰ বাণীয়ে আগতেই ৰোপণ কৰি থৈছিল, যেনে "শৃন্বন্তু বিশ্বে অমৃতস্য পুত্ৰাঃ", "বেদাহমেতং পুৰুষং মহান্তমাদিত্যবৰ্ণং তমসঃ পৰস্তাৎ", "আনন্দৰূপমমৃতং যদ্বিভাতি। আনন্দদ্ধ্যেৱ খল্বিমানি ভূতানি জায়ন্তে", "সৰ্ব প্ৰাণ এজতি।" ইয়াৰ লগত প্ৰায় মিলি যায় বিশ্বপ্ৰকৃতি সম্বন্ধে ৱাৰ্ডচ ৱাৰ্থৰ ধাৰণা—

" ... ... And I have felt
A presence that disturbs
me with the joy
Of elevated thoughts ;
a sense sublime
Of some thing far more
deeply interfused,

Whose dwelling is the
light of setting suns,
And the round ocean
and the living air,
And the blue sky, and
in the mind of men."

যৌৱন কালত এই পাশ্চাত্য প্ৰভাৱৰ ফলত তেখেতৰ কাব্য প্ৰতিভাই ৰোমাণ্টিক ৰূপ ল'লে। পাশ্চাত্য গীতি কবিতাৰ ধৰণে তেখেতে বিশেষকৈ মধ্য বয়সলৈকে গীতি কবিতাৰ যোগেদিয়েই নিজৰ প্ৰতিভা প্ৰকাশ কৰিছিল। কিন্তু আনফালে সেই সময়ত তেখেতে জমিদাৰী চলাবলগীয়া হোৱাত ভাৰতৰ গ্ৰাম্য জীৱন যাত্ৰাৰ লগত নিবিড়ভাবে পৰিচিত হ'বৰ সুবিধা পায়। গাৱঁলীয়া জীৱনৰ বাউল, ভাটীয়ালি আদি গানৰ কথা আৰু সুৰে তেখেতৰ ব্ৰহ্মবাদী, অসীমৰ প্ৰয়াসী মনক বিশেষ ভাৱে সঙ্গ দিছিল। তেখেতৰ অতীন্দ্ৰিয় উপলব্ধিৰ প্ৰকাশ থকা গানবোৰ বেছি ভাগেই বাউল সুৰত বা বাউল আৰু কীৰ্ত্তনৰ মিশ্ৰসুৰত গোৱা।

অসীমৰ প্ৰতি যি আকুতি তাৰ বাস্তৱ ভিত্তি আছিল "সীমাহীন আকাশৰ" আকৰ্ষণ। যি গান আৰু কবিতাত তেখেতে নিজৰ গভীৰ প্ৰাণৰ বেদনা প্ৰকাশ কৰিছে তাত আকাশৰ কথা, বা তুলনা বা ৰূপক আছে। তেখেতৰ মনৰ মুক্তিৰ বাস্তৱ অৱকাশ দিছিল এই আকাশেই বিশেষকৈ উষাৰ, সন্ধ্যাৰ আৰু ৰাতিৰ আকাশে।

তেখেতৰ চিত্ত আছিল বিশেষকৈ প্ৰাৰ্থনাময় আৰু সহানুভূতিময়। সমাজৰ, দেশৰ, ব্যক্তি জীৱনৰ মুক্তি আৰু মহত্ত্বৰ অৰ্থে বা অন্যায় অমঙ্গলৰ দূৰীকৰণাৰ্থে তেখেতে অসীমৰ ওচৰত প্ৰাৰ্থনা কৰিছিল। সেয়ে তেখেতৰ ঋষিত্বত কৰ্ম প্ৰেৰণাৰ বা কৰ্মযোগিত্বৰ কিছু অভাৱ, যিটো বিশেষভাৱে আমি পাওঁ মহাত্মা গান্ধীৰ সাধনাত।

(অসম বাণীত প্ৰকাশিত)

॥ ৰবীন্দ্ৰ-প্ৰসঙ্গ ॥

আমাৰ দেশত এটা পুৰণি প্ৰচলিত ৰীতি আছে যে ঈশ্বৰৰ নৰৰূপী অৱতাৰ বুলি যি সকল স্বীকৃত হয় সেই সকলৰহে জন্ম বাৰ্ষিকী পালন কৰা হয়। অন্যান্য যি সকল বৰেণ্য পুৰুষ সেই সকলৰ ক্ষেত্ৰত মৃত্যু তিথিহে পালন কৰা হয়। কিন্তু আজিকালি এই ৰীতি সলনি হৈ গৈছে; বিশেষকৈ মহাত্মা গান্ধী আৰু ৰবীন্দ্ৰনাথৰ ক্ষেত্ৰত। ৰবীন্দ্ৰনাথে অৱশ্যে নিজেই তেখেতৰ মৃত্যু তিথি পালন কৰাটো হাক দি গৈছে। কাৰণ জীয়াই থকাটো ৰবীন্দ্ৰনাথে একান্তভাৱে ভাল পাইছিল, আৰু মানৱ জন্মৰ যি মহা বিস্ময় আৰু গৌৰৱ তাৰ স্মৃতিহে যেন পৃথিৱীত থাকে. তেখেতৰ একান্ত অবাঞ্ছিত মৃত্যুৰ স্মৃতি যেন দেশবাসীয়ে মনত নাৰাখে এই আশা তেখেতে কৰি গৈছে। সেয়ে ৰবীন্দ্ৰনাথৰ কেৱল জন্মবাৰ্ষিকী অনুষ্ঠিত হয়। জীৱিতাৱস্থাত জন্মতিথি সমূহত কবিয়ে নিজৰ জীৱন নিষ্ঠাৰ গভীৰ আৱেগ কাব্য আৰু গানৰ ভাষাত প্ৰকাশ কৰি গৈছে। জন্মদিন উপলক্ষে গোৱা আনুষ্ঠানিক গানটোত জীৱনৰ প্ৰতি গভীৰ প্ৰেম আৰু বিস্ময় কবিয়ে প্ৰকাশ কৰিছে।

হে নূতন, দেখা দিক আৰবাৰ
জন্মেৰ প্ৰথম শুভক্ষণ।

* * *

ব্যক্ত হোক জীৱনেৰ জয়
ব্যক্ত হোক তোমা মাঝে অসীমেৰ
চিৰ বিস্ময়।

উদয় দিগন্তে শঙ্খ বাজে
মোৰ চিত্ত মাঝে
চিৰ নুতনেৰ দিল ডাক,
পচিঁশে বৈশাখ।

মৃত্যু দিন ক্ৰমে ক্ৰমে আগবাঢ়ি অহাৰ চেতনাই কবিক অতি তীব্ৰ বেদনা দিছিল। পৃথিৱীক আৰু ৰূপ ৰস গন্ধ ভৰা প্ৰকৃতিক যে হৃদয়ৰ কি গভীৰ অনুৰাগেৰে ৰঞ্জিত কৰি আপোন কৰি লৈছিল তাক অতি ব্যথিত সুৰেৰে খাৰে বাৰে কবিয়ে ব্যক্ত কৰিছে।

"তাই ক্ৰমে ফিৰায়ে নিতেছ শক্তি, হে কৃপণা
চক্ষুকৰ্ণ থেকে আড়াল কৰেছ স্বচ্ছ আলো
আমাতে তোমাৰ প্ৰয়োজন।

* * *

শিথিল হয়েছে, তাই মূল্য মোৰ কৰেছ হৰণ
দিতেছ ললাট পটে বৰ্জ্জণেৰ ছাপ।

* * *

আকৌ, "যাবাৰ সময় হ'ল বিহঙ্গেৰ এখনি
কুলায় ৰিক্ত হবে······
··· কত দিন এই বসুন্ধৰা।

আতিথ্য দিয়েছ, কভু আম্ৰ মুকুলেৰ গন্ধ ভৰা
পেয়েছি আহ্বান বাণী ফাল্গুনেৰ দাক্ষিণ্য মধুৰ।

অশোকেৰ মঞ্জৰীসে ইঙ্গিতে চেয়েছে মোৰ সুৰ
দিয়েছে তা প্ৰীতি ৰসে ভৰি।”

বিশ্ব-প্ৰেম ৰবীন্দ্ৰনাথৰ প্ৰাণৰ গভীৰ সুৰ। এই বিশ্ব প্ৰকৃতিৰ পটভূমিতহে ৰবীন্দ্ৰনাথে মানবক ভাল পায়। সেয়ে ৰবীন্দ্ৰনাথ একান্তভাৱে মানৱতাৰ কবি নহয়। মানব সমাজক প্ৰকৃতিৰ পৰা বিচ্ছিন্ন কৰি কবিয়ে চাব নোৱাৰে। আৰু যেতিয়াই মানৱক প্ৰকৃতিৰ প্ৰাণকেন্দ্ৰৰ পৰা বিচ্ছিন্ন হোৱা দেখে তেতিয়াই কবিয়ে মানৱক তীব্ৰ নিন্দা বাণী শুনায়। এই কথাটোৰ তাৎপৰ্য্য আছে। কাৰণ পশ্চিমীয়া দেশত এক মানবতা বোধ আছে যিটো একান্তভাবে মানৱ—সমাজময়, সেই মানৱতাৰ দৃষ্টিত প্ৰকৃতিৰ কোনো বিশিষ্ট নিজ সত্তা নাই। সেই দৃষ্টিয়ে প্ৰকৃতিৰপৰা বিচ্ছিন্নভাৱে মানৱক দেখে। এওঁলোকৰ মতে “Man is the measure of all things.”

ৰবীন্দ্ৰনাথে কিন্তু বিশ্ব প্ৰকৃতিৰ অন্তৰত প্ৰৱাহিত এক বিৰাট প্ৰাণৰ প্ৰকাশ হিচাবেহে মানৱ সমাজক দেখে, আৰু সেই বিৰাট প্ৰাণৰ মানদণ্ডৰ দ্বাৰাহে মানৱ সমাজক বিচাৰ কৰে। ৰবীন্দ্ৰনাথৰ বিশ্বাস যে যেতিয়াই মানুহে সেই সুৰত বেসুৰৰ সৃষ্টি কৰে যেতিয়াই সেই ভূমাৰ উদ্দেশ্যৰ পৰা, সৃষ্টিৰ ধৰ্ম্মৰ পৰা আঁতৰি মানুহে নিজৰ সৰুসুৰা স্বাৰ্থ, লোভ, অহঙ্কাৰ, আত্মাভিমান আদিকেই প্ৰধানকৈ দেখে তেতিয়াই প্ৰকৃত মানবতাৰ অপমান হয়। সেয়ে ৰবীন্দ্ৰনাথ সমাজ জীৱনৰ এইবোৰ বাস্তৱ অৱস্থাৰ প্ৰতি অত্যন্ত নিৰ্ম্মম। সমাজ জীৱনৰ

নানা ৰকম গ্লানি দেখি কবিয়ে সেইবোৰ দূৰ কৰিবৰ কাৰণে মঙ্গলময়ৰ ওচৰত প্ৰাৰ্থনা কৰে, কাৰণ তেখেতৰ গভীৰ বিশ্বাস যে বিশ্ব শক্তিয়ে সেইবোৰ গ্লানি নিজ হাতে দূৰ কৰি দিব, দেৱতাৰ অপাৰ মহিমা এদিন সমাজত বাস্তৱ হৈ উঠিব। সকলো সামাজিক বিভৎসতা দূৰ কৰি এদিন পৃথিৱীত মহামানৱতা বিকাশ হ'ব ; মিলন, প্ৰেম আৰু মৈত্ৰীৰ গৌৰবোজ্জ্বল ইতিহাস ৰচনা কৰিব। বিশ্ব প্ৰকৃতিৰ প্ৰেমে কবিক জীৱনৰ ধৃতি দিছে। যেতিয়াই, সমাজ জীৱনৰ সংঘাতত পৰি বিভ্ৰান্ত হৈ পৰে, যেতিয়াই ব্যক্তিগত জীৱনৰ বিপদ আৰু দুৰ্ভাগ্যই কবিৰ জীৱন বিস্বাদময় কৰি তোলে, নিদাৰুণ দুঃখাঘাতত কবিয়ে মৃত্যুৰ স্নেহ শীতল শান্তি কামনা কৰে সেই সময়ত কবিয়ে সান্ত্বনা পায় মানৱ সমাজবিহীন বিশ্ব প্ৰকৃতিৰ বুকুত। এই স্থিতিয়ে কবিক নানা বিপৰ্য্যয়, নানা বিভ্ৰাটৰ মাজতো শক্তি দিয়ে। সকলো দুখ যাতনা সহ্য কৰিবলৈ সাহস দিয়ে ; নিজৰ ভৱিৰ ওপৰত থিয় দি জীৱন যুদ্ধত আগবাঢ়ি যাবলৈ কবিক আত্মবিশ্বাস দিয়ে।

সেয়ে মানৱ প্ৰেমেই কবি জীৱনৰ প্ৰধান সুৰ নহয়। কবিয়ে প্ৰথম জীৱনতেই যেতিয়া কয় যে "মানবেৰ মাঝে আমি বাচিবাৰে চাই" তেতিয়াই লগতে কয় "এই সূৰ্য্য কৰে এই পুষ্পিত কাননে জীৱন্ত মানৱ মাঝে যেন স্থান পাই" কবিয়ে গভীৰ মানসিক দুঃখত যেতিয়াই মৃত্যু কামনা কৰে তেতিয়াই প্ৰকৃতিৰ বুকুত বিৰাজ কৰি থকা কবি

প্ৰিয়া মানস সুন্দৰী আহি সান্ত্বনাৰ পৰশ কৰিব ললাটত বুলাই যায়।

......................জানালায়,
একেলা বসিয়া যবে আঁধাৰ সন্ধ্যায়
মুখে হাত দিয়া মাতৃহীন বালকেৰ মতো
বহুক্ষণ কাঁদি, স্নেহ আলোকেৰ তৰে
ইচ্ছা কৰি নিশাৰ আঁধাৰ স্ৰোতে
মুছে ফেলে দিয়ে যায় সৃষ্টি পট হতে
এই ক্ষীণ অৰ্থহীন অস্তিত্বেৰ ৰেখা,
তখন কৰুণাময়ী দাও তুমি দেখা
তাৰকা আলোক জ্বালা স্তব্ধ ৰজনীৰ
প্ৰান্ত হ'তে নিঃশব্দে আসিয়া......
শুভ্ৰ হস্ত খানি
ললাটে বুলায়ে দাও, নাকহিয়া বাণী
সান্ত্বনা ভৰিয়া প্ৰাণে কৰিবে তোমাৰ
ঘুম পাড়াইয়া দিয়া কখন আবাৰ
চলে যাও নিঃশব্দ চৰণে।"

বিশ্বপ্ৰাণৰ বিৰাট প্ৰকাশৰ সম্ভাৱনা কবিয়ে ভাৰতবৰ্ষৰ বুকুত দেখিছিল। কিন্তু সেই সময়ৰ ভাৰতৰ জন জীৱন আত্ম-বিস্মৃত, গত গৌৰব, নতমস্তক, নিৰ্ব্বীৰ্য্য, প্ৰাণহীন, পঙ্গু, পদানত আত্মমৰ্য্যাদাহীন। সেই বোৰ দূৰ কৰি দিবলৈ মঙ্গল-ময়ৰ ওচৰত কবিয়ে প্ৰাৰ্থনা কৰিছে।

এ দুৰ্ভাগা দেশ হতে হে মঙ্গলময়
দূৰ কৰে দাও তুমি সৰ্ব্ব তুচ্ছ ভয়
লোকভয়, ৰাজভয়, মৃত্যু ভয় আৰ…
…ধূলি তলে
এই নিত্য অবনতি—দণ্ডে পলে পলে
এই আত্ম অৱমান, অন্তৰে বাহিৰে
এই দাসত্বেৰ ৰজ্জু………
এই বৃহৎ লজ্জা ৰাশি চৰণ আঘাতে
চূৰ্ণ কৰি দূৰ কৰো।

আকৌ

'দিন আগত ঐ, ভাৰত তবু কৈ
নিশ্চল নিবীৰ্য্য বাহু কৰ্ম কীৰ্ত্তি হীনে
ব্যৰ্থ শক্তি নিৰানন্দ জীৱন-ধন-দীনে
প্ৰাণ দাও, প্ৰাণ দাও, দাও দাও প্ৰাণ হে
গত গৌৰব হৃত আসন নতমস্তক লাজে
গ্লানি তাৰ মোচন কৰ, নৰ সমাজ মাঝে
স্থান দাও, স্থান দাও দাও দাও স্থান হে।

কবিয়ে নিজৰ দেশবাসীৰ পৰা অতি অনাদৰ, অসম্মান, নিন্দাবাণী পাইছে, তাত কবিৰ পৰশ কাতৰ মনে অতি আঘাত পাইছিল। তাৰ উপৰিও ব্যক্তিগত জীৱনত একেলগে পুত্ৰ কন্যা আৰু পত্নী বিয়োগৰ বজ্ৰাঘাত কবিয়ে পাব লগা হৈছিল। দেশবাসীৰ নিন্দাবাণীৰ কথা কবিয়ে নিজে কৈছে—

"পায়ে বিঁধছে কাটা
ক্ষতবক্ষে ঝড়েছে ৰক্ত ধাৰা
নিৰ্ম্মম কঠোৰতা মেৰেছে ঢেউ
আমাৰ নৌকাৰ দাইনে বায়ে
জীবনেৰ পণ্যকে চেয়েছে ডুবিয়ে দিতে
নিন্দাৰ তলায়, পঙ্কেৰ মধ্যে।"

ব্যক্তিগত জীৱনৰ বিপৰ্য্যয়ত কবিয়ে পৰপাৰৰ সপোন মাজে মাজে দেখিছিল যদিও কবিয়ে প্ৰকৃত সান্ত্বনা বিচাৰি প্ৰকৃতিৰ বুকুলৈ যায়। তেতিয়া কবি মানব সমাজত নাই। অসীমৰ বুকুত উন্মুখ আকাশৰ সীমাহীন নীল আৰু-নক্ষত্ৰৰ স্পন্দনত কবিয়ে প্ৰাণৰ সমলয় ফিৰাই পায়। এই মনোভাবৰ প্ৰকাশ কবিৰ গীতাঞ্জলিত প্ৰকাশিত হৈছে।

ইয়াতে এটা কথা মনকৰিব লগীয়া। ভাৰতীয় বৈদান্তিক সাধনাত জীৱনৰ দুখ শোকৰ পৰা মুক্ত হবলৈ সংসাৰ ত্যাগ কৰি সন্ন্যাস অৱলম্বন কৰা আৰু যোগ সাধনাৰ দ্বাৰা বাহ্য প্ৰকৃতিৰ পৰা মনক ফিৰাই আনি অন্তৰাত্মাৰ উপলব্ধি কৰাৰ কথা আছে। এই সাধনাত বিশ্ব প্ৰকৃতিৰ পৰম অস্তিত্ব অস্বীকাৰ কৰা হয়। ৰবীন্দ্ৰনাথৰ সংসাৰ বিৰাগী মনে কিন্তু সমাজৰ মায়া ত্যাগ কৰিলেও বিশ্ব প্ৰকৃতিৰ মায়া কেতিয়াও ত্যাগ কৰিব নোৱাৰে—বিশ্ব প্ৰকৃতিৰ ঐক্যতানৰ বাহিৰে আৰু একোৰে অস্তিত্ব কবিয়ে নেমানে; হৃদয়ৰ সমস্ত আহ্লাদ ঢালি দি প্ৰকৃতিক ভাল পায়।

কবিৰ মানৱতা বোধ আনফালে আধ্যাত্মিক মানৱতা বোধ বুলিব নোৱাৰি। আমাৰ বৈষ্ণৱ যুগৰ যি মানৱতা বোধ তাৰ ভিত্তি এই যে জীৱ মাত্ৰে এক ভগৱানৰ অংশ, সেই হিচাবে মানৱক সেৱা কৰা, সম্মান কৰা মানে ভগৱানক সেৱা কৰা। এই সাধনাতো পাৰমাৰ্থিক ভগৱান হে একান্ত কাম্য, ভগৱান প্ৰাপ্তিৰ উপায় হিচাবেহে মানৱক নমস্কাৰ কৰিব লাগে। কাৰণ যত জীৱ তত শিৱ, "শৃগাল কুকুৰ গৰ্দ্দভৰো আত্মাৰাম, জানিয়া সবাকো পৰি কৰিবা প্ৰণাম," এই মানৱতা বোধে মানৱ অন্তৰৰ ঐহিক কামনা বাসনা, মিলন বিৰহৰ আনন্দ বেদনা আদিক শ্ৰদ্ধাৰ দৃষ্টিৰে নেচায়, সেইবোৰক মানৱতাৰ শত্ৰু হিচাবেহে দেখে। ৰবীন্দ্ৰনাথে মানুহৰ ঐহিক জীৱনক হে, ঐহিক সুখ দুখাদিৰ অনুভূতিক হে ভাল পায়। স্বৰ্গৰ দেৱতা বুলি বা ঈশ্বৰৰ অংশ বুলি মানৱক তেওঁ ভাল পাব লাগে বুলি কোনো মতে মনা নাই। এইখিনিতেই ৰবীন্দ্ৰনাথে পাশ্চাত্য দেশৰ পৰা অহা ঐহিক মানৱতা বোধৰ দ্বাৰা গভীৰ ভাৱে প্ৰভাৱান্বিত হৈছে।

কিন্তু এই মানৱতা বোধ, অৰ্থাৎ দুৰ্ব্বলতা, নীচতা, ক্ষুদ্ৰতা, স্বাৰ্থপৰতা, লোভ, হিংসা আদি বৰ্জ্জিত মানৱ পৃথিৱীত বাস্তৱ বুলি কব নোৱাৰি। জৈব প্ৰবৃত্তি মানুহৰ স্বভাৱ জাত, অৱশ্যে তাৰ বিৰুদ্ধে মানুহে নিয়ত সংগ্ৰাম কৰি আহিছে। সেয়ে মহা মানৱতাৰ ছবি বৰ্ত্তমানৰ ক্ষেত্ৰত মানৱৰ বাঞ্ছিত এক সুন্দৰ ভৱিষ্যৎ আদৰ্শমাত্ৰ। সেয়ে স্বাৰ্থ, লোভ আদি দুৰ্ব্বলতাৰ

বাবে মানৱক ধিক্কাৰ দিয়াটো আৰু সেইবোৰ দূৰ কৰিবলৈ কেৱল মঙ্গল-ময়ক প্ৰাৰ্থনা কৰাটো বা সংগ্ৰামক অস্বীকাৰ কৰি ভৱিষ্যতে কেতিয়াবা কোনো অদৃশ্য শক্তিৰ নিয়ন্ত্ৰণত এইবোৰ দূৰ হ'ব বুলি ক্ষীণ আশা বুকুত সাৱটি থকাটো বাস্তৱ মানৱৰ প্ৰতি গভীৰ সহানুভূতিৰ অভাৱ হে বুজায়। আকৌ প্ৰকৃতিৰ যি শক্তি প্ৰৱাহ সি মানৱ সমাজৰ অগ্ৰগতিৰ পক্ষ-পাতী নহয়, বিৰোধী হে। গতিকে মানৱ সমাজে নিজৰ সমৃদ্ধি আৰু মুক্তিৰ পথত সদায় প্ৰকৃতিৰ বিৰুদ্ধে বিৰামহীন-ভাৱে সংগ্ৰাম কৰিহে যাব লাগে। কবি ৰবীন্দ্ৰনাথে এই অতি প্ৰয়োজনীয় সংগ্ৰামৰ কথা মনেদি স্বীকাৰ কৰি লোৱা নাই। কিন্তু এই সংগ্ৰামত মানুহে কেৱল মঙ্গলময়ক প্ৰাৰ্থনা কৰিয়ে থাকিব নোৱাৰে। কেৱল অদৃশ্য শক্তিৰ ওপৰত বিশ্বাস ৰাখিয়ে থাকিব নোৱাৰে। সমাজবদ্ধভাৱে কৰ্ম্মযোগী হৈ নিয়ত সংগ্ৰাম কৰি যাব লাগে। এই সংগ্ৰামৰ কাৰণে সমাজ জীৱনতো ভাল বেয়া নানা সংঘাট দেখা দিয়ে। সামাজিক দ্বন্দ্বৰ মাজেদিহে প্ৰকৃতিৰ বিৰুদ্ধে মানৱৰ সংগ্ৰাম বিজয়ৰ পথত আগ বাঢ়ে। সামাজিক দ্বন্দ্বৰ ভিতৰতহে মানৱ প্ৰকৃতিৰ কদৰ্য্য ফালটো ফুটি উঠে, ইয়াক অস্বীকাৰ কৰিবৰ উপায় নাই।

কবিয়ে শেষ জীৱনত নিজৰ কবি জীৱনৰ এই দুৰ্ব্বলতা, এই অপূৰ্ণতা স্বীকাৰ কৰি গৈছে। প্ৰকৃতিৰ অন্তৰৰ গভীৰ সুৰ কবিৰ পৰিচিত। সেই সুৰ নানা মূৰ্চ্ছনাত কবিৰ গান আৰু

কাব্যত ফুটি উঠিছে, কিন্তু মানৱ অন্তৰৰ যি গভীৰ পৰিচয়, প্ৰকৃত বাস্তৱ জীৱনত অন্তৰে অন্তৰে যোগাযোগৰ মাজেদি মিলে সেইটো ঠিক মতে পোৱা নাই বুলি প্ৰকাশ কৰিছে—

"আমি প্ৰকৃতিৰ কবি
যেথা তাৰ যত ওঠে ধ্বনি
আমাৰ বাঁশীৰ সুৰে সাৰা তাৰ
জাগিবে তখনি"

কিন্তু মানুহ—

"সে অন্তৰ ময়
অন্তৰ মিশালে তবে তাৰ
অন্তৰেৰ পৰিচয়।"

কবিৰ জীৱন যাত্ৰাৰ সামাজিক স্থিতিয়ে কবিক সাধাৰণ শ্ৰমজীৱী মানুহৰ অন্তৰৰ অনুভূতিৰ পৰা আঁতৰাই ৰাখে—

"পাইনে সৰ্ব্বত্ৰ তাৰ প্ৰবেশেৰ দ্বাৰ
বাধা হয়ে আছে মোৰ বেড়াগুলি
জীৱন যাত্ৰাৰ।
চাষীক্ষেতে চালাইছে হাল
তাতী বসে তাত বোনে, জেলে ফেলে জাল
অতি ক্ষুদ্ৰ অংশে তাৰ সম্মানেৰ
চিৰ নিৰ্ব্বাসনে
সমাজেৰ উচ্চে মঞ্চে বসেছি
সংকীৰ্ণ বাতায়নে।

সেয়ে কবিৰ মতে সেই সাধাৰণ মানুহৰ মৰ্ম্মবাণী নিজৰ কাব্যত প্ৰকাশিত হোৱা নাই।

"তাই আমি মেনে নিই
সে নিন্দাৰ কথা
আমাৰ সুৰেৰ অপূৰ্ণতা
আমাৰ কবিতা জানি আমি
গেলেও বিচিত্ৰ স্থানে হয় নাই সে সৰ্ব্বত্ৰগামী।

সেয়ে কবিয়ে নতুন কবিক আহ্বান কৰিছে যিয়ে সেই অখ্যাত জনৰ নিৰ্ব্বাক মনৰ জীৱনৰ লগত গভীৰ যোগ ৰাখি সেই সকলৰ প্ৰাণৰ কথা কাব্যত, গানত প্ৰকাশ কৰিব পাৰে। সেই সকলৰ নিৰানন্দময় জীৱনত আনন্দৰ সঞ্চাৰ কৰিব পাৰে। দেশৰ সেই বিৰাট মৰুভূমিত প্ৰেমৰ মৰুদ্যান ৰচনা কৰিব পাৰে, কাব্য সংস্কৃতিৰ ক্ষেত্ৰত ইমান দিনৰ ব্ৰাত্য সকলকো যেন প্ৰকৃত মৰ্য্যাদাপূৰ্ণ আসন দিব পাৰে।

"এসো কবি অখ্যাত জনেৰ, নিৰ্ব্বাক মনেৰ
মৰ্ম্মেৰ বেদনা যত কৰিও উদ্ধাৰ
প্ৰাণহীন এদেশেতে গানহীন যেথা চাৰি ধাৰ,
অৱজ্ঞাৰ তাপে শুষ্ক নিৰানন্দ সেই মৰুভূমি
ৰসে পূৰ্ণ কৰি দাও তুমি।"

কবিয়ে সেই নতুন কবিকে নিজৰ শেষ নমস্কাৰ কৰি গৈছে।

"তুমি থাকো তাহাদেৰ জ্ঞাতি
তোমাৰ খ্যাতিতে তাৰা পায় যেন
আপনাৰি খ্যাতি,
আমি বাৰম্বাৰ
তোমাৰে কৰিব নমস্কাৰ।"

॥ জীৱনৰ চৰম লক্ষ্য ॥

মানুহে কাম কৰে বা কৰিব লগীয়া হয় ; আৰু সেই সকলো কামতে এটা দৃষ্ট বা অদৃষ্ট লক্ষ্য বা উদ্দেশ্য থাকে। এই লক্ষ্য ব্যক্তি বিশেষে অৱস্থা বিশেষে সমাজ বিশেষে আৰু জাতি বিশেষে ভিন ভিন হয়। একেজন মানুহৰেই ভিন ভিন কামৰ লক্ষ্য ভিন ভিন হয়। কোনো কোনো কাম জৈৱিক প্ৰয়োজনত কৰা হয়। কোনো কাম লোকৰ প্ৰশংসাৰ কাৰণে, কোনো কাম অৱসৰ বিনোদনৰ কাৰণে, কোনো কোনো কাম সামাজিক আৰু আধ্যাত্মিক গতানুগতিকতাৰ কাৰণে, কোনো কাম বিবেক নিৰ্দ্দেশিত জনকল্যাণৰ কাৰণে ইত্যাদি নানা কাৰণে কৰা হয়। এইবোৰ বিভিন্ন কামৰ সফলতাই মানৱ মনলৈ বিভিন্ন ৰকমৰ তৃপ্তি বা সন্তুষ্টি আনে। সাধাৰণ ভাৱে কলে এই জীৱনৰ নানা ৰকম ঘাত প্ৰতিঘাতত উপস্থিত হোৱা এই নানা তৰহৰ কামৰ মাজেদি খণ্ড খণ্ড ভাৱে পোৱা তৃপ্তিতেই বহু মানুহৰ জীৱন চলি যায়, কিন্তু কিছুমান মানুহ আছে যিবোৰে অকল এইবোৰ কামত সন্তুষ্ট থাকিব নোৱাৰে। এইবোৰ তৃপ্তিৰ উপৰিও কিবা এক গভীৰ অখণ্ড তৃপ্তি বিচাৰে। জীৱনৰ কিবা এক নিগূঢ় উপলব্ধি বিচাৰ ; জীৱনৰ গতানুগতিক অৱস্থাক মানি নলৈ তাৰ কিবা পৰম তাৎপৰ্য্য বিচাৰে। এই হৈছে মানুহৰ প্ৰাণে বিচৰা জীৱনৰ চৰম লক্ষ্যৰ সন্ধান। এই চৰম অতৃপ্তি বা পৰম তৃষাৰ তাৰনাত মানুহে বিষয় বিৰাগী পথৰ ভিক্ষুক হয়, পৰমাৰ্থ সন্ধানী কবি দাৰ্শনিক হয়। দাৰুণ দুঃখশীল তপস্যা

বা আত্মনিগ্ৰহৰ পথ লয়। আত্মাৰ সুখৰ সহাঁৰি বিচাৰি বৈৰাগীৰ বেশে দেশ দেশান্তৰ ভ্ৰমি ফুৰে। ব্যক্তিগত জীৱনৰ চিন্তা এৰি সমাজ সেৱা আৰু মানৱ কল্যাণৰ কামত আত্মোৎসৰ্গ কৰি দি আত্মাৰ পৰম শান্তি বিচাৰে। প্ৰশ্ন হৈছে এই বোৰৰ কোনটো পথ ঠিক, কোন পথেদি মানুহে সেই পৰম তৃপ্তি পাব পাৰে।

এই প্ৰশ্নৰ সমাধান নানা জনে নানা প্ৰকাৰে দিবৰ চেষ্টা কৰিছে। কিন্তু প্ৰশ্নৰ উত্তৰতকৈও প্ৰশ্নটোৰ তাৎপৰ্য্য অতি গভীৰ। মানৱ অন্তৰৰ এই পোৱা নোপোৱা তৃপ্তি অতৃপ্তিৰ দ্বন্দ্বটোৱে এটা দাৰুণ ট্ৰেজেডি। ই মানৱৰ হৃদয়ৰ মৰ্ম্ম ভেদি ওলোৱা এটা গভীৰ ক্ৰন্দন। এই ক্ৰন্দনৰ ধ্বনিয়েই মানৱৰ সাহিত্য যুগে যুগে ৰসায়িত কৰি আহিছে। আমাৰ কবি নলিনী দেবীয়ে তাৰেই প্ৰকাশ বিচাৰি কৈছে—

“সকলো পাইছোঁ তবু কিবা যেন নাই নাই
মুখত নুফুটে ভাষা প্ৰাণে ভাৱ বিচাৰি নাপায়”
“কিহৰ ই হাবিলাষ কিয় এই
সীমাহীন গতি”

ইংৰাজী কবি শ্বেলীয়ে গাইছে—

“We look before and after
and pine for what is not
Our sincerest laughter
With some pain in fraught

Our sweetest songs are those
That tell of saddest thought.

কিয় মানৱ মনত এই প্রশ্ন জাগে? ইয়াৰ প্রধান কাৰণ মানৱ জীৱন সম্বন্ধে এটা চিৰন্তন বিস্ময়। জীৱন কি, মৃত্যু কি, ই মানুহৰ জ্ঞানৰ অতীত হৈ আছে, তথাপি মানুহে তাৰ এটা নিশ্চিত নিৰ্ণয় বিচাৰে।

ৰবীন্দ্রনাথে মৃত্যুৰ আগমুহূৰ্ত্ততো এই বিস্ময়ৰ কথা কৈ গৈছে—

'প্রথম যুগেৰ সূৰ্য্য
প্রশ্ন কৰেছিল
সত্তাৰ প্রথম আবিৰ্ভাবে,
'কে তুমি'
মেলেনি উত্তৰ।'

আৰু দীৰ্ঘ জীৱনৰ নানা সন্ধান, নানা উপলব্ধিৰ ভিতৰেদিও তাৰ উত্তৰ তেখেতে নেপালে—

"বৎসৰ বৎসৰ কেটে গেল,
দিবসেৰ শেষ সূৰ্য্য
শেষ প্রশ্ন উচ্চাৰিল···
"কে তুমি'
মেলেনি উত্তৰ"

বহুতে এই প্রশ্নৰ কথা নেভাৱে, আৰু এনে বিস্ময়ো সিহঁতৰ নাই। সিহঁতকে জীৱনত যি পায় তাকে মানি

লৈ সমাজত নিৰ্দ্দিষ্ট কৰ্ম্ম কৰি জীৱন কটাই দিয়ে। কিন্তু আনবোৰে জীৱনক স্বাভাৱিক ভাৱে মানি লবলৈ টান পায়।

ইয়াৰ প্ৰধান কাৰণ এই যে মানুহে সুখ বিচাৰে, কিন্তু জীৱন নানা দুঃখেৰে ভৰা। প্ৰথমতে কাম কৰিব লগাটোৱে এটা দুখ, তাতকৈও ডাঙৰ দুখ হৈছে কামত সফলতা লাভ কৰিব নোৱাৰাটো। কামৰ সফলতা লাভ কৰাটো অকল মানুহৰ নিজৰ ক্ষমতাৰ ওপৰতেই নিৰ্ভৰ নকৰে, নানা ৰকম দৃষ্ট অদৃষ্ট, প্ৰাকৃতিক আৰু আকস্মিক ঘটনাৱলীৰ ওপৰত নিৰ্ভৰ কৰে। কামত বিফল হলেই আমি আমাৰ শক্তিৰ ক্ষুদ্ৰতা আৰু জীৱনৰ সীমাৱদ্ধতাৰ বিষয়ে তীব্ৰভাৱে অনুভৱ কৰোঁ। অকল সেইটোৱেই নহয়; বাঞ্ছিত ফল লাভ নোহোৱাৰ বেদনাই আমাক অতিষ্ঠ কৰে। জীৱনৰ পদে পদে এই বিফলতা আছে। এই বিফলতাকে হয়তো মানুহে সহ্য কৰিব পাৰিলেহেঁতেন, কিন্তু সমাজত দেখা যায় যে কিছুমান মানুহে যি কামতে হাত দিয়ে সেই কামেই সিজে, যি বিচাৰে বহু-ক্ষেত্ৰত তাকেই পায় আৰু বহুতে একো যোগ্যতা নথকাতেও বা নিজে কোনো কৰ্ম্ম নকৰাকৈও জীৱনৰ সুখ পায়, কিন্তু অন্য কিছুমানে বহু যোগ্যতা থকা স্বত্ত্বেও বহুভাৱে কৰ্ম্ম কৰিও জীৱনৰ সেই সুযোগ আৰু সুবিধা নেপায়; নিয়তভাৱে বিফলতাৰ সম্মুখীন হব লগা হয়। সমাজৰ ভিতৰত মানুহে মানুহে এই অসমান তুলনা থকাৰ ফলত জীৱনৰ ওপৰত অতৃপ্তি আৰু আনকি বিৰক্তি ওপজে। আৰু কিছুমান মানুহে নিজৰ

কথা নেভাৱি সমাজৰ হিত বা মঙ্গলৰ অৰ্থে কৰ্ম্ম কৰে, কিন্তু তাতো প্ৰতি পদে দেখে যে মানুহে মানুহে হিংসা, ঘৃণা, অন্যায় অবিচাৰ, উৎপীড়ন আদিয়ে মানৱতাৰ সকলো মঙ্গল প্ৰচেষ্টা আবৰি ৰাখিছে আৰু সেইবোৰৰ বিৰুদ্ধে যিমানেই সংগ্ৰাম কৰিছে সিমানেই বিফল হ'ব লগা হৈছে ; তেতিয়া স্বাভাৱিকতে প্ৰশ্ন জাগে এই কাম কৰাৰ অৰ্থ কি ? ইয়াৰ পৰা যদি সমাজৰ গ্লানি দূৰ কৰিব নোৱাৰি, যদি মনোমত এখন সুখী আৰু শান্তি-পূৰ্ণ সমাজ ৰচনা কৰি লব নোৱাৰি তেন্তে জানোঁ এই মহৎ কৰ্ম্মৰ প্ৰেৰণাও অৰ্থ হীন, জীৱন জানোঁ বিহেৰে ভৰা মাথোঁ ক্লেশ গ্লানি ? এই দুখৰ জানো শেষ নাই ? হয়তো মানুহে এই দুখঁকো নীৰৱে সহ্য কৰিলে হেঁতেন, কাৰণ এই জীৱনৰ দুখৰ আৱৰণৰ মাজতো মাজে মাজে শান্তিৰ আভাস পোৱা যায়। হয়তো জীৱনত অনাৱিল শান্তি নেথাকিব পাৰে হয়তো আমাৰ হাঁহিও দুখৰেই হাঁহি, কিন্তু সেই দুখক যে মানুহে মৌন মূক ভাৱে সহ্য কৰিব নালাগে, তাক যে গানৰ মাজেদি, কাব্যৰ মাজেদি, শিল্পকলাৰ মাজেদি পৰস্পৰ দুখৰ ভাষাৰ আদান প্ৰদানৰ ভিতৰেদি সম দুখ দুখী মানৱৰ প্ৰাণৰ পৰশ প্ৰেমৰ মাজেদি মানুহে সেই দুখকো কিছু পৰিমাণে পাহৰি থাকিব পাৰে। তাৰ উপৰিও মানুহৰ ক্ষুদ্ৰ শক্তিৰে, সীমাৱদ্ধ সাধনাৰে সেই দুখৰ বিৰুদ্ধে সংগ্ৰাম কৰি তাৰ বহু ক্ষেত্ৰত সফলতা লাভ কৰিব পাৰে আৰু যি ক্ষেত্ৰত সফলতা লাভ কৰিব নোৱাৰে তাত সেই সংগ্ৰামৰ জৰীয়তে এটা আত্মগৰিমাৰ

আনন্দ পাব পাৰে, নিজৰ অপৰাজেয় মনৰ তৃপ্তি পাব পাৰে। আকৌ পিতৃ মাতৃ পুত্ৰ পৰিজনৰ প্ৰীতিৰ মাজেদি, বিৰহ কাতৰ হৃদয়ৰ প্ৰেমসিক্ত করুণাশ্ৰুৰ ভিতৰেদি, স্বাৰ্থ লেশহীন পৰোপকাৰৰ বিমল আনন্দৰ মাজেদি, সেউজী পৃথিৱীৰ স্নেহ শীতল শান্তিৰ ভিতৰেদি জীৱনৰ মহিমা উপলব্ধি কৰিব পাৰে। মানৱৰ হৃদয়াবেগৰ সৌন্দৰ্য্য, প্ৰকৃতিৰ মোহন ৰূপ, অনাগত ভৱিষ্যতৰ সোণালী সপোন, কৰ্ম্মপ্ৰাণ যোগীৰ মঙ্গল সাধনা এইবোৰে জীৱনৰ নানা নোপোৱাৰ দুখ, নোৱৰাৰ দুখ, নোহোৱাৰ দুখ আদিকো তল পেলাব পাৰে। দক্ষিণৰ বসন্ত সমীৰ আৰু প্ৰভাতৰ কোকিল কাকলি, শৰতৰ শেৱালি সৰা শুকুলা সন্ধিয়া, শাওনৰ জিলিৰ ৰব মুখৰ বৃষ্টি সঘন বিয়লিবেলা হেমন্তৰ কুঁৱলী আবৰা দিনান্তৰ দিগন্ত—নানা সাজৰ প্ৰকৃতি আৰু—

"বিনিদ্ৰ স্নেহেৰ স্তব্ধ নিঃশব্দ বেদনা মাজে
সতীৰ পৱিত্ৰ লাজে
সখাৰ হৃদয় ৰক্ত পাতে
পথ চাওয়া প্ৰণয়েৰ বিচ্ছেদেৰ ৰাতে
অশ্ৰুপ্লুত করুণাৰ ক্ষমাৰ প্ৰভাতে"

এই সকলৰ ভিতৰেদি মানৱ জীৱনৰ জ্যোতি জিলিকি উঠে। দুখৰ মাজতো জীয়াই থকাৰ এই গৰিমা উপলব্ধি কৰিব পাৰিছিল বুলিয়েই ৰবীন্দ্ৰনাথে জীৱনৰ বিয়লি বেলা কব পাৰিছিল—

"কি পাইনি তাৰ হিচাব মেলাতে
মন মোৰ নোহে ৰাজি
আজ হৃদয়েৰ ছায়াঁতে আলোতে
বাঁশৰী উঠেছে বাজি।"

কিন্তু এই জীৱনৰো অন্ত আছে, ই অনিত্য ; বাৰ্দ্ধক্য আৰু মৃত্যুই জীৱনৰ সকলো মহিমা নাশ কৰি দিয়ে। এই মৃত্যুৰ বিৰুদ্ধে বাৰু কি সান্ত্বনা থাকিব পাৰে ? আন কি ৰবীন্দ্ৰনাথৰ জীৱন প্ৰেমৰ আনন্দকো এই মৃত্যুভয়ে পদে পদে ক্লিষ্ট কৰি ৰাখিছিল। বাৰে বাৰে এৰি অহা অতীতৰ ফালে মোহাৱিষ্ট ভাৱে চাই পঠিয়াইছিল—

পশ্চাতেৰ নিত্য সহচৰ, অকৃতাৰ্থ হে অতীত
অতৃপ্ত তৃষ্ণাৰ যত ছায়ামূৰ্ত্তি প্ৰেতভূমি হতে
নিয়েছ আমাৰ সঙ্গ, পিছু ডাকা অক্লান্ত আগ্ৰহে
আবেশ আবিল সুৰে বাজাইছ অস্ফুট সেতাৰ'।

মৃত্যুভয় মৃত্যুৰ আগ মুহূৰ্ত্তলৈকো ৰবীন্দ্ৰনাথৰ আছিল সেয়ে কবিৰ শেষৰ বেদনাক্লিষ্ট কণ্ঠস্বৰ—

"দুঃখেৰ আঁধাৰ ৰাত্ৰি বাৰে বাৰে
এসেছে আমাৰ দ্বাৰে।
একমাত্ৰ অস্ত্ৰ তাৰ দেখেছিনু,
কষ্টেৰ বিকৃত ভান, ত্ৰাসেৰ বিকট মূৰ্ত্তি যত
অন্ধকাৰে ছলনাৰ ভূমিকা তাহাৰ"।

এই মৃত্যুৰ বিৰুদ্ধে সান্ত্বনাৰ সন্ধান কৰি মানুহে জীৱনক

তাৎপৰ্য্য বা লক্ষ্যৰ ৰহস্য বিচাৰি ব্যাকুল হয়। এই সান্ত্বনা পাব বুলিয়েই মানুহে ধৰ্ম্মৰ পথ লয়, বিশ্বাস কৰে যে যদিও জীৱন ক্ষণভঙ্গুৰ তথাপি মানৱৰ আত্মা অমৰ, বিশ্বৰ গুৰিত আছে ভগৱান বা ঈশ্বৰ আৰু সেই ঈশ্বৰৰ কৃপা আৰু প্ৰকাশ আছে কাৰণেই মানৱৰ চৰম আশ্ৰয় আৰু চৰম শান্তি আছে আৰু সেই পৰম শান্তি লাভৰ সাধনাই হৈছে জীৱনৰ শ্ৰেষ্ঠ সাধনা, যাৰ তুলনাত যি কোনো ঐহিক সাধনাই অকিঞ্চিৎকৰ হৈ পৰে। এই ঈশ্বৰ বিশ্বাসৰ ওপৰত নিৰ্ভৰ কৰিয়েই মানুহে জীৱন সম্বন্ধে আশাবাদী হৈ পৰে। এই বিশ্বাস আৰু আশাবাদ মানৱ মনৰ অনুভূতিৰ কথা, ই বিচাৰ বুদ্ধিৰ বিষয় নহয়। অৰ্থাৎ এই বিশ্বাস সত্যৰ ওপৰত প্ৰতিষ্ঠিত নে একেবাৰে ভ্ৰান্তিমূলক অবাস্তৱ কল্পনা তাক প্ৰমাণ কৰিব নোৱাৰি। যিয়ে এই বিশ্বাস স্বীকাৰ কৰে তাৰ মনত ই বুদ্ধিৰ অগোচৰ হলেও চৰম সত্য, সেই সত্যৰ তুলনাত সকলো ৰকম ইন্দ্ৰিয়জ্ঞান বিচাৰ জ্ঞান যথা বৈজ্ঞানিক সত্য আদিও তুচ্ছ হৈ পৰে।

কিন্তু এনেকুৱাও বহুত আছে যিয়ে এনে ধৰনৰ পৰমাৰ্থ ধাৰণাক বেদনা-কাতৰ মানৱ মনৰ কল্পনাপ্ৰসূত বুলি ভাৱে। অৰ্থাৎ মানুহে জীৱনটো তেনেকুৱা হোৱাটো বাঞ্ছা কৰে বুলিয়েই বাস্তৱতে ই তেনে হয় বুলি ভবাটো ভ্ৰান্তিমূলক আৰু বিশেষকৈ বিশ্ব আৰু জীৱন সম্বন্ধে আজিলৈকে যিবোৰ প্ৰমাণলব্ধ জ্ঞান পোৱা হৈছে সেইবোৰে এনেকুৱা পৰমাৰ্থ বিশ্বাসৰ বিৰোধীহে হয়। যথা বিজ্ঞানে কয় মানুহ ঈশ্বৰসৃষ্ট

নহয়, ঐতিহাসিক বিবৰ্ত্তনত জড় প্ৰকৃতিৰ পৰা ক্ৰমে উন্নত হোৱা এই বিৰাট বিশ্বত অণুপৰিমাণ পৃথিৱীত মানুহ জাতি গ্ৰহসংঘাতত পৃথিৱীৰ লগতে নাশ হৈ বিৰাট শূন্যত বিলীন হ'ব, সেয়েতো শেষ, ইত্যাদি। এওঁলোকে জীৱনৰ কোনো চিৰন্তনী মহিমা বিচাৰি নেপায়। এওঁলোক, জড়বাদী, নাস্তিকবাদী। এওঁলোকৰ মতে মৃত্যুই জীৱনৰ শেষ।

এই জড়বাদী আৰু নাস্তিকবাদী সকলৰ ভিতৰতো জীৱনৰ প্ৰকৃত মূল্যবোধ সম্বন্ধে নানা বিৰোধী ধাৰণা আছে। এওঁলোকৰ কিছুমান চাৰ্ব্বাকপন্থী। চাৰ্ব্বাকপন্থী সকলৰ মতে জীৱনক যিমান সুখত চলাব পাৰি চলাব লাগে, ভৱিষ্যতৰ অলীক সপোন দেখিব নালাগে। এওঁলোকৰ মতে নিজৰ জীৱনৰ সুখেই মানুহৰ চৰম কাম্য। এওঁলোকে অৱশ্যে ভাবে যে জীৱনত যিদৰে দুখ আছে সেইদৰে সুখো আছে। গতিকে এওঁলোক নিৰাশবাদী নহয়। আনফালে নাস্তিকবাদী কিছুমান আছে যিয়ে সম্পূৰ্ণ নিৰাশবাদী। তেওঁলোকে জীৱনত কোনো প্ৰকাৰ আনন্দৰ আভাস দেখা নেপায়।

ভাৰতীয় দৰ্শনবোৰক নিৰাশাবাদী বুলি পশ্চিমীয়া দেশত নিন্দা কৰা হয়। কাৰণ এই দৰ্শনত ঐহিক জীৱনত দুখৰ ওপৰত জোৰ দিয়া হৈছে আৰু এই ঐহিক কৰ্ম্ম বন্ধনৰ পৰা মুক্তি বা নিৰ্ব্বাণ লাভ কৰাটোৱে জীৱনৰ চৰম লক্ষ্য বুলি কোৱা হৈছে। ঐহিক যি সুখ সিও অনিত্য, গতিকে আত্মাক সিয়ে স্থায়ী শান্তি দিব নোৱাৰে। সেয়ে আন কি বিনন্দ বিলাসময়

স্বৰ্গলোকো মনুষ্যৰ চৰম কাম্য নহয়। কাৰণ সিও অনিত্য। ভূমৈব সুখম, নাল্পে সুখমস্তি।

ঐহিক জীৱন সম্বন্ধে ভাৰতীয় দৰ্শন অৱশ্যে নিৰাশাবাদী। আমি ওপৰত যিবোৰ পাৰ্থিব আনন্দৰ কথা কৈ আহিছোঁ সেইবোৰকো অলীক বুলি ভাৰতীয় সাধনাত ধৰা হৈছে। কিন্তু এই নিৰাশাবাদ একেবাৰে শূন্যবাদ নহয়। কেৱল বৌদ্ধ মতবাদকহে এই ৰকম আত্যন্তিক নিৰাশাবাদ বুলিব পাৰি। কাৰণ সেই মতবাদে আত্মা ঈশ্বৰ আদিৰ একো অস্তিত্ব মনা নাই। কোনো চিৰন্তনী চৈতন্য সত্তা মনা নাই, কোনো পাৰমাৰ্থিক তত্ত্বক স্বীকাৰ কৰা নাই। এই মতবাদ মতে মানৱৰ চৰম কৰ্ত্তব্য এই জীৱন বস্তি নুমাই গৈ মহাশূন্যত বিলীন হৈ যোৱাটো। কিন্তু ভাৰতীয় আনবোৰ প্ৰধান দৰ্শনে এক অলৌকিক আনন্দময় অস্তিত্বৰ স্বীকাৰ কৰে, আৰু মানৱাত্মাৰ সেই পৰমানন্দ লাভকেই চৰম লক্ষ্য বুলি স্বীকাৰ কৰে। সেইটো যি হওক এই দৰ্শনে মানুহৰ বাস্তৱ জীৱনক দুখময় বুলি কয় আৰু সেই দুখৰ কোনো ৰকম নিৰাকৰণ পাৰ্থিব চেষ্টা আৰু কৰ্ম্ম প্ৰয়াসৰ দ্বাৰা হ'ব নোৱাৰে বুলি কয়।

তেন্তে স্বাভাৱিকতে প্ৰশ্ন উঠে যদি ঐহিক জীৱনৰ পৰা মুক্তি লাভ কৰাটো জীৱনৰ চৰম লক্ষ্য হয় আৰু সেই লক্ষ্য লাভৰ বাবে বৈৰাগ্য আৰু আত্মাৰ অন্তৰ্মুখী যোগসাধনাই একমাত্ৰ পথ হয় তেন্তে মানুহে জৈৱিক আৰু সাংসাৰিক সকলো কৰ্ম্ম ত্যাগ

কৰি যোগ সাধনাৰ, বৈৰাগ্যৰ আৰু সন্ন্যাসৰ পথ ল'ব লাগিব নে কি ? যদি লাগে তেন্তে সংসাৰ চলিব কেনেকৈ ? যোগ সাধনা বা সন্ন্যাস অৱলম্বন কৰিবলৈ হলেওতো জীয়াই থাকিব লাগিব। আৰু জীয়াই থাকিব লাগিলেওতো অন্নবস্ত্ৰৰ উৎপাদন কৰিব লাগিব। এই অসুবিধা নিৰাকৰণ কৰিবলৈ অৱশ্যে হিন্দু দৰ্শনত জন্মান্তৰবাদ, কৰ্ম্মবন্ধন আৰু বৰ্ণাশ্ৰম ধৰ্ম্মৰ প্ৰভেদ দেখুওৱা হৈছে। এই তিনিওটা মত প্ৰথম মতটোৰ ওপৰত নিৰ্ভৰ কৰিছে। কিন্তু সামাজিক আৰু ব্যক্তি জীৱনৰ নানা ৰকম বৈষম্য আৰু বিভেদৰ কাৰণ দেখুৱাবলৈ গৈ জন্মান্তৰবাদৰ অৱতাৰণা কৰাটো এটা অদ্ভুত যুক্তি। প্ৰথমতে জন্মান্তৰৰ কোনো অভিজ্ঞতা বা স্মৰণ কোনো মানুহৰ কেতিয়াও হোৱা নাই আৰু কোনো বিজ্ঞান সম্মত আৰু যুক্তি সম্মত উপায়ে তাক প্ৰমাণ কৰিব নোৱাৰি। এই বিশ্বাস বিশেষকৈ মানুহৰ মৃত্যু ভয়ৰ দ্বাৰা প্ৰমোদিত। আকৌ সমাজত যিবোৰ বিভেদ আৰু বৈষম্য আছে সেইবোৰৰ বহুখিনি বৈজ্ঞানিক উপায়ে মানুহে এক জন্মৰ ভিতৰতে দূৰ কৰি ল'ব পাৰে, তাৰ কাৰণে কোনো অপৰিহাৰ্য্য অলঙ্ঘনীয় পূৰ্ব্বজন্মকৃত কৰ্ম্মৰ ফল মানিবৰ প্ৰয়োজন নাই। বিশেষকৈ এই জন্মান্তৰবাদ আৰু কৰ্ম্মবন্ধনৰ ধাৰণা সমাজৰ প্ৰগতি আৰু কল্যাণ সাধনাৰ পথত আটাইতকৈ প্ৰধান বাধা, ই মানুহক ৰক্ষণশীল কৰে, ভাগ্যত বিশ্বাসী কৰি ভাগ্যক জয় কৰিব পৰা পুৰুষাৰ্থৰপৰা নিশ্চেষ্ট কৰে। বৰ্ণাশ্ৰম

ধৰ্ম্মৰ বিষয়ে এই খিনি কলেই হ'ব যে আজিৰ যন্ত্ৰ শিল্পৰ দিনত ইয়াৰ ভিত্তিত ৰচিত পুৰণি সমাজ ব্যৱস্থা অচল হৈ গৈছে আৰু তাৰ পৰা যিমান সোনকালে আমাৰ সমাজক মুক্ত কৰিব পাৰি সিমানেই মঙ্গল।

মুঠ কথা মানৱ জীৱনৰ যিবিলাক সাৰ্ব্বজনীন ভাৱে স্বীকৃত সত্য সেই বিলাকৰ ওপৰত ভিত্তি কৰি জীৱনৰ তাৎপৰ্য্য আৰু লক্ষ্য আৰু তাৰ সাধনাৰ পথ নিৰ্ণয় কৰিব লাগিব। কোনো অলৌকিক অদৃষ্ট আৰু বিচাৰ বিৰোধী বা বিচাৰাতীত শক্তিৰ ওপৰত বিশ্বাস কৰি জীৱনৰ ৰক্ত মাংসৰ লগত জড়িত থকা সত্যবোৰক অস্বীকাৰ কৰাটো কোলাৰটো এৰি পেটৰটো আশা কৰাৰ নিচিনা হব নোৱাৰে।

জীৱনৰ এটা প্ৰধান সত্য হৈছে মানুহৰ জীয়াই থাকিবৰ প্ৰয়াস। ইয়াক অস্বীকাৰ কৰিবৰ উপায় নাই। সেইটো নহলে মানুহে এই জীৱনৰ দুখ দূৰ কৰিবলৈ আত্ম নিধনৰ পথ ললে হেঁতেন। এই জীয়াই থকাৰ কাৰণে মানুহে যি কাম কৰিব লাগে সেইটো মানুহৰ অপৰিহাৰ্য্য কৰ্ত্তব্য। সেই কৰ্ত্তব্যক কোনো মতে অবহেলা কৰিব নোৱাৰি বা কাজে সেইটো কৰিব দিয়াটো সমাজ বিগৰ্হিত কাম হব। যি মানুহে জীয়াই থকাটো বেয়া বুলি কয় সেই মানুহৰ জীয়াই থকাৰ অধিকাৰ নাই। জীৱনৰ যি দুখ আছে সেই বোৰকে লৈ বিনাই থকাটো আত্মহত্যাৰ চামিল। যি দৰে জীৱনত দুখ আছে সেইদৰে সেই দুখৰ বিৰুদ্ধে সংগ্ৰাম কৰিবলৈ, সেই দুখক

মানুহৰ সমবেত শক্তিৰ দ্বাৰা জয় কৰিবলৈ আৰু সেই সমবেত শক্তি প্ৰয়োগৰ বাধা উত্তৰ হোৱা মানুহৰ পাৰস্পৰিক সহানুভূতি আৰু একতা আৰু মানুহৰ সাংস্কৃতিক জীৱন বিকাশৰ ভিতৰেদি জীৱনক মহীয়ান কৰি তুলিবলৈ সুবিধাও আছে। কাৰণ জীয়াই থকাৰ কাৰণে মানুহে কৰা সেই সমবেত সংগ্ৰামৰ ভিত্তিতেহে মানুহৰ উচ্চতৰ সাংস্কৃতিক জীৱন গঢ়ি উঠিব পাৰে। পশু জীৱনত মানুহৰ নিচিনা আত্ম-সচেতন সমবেত সংগ্ৰাম নাই। সেয়ে পশু জগতত সংস্কৃতি সভ্যতাৰ স্থান নাই। এই সচেতন সমবেত সংগ্ৰামেই মানুহৰ সমাজ জীৱনৰ-ধৰণী।

মানুহৰ জীয়াই থকাৰ একমাত্ৰ প্ৰধান শত্ৰু প্ৰকৃতি। এই শত্ৰুৰ বিৰুদ্ধে মানৱ জাতিয়ে অনবৰত সংগ্ৰাম কৰি আহিছে। এই সংগ্ৰামৰ ভিতৰেদি ক্ৰমাগতভাৱে মানুহে প্ৰকৃতিৰ শক্তিক জয় কৰি, সেই শক্তিক জীৱনৰ প্ৰয়োজনত লগাই বিজয় ঘোষণা কৰি আহিছে। এই সংগ্ৰামত মানুহৰ ইতিহাসত নানা উত্থান পতন হৈছে। কত জাতিয়ে সেই সংগ্ৰামত অস্তিত্ব হেৰুৱাই পেলাইছে, তথাপিতো মানুহে সভ্যতাৰ পথত আগবাঢ়ি আহিছে। প্ৰকৃতিৰ গোলামিৰ পৰা মানুহৰ শক্তি প্ৰয়োগ কৰি জীৱনক ক্ৰমাগতভাৱে মুক্ত কৰিব পৰাতোৱে মানৱ জীৱনৰ প্ৰকৃত মুক্তি। সেই মুক্তি সাধনাই মানুহৰ জীৱনৰ লক্ষ্য। প্ৰকৃতিৰ গোলামিৰ পৰা পোৱা এই মুক্তিৰ উপলব্ধি আৰু আনন্দৰ মাজেদিহে মানুহৰ প্ৰকৃত সংস্কৃতিৰ গঢ় লয়। কিন্তু এই মুক্তি প্ৰকৃতিৰ পৰা সম্পূৰ্ণ মুক্ত হ'ব নোৱাৰে। সেয়ে সেই মুক্তি

সংগ্ৰাম মানৱ জাতিৰ চিৰন্তন। এই মুক্তি সংগ্ৰামৰ ভিতৰেদি মানুহৰ মনত ঐক্যৰ ভাৱ আৰু মহানুভূতিৰ বন্ধন দৃঢ়তৰ হয়, ব্যক্তিৰ হৃদয়ানুভূতিয়ে ব্যাপ্তি লাভ কৰি সমগ্ৰ বিশ্ব-মানৱ-হৃদয়ৰ লগত সম্বন্ধ স্থাপন কৰি এক সুগভীৰ মানৱতা বোধ আৰু বিশ্বপ্ৰেমৰ বিকাশ কৰাই মানৱত্বৰ শ্ৰেষ্ঠতা আনি দিব পাৰে। এইয়েই মানুহৰ প্ৰকৃত সাধনা, এই ৱিশ্ব-জীৱন বোধৰ উপলব্ধিয়েই মানৱ জীৱনৰ চৰম লক্ষ্য। মানৱতাৰ এই সাধনাই প্ৰকৃতিৰ পৰা আঁতৰি গৈ বা প্ৰকৃতিক অস্বীকাৰ কৰি কোনো লোকৰ মুক্তি নিবিচাৰে; সেই মানৱতাৰ ঈষৎ উপলব্ধিৰ কাৰণেই ৰবীন্দ্ৰনাথে কৈছে :—

"বৈৰাগ্য সাধনে মুক্তি সে আমাৰ নয়
অখিল বন্ধন মাঝে মহানন্দময়
লভিব মুক্তিৰ স্বাদ।"

এই মানৱ মুক্তিৰ সংগ্ৰামত এফালে যেনেকৈ প্ৰকৃতিৰ বুকুত মানুহে নানা পৰিবৰ্ত্তন কৰিব পাৰিছে, গিৰিপথ, মৰুপথ ভেদ কৰি পৃথিৱী বুকুত শস্য সেউজী শান্তিৰ নীড় ৰচনা কৰিব পাৰিছে, আন ফালে সেইদৰে সংগ্ৰামৰ জৰীয়তে নিজৰ জৈৱিক জীৱনৰ স্বাৰ্থান্বেষী প্ৰাকৃতিক প্ৰবৃত্তি বোৰক জয় কৰি নিজৰ আৰু সমাজৰ পৰিবৰ্ত্তন কৰি আগবাঢ়িব পাৰিছে, সমাজ জীৱনত নীতিবোধ, বিজ্ঞান, কলা, দৰ্শনৰ উচ্চ মানস সম্পদ সমূহৰ বিকাশ লাভ কৰাব পাৰিছে, যুগে যুগে মানৱতাৰ নব নব বিকাশ ঘটাই, নিজকেই নিত্য নতুন ভাৱে আৱিষ্কাৰ

কৰিছে। আৰু সেই বিস্ময়ৰ আনন্দত মানুহে হাঁহিছে, নাচিছে, উৎসৱ কৰিছে আৰু নব নব সৃষ্টিৰ কল্পনা কৰিছে।

এই সংগ্ৰাম যিহেতু গতিশীল সেই হিচাবে ই ব্যক্তি জীৱন আৰু সমাজ জীৱনকো গাথি দিছে। যেতিয়াই ব্যক্তি আৰু সমাজ জীৱনৰ গতি-বেগ বন্ধ হৈ যাব তেতিয়াই মানৱ জাতি লোপ পাব। যি ভাৱ ধাৰা আৰু আদৰ্শবাদে এই মানৱতা ক্ৰমবিকাশৰ গতিক অস্বীকাৰ কৰি জীৱন আৰু সমাজক এটা স্থবিৰতাৰ মাজলৈ আনি নানা ৰকম ৰক্ষণশীল নীতি নিয়মৰ জালেৰে ব্যক্তি আৰু সমাজৰ হাতভৰি বান্ধি থব বিচাৰে সি মানৱতাৰ পৰিপন্থী, মানৱতাৰ শত্ৰু। ইতিহাসত মানৱ সমাজৰ ভিতৰত এই ৰকম বাধা সকলোসময়তে দেখা যায়। সেয়ে যি কোনো যুগতে সমাজৰ ভিতৰত নানা বিৰোধ, নানা বিৰুদ্ধমত-বাদৰ দ্বন্দ আৰু আন কি সংগ্ৰামো দেখা যায়। মানৱ জাতিৰ সমস্ত প্ৰকৃতিৰ বিৰুদ্ধে যি সংগ্ৰাম সেই সংগ্ৰামৰ পটভূমিকাতে তাৰে প্ৰতিফলনৰূপে সমাজ জীৱনতো এই সংঘাত ঘটে। কিন্তু এই সংঘাত মানৱে অতিক্ৰম কৰিব পাৰে। মানৱ জাতিৰ ভিতৰৰ সমস্ত বিভেদ, যেনে সম্পত্তি, জাতি, ধৰ্ম্ম সম্প্ৰদায়, ভাষা, সংস্কৃতি, নীতি, ধৰ্ম্ম, সকলো ৰকমৰ ভেদ দূৰ কৰি সমস্ত মানৱৰ একতা প্ৰতিষ্ঠিত কৰি প্ৰকৃতিৰ বিৰুদ্ধে একমুখী হৈ সংগ্ৰাম কৰি মানৱ জীৱনত দেখা দিয়া প্ৰাকৃতিক প্ৰায়বোৰ বিঘিনি, অপায়, অমঙ্গল, দুখ নিৰ্য্যাতন দূৰ কৰি এখন সুখী, সমৃদ্ধ, সুসংবদ্ধ, সুসংস্কৃত, গতিশীল, বিকাশশীল

মুক্ত আৰু শান্তিপূর্ণ মানৱ সমাজ ৰচনা কৰিব পাৰে। মানৱতাৰ সেই নব পর্য্যায়লৈ, উন্নতি হোৱাটোৱে ইতিহাসৰ তাৎপর্য্য, ব্যক্তি আৰু সমাজ জীৱনৰ লক্ষ্য আৰু সাধনা।

॥ ৰবীন্দ্ৰ আলেখ্য ॥

"ধ্বনিল আহ্বান মধুৰ গম্ভীৰ প্ৰভাত অম্বৰ মাঝে।
দিকে দিগন্তৰে ভুবন মন্দিৰে শান্তি সঙ্গীত বাজে।"

"মধুবাতা ঋতায়তে মধু ক্ষৰন্তি সিন্ধব," গোলক দ্যুলোক মধুময়, মধুময় ধৰণীৰ ধূলি। কিশোৰ কবি ৰবীন্দ্ৰনাথ হৃদয়ৰ গভীৰ অনুৰাগ-ৰঞ্জিত বিশ্ব-প্ৰকৃতিৰ প্ৰাণময় আনন্দময় মোহন ৰূপত মুগ্ধ। দূৰ আকাশৰ নক্ষত্ৰৰ স্পন্দনে, সীমা হীন সমুদ্ৰৰ ঊৰ্মিমুখৰ কোনো অজান সঙ্গীতৰ সুৰে কৰিক সুদূৰৰ আহ্বানত ব্যাকুল কৰি তোলে। প্ৰাত্যহিক জীৱনৰ নানা ক্ষুদ্ৰতা, সীমাবদ্ধতা আতৰাই কবিয়ে হৃদয়ৰ অফুৰন্ত আৱেগ আৰু অনুৰাগেৰে গোটেই জগত প্লাৱিত কৰি তুলিব খোজে। সকলো বাধা উলঙ্ঘা কৰি বিশ্বৰ সকলোতে নিজৰ জীৱনৰ সৌৰভ বিলাই দিব খোজে—

"আজি এ প্ৰভাতে ৰবিৰ কৰ
কেমনে পশিল প্ৰাণেৰ পৰ।
আমি ঢালিব কৰুণা ধাৰা
আমি ভাঙিব পাষাণ কাৰা
আমি জগত প্লাবিয়া বেড়াব গাহিয়া
আকুল পাগল পাৰা"

কবি হৃদয় প্ৰকৃতিৰ সোণৰ কাঠিৰ পৰশ লাগি জাগি উঠিল। সেই হৃদয়ে সন্ধান পালে এক নতুন মানৱতাৰ। এই মানৱ স্বৰ্গৰ দেবতা নহয়, ধৰণীৰ ধূলি-লীন সুখদুখ, হাঁহি

কান্দোন, বিৰহ-মিলন নানা অনুৰাগ মুখৰিত মানৱ—সেই মানৱ জাতি, ধৰ্ম, গোত্ৰ, পদমৰ্য্যদা, সম্পদ আদিৰ দ্বাৰা সীমাৱদ্ধ নহয়; সেই মানৱ সৰ্বদেশৰ সৰ্বকালৰ অমৰ মানৱ। প্ৰকৃতিৰ যি নানা বৰ্ণচ্ছটা আৰু মানৱ হৃদয়ৰ যি সুন্দৰ চিন্ময় ৰূপে কৱিৰ প্ৰাণৰ নানা সুৰৰ ঝঙ্কাৰ জগাই দিলে, সেই অনুৰাগ সিক্ত গান আৰু ছৱি চিৰকালৰ কাৰণে ক্ষণিক হৃদয়ৰ আনন্দৰ বাবে কৱিয়ে ৰাখি যাবলৈ বিচাৰে, কৱিয়ে কল্পনাৰে চাই পঠিয়ায় এশ বছৰ পিছত যি নতুন মানুহ এই পৃথিৱীলৈ আহিব তেওঁলোকে হয়তো এই কৱিৰ কৱিতা পঢ়িছে—

"আজি হতে শত বৰ্ষ পৰে
কে তুমি পড়িছ বসি আমাৰ কৱিতা খানি
কৌতুহল ভৰে"

আগত দিনৰ নতুন কৱিলৈ আজিৰ কবিয়ে নিজৰ অন্তৰৰ সুৰময় অভিৱাদন পঠাই দিব খুজিছে।

এখন কৰেছে গান কোন সে নতুন কবি
তোমাদেৰ ঘৰে
আজিকাৰ বসন্তেৰে আনন্দ অভিবাদন
পঠায়ে দিলাম তাৰ কৰে
হৃদয় স্পন্দনে তব ভ্ৰমৰ গুঞ্জণে নব
পল্লবে মৰ্মৰে
আজি হতে শতবৰ্ষ পৰে।"

কিন্তু বাস্তৱ সমাজ-জীৱনতো সংগীতময় নহয় ; তাত আছে নানা সংঘাত, নানা জয় পৰাজয়। কবিয়ে সেই সংঘাতময় সমাজ-জীৱনৰ পৰা আতৰত থাকি অনন্তৰ আৰু নিসৰ্গৰ সীমা-হীন নিৰ্জনতাত বিশ্ববিমোহিনী মানস সুন্দৰী আৰু নিৰুদ্দেশ মনৰ মানুহৰ অনিৰ্দ্দেশ্য বেদনাৰ বলিয়া সুৰ সাধনাত আপোন পাহৰি থাকিব নোৱাৰিছিল। জীৱনক পূৰ্ণৰূপে উপলব্ধি কৰিবলৈ সৌন্দৰ্য্য পিয়াসী কৱিয়ে সমাজ-জীৱনৰ নানা সংঘাতৰ ভিতৰত নিজকে ব্যাপ্ত কৰিলে, সংগীত মুখৰ জীৱন কৰ্ম্মমুখৰ কৰি তুলিলে কৱিৰ ভাষাত—

"সেদিন পঁচিশে বৈশাখ
আমাকে আনল ডেকে
বন্ধুৰ পথ দিয়ে
তৰঙ্গ মন্দ্ৰিত জন-সমুদ্ৰতীৰে"

কিন্তু জনসমুদ্ৰ তীৰ যে ৰণক্ষেত্ৰ ই কেৱল প্ৰেমৰ অমৰাৱতী নহয় ; ইয়াত অকল বাঁহীৰ সুৰেই নাবাজে, ইয়াত বাজে ভেৰী, দুন্দুভি—

"সেদিন জীৱনেৰ ৰণক্ষেত্ৰ
দিকে দিকে জেগে উঠল
সংগ্ৰামেৰ সংঘাত
গুৰু গুৰু মেঘমন্দ্ৰ
একতাৰা ফেলে দিয়ে
কখনো বা নিতে হলো ভেৰী,

খৰ মধ্যাহ্নেৰ তাপে ছুটতে হোলো
জয় পৰাজয়েৰ আৱৰ্ত্তনেৰ মধ্যে ।”

সেই সময়ত ভাৰতৰ জাতীয় জীৱনত আত্মপ্ৰতিষ্ঠাৰ আৰু দেশাত্মবোধৰ ভাৱ গঢ় লৈ উঠিব ধৰিছিল। ইংৰাজ শাসন আৰু অত্যাচাৰৰ প্ৰতিক্ৰিয়া হিচাবে শিক্ষিত দেশবাসীৰ মনত স্বৰাজৰ আদৰ্শ আৰু এক সৰ্ব্বভাৰতীয় ৰাষ্ট্ৰীয় চেতনা জাগি উঠিল। পাশ্চাত্য সভ্যতাৰ উদাৰ মানৱতা বোধৰ দ্বাৰা অনু-প্ৰাণিত হৈ বহুতে দেশৰ ভিতৰত থকা নানা মধ্য যুগীয় কুসংস্কাৰৰ বিৰুদ্ধে যুজিব ধৰিলে আৰু লগে লগে দেশক ইংৰাজী শাসনৰ পৰা মুক্ত কৰাৰ চিন্তাও উদয় হব ধৰিলে। এই সৰ্ব্বভাৰতীয় জাতীয় চেতনাই ৰূপ পালে ভাৰতমাতা, ভাৰতজননী আদি কল্পনাৰ ভিতৰেদি। এই নবলব্ধ চেতনাক ৰবীন্দ্ৰনাথেই সৰ্ব-প্ৰথম বন্দনা গানৰ ৰূপ দিলে—

“অয়ি ভুবন মনমোহিনী
অয়ি নিৰ্মল সূৰ্য্য কৰোজ্জ্বল ধৰণী জনক-জননী।
নীল-সিন্ধু-জল-ধৌত চৰণতল, অনিল বিকম্পিত
শ্যামল অঞ্চল।
অম্বৰ-চুম্বিত-ভাল-হিমাচল, শুভ্ৰ তুষাৰ কিৰিটিনী।”

এই দেশাত্মবোধৰ প্ৰেৰণাই ৰবীন্দ্ৰনাথৰ নিজৰ দেশৰ ভিতৰত থকা নানা গ্লানি, ভীৰুতা, চৰিত্ৰহীনতা আদি সম্বন্ধে তীব্ৰভাবে সচেতন কৰিলে। কঠিন ত্যাগ আৰু সাধনাৰ দ্বাৰা সেইবোৰ দূৰ কৰি নৱীন ভাৰত গঢ়ি তুলিব লাগিব বুলি কৰিয়ে

অনুভৱ কৰিলে। আনফালে বহুতে স্বদেশিকতাৰ নামত অতীত ভাৰতৰ গৌৰৱ গান কৰি নিজকেই অতি ডাঙৰ বুলি ভেমত গুফন্দি পৰিল। দেশবাসীৰ মনত দেখা দিব ধৰা এই অলীক আত্মঘাতক ৰবীন্দ্রনাথে তীব্রভাৱে শ্লেষ কৰিলে—

'মোক্ষমূলাৰ বলেছে আর্য্য, সেই শুনে সবে দেখেছি কার্য্য
মোৰা বীৰ বলে কৰেছি ধার্য্য, আৰামে পৰেছি শুয়ে
মনু নাকি ছিল আধ্যাত্মিক, আমৰাও তাই কৰিয়াছি ঠিক
এযে নাহি বলে ধিক তাৰে ধিক, শাপ দিই পৈতা ছুঁয়ে।"

কাৰণ ৰবীন্দ্রনাথে পৰাধীনতাৰ লৌহ-পাশত আৱদ্ধ ভাৰত বাসীৰ আত্মগ্লানি আৰু মনুষ্যত্বহীনতা দূৰ কৰি এক নতুন সৃষ্টিমূলক সাধনাৰ দ্বাৰা ভাৰতৰ নত মস্তক উন্নত কৰি জগত সভাত নিজৰ প্ৰাপ্য স্থান আদায় কৰি গত গৌৰৱ আৰু হৃত আসন ফিৰাই অনাৰ কৰ্ত্তব্য উপলব্ধি কৰিছিল।

কৱিয়ে পশ্চিমীয়া সভ্যতাৰ নৱ আলোকত ভাৰতীয় জাতিৰ এক নতুন শুভোজ্জ্বল গৌৰৱময় জীৱনৰ ছবি দেখিছিল আৰু বৰ্ত্তমানৰ দেশৰ দুৰ্ভাগ্য দূৰ কৰি ভাৰতীয় সাধনাৰ নৱ জাগৃতিৰ সম্ভাৱনা কৰিবলৈ কৱিয়ে প্ৰাৰ্থনা কৰিছিল।

পশ্চিমীয়া সভ্যতাৰ উদাৰ মানৱতাই ৰবীন্দ্রনাথৰ মনত প্ৰাচীন ভাৰতৰ উপনিষদীয় বিশ্বভ্ৰাতৃত্ববোধৰ লগত মিলি গৈ মহামানৱতাৰ এক ভৱিষ্যত নৱ মিলনৰ সম্ভাৱনা কৰি চিত্তত প্ৰতিফলিত কৰিছিল। কিন্তু পশ্চিমীয়া সভ্যতাৰ যি সাম্রাজ্য-বাদী কদৰ্য্য ৰূপ, সি ক্ৰমে এচিয়া আৰু আফ্ৰিকাবাসীৰ ওপৰত

কৰা নিৰ্মম শোষণৰ ভিতৰেদি আত্মপ্ৰকাশ কৰিবলৈ ধৰিলে। 'সুসভ্য' ইংৰাজে এফালে চীন মহাদেশত কানিৰ বেপাৰ চলাই চীনবাসীৰ জীৱনীশক্তি শুহি পেলাবলৈ ধৰিলে, যাৰ তীব্ৰ নিন্দা কৰিয়ে কৰিছিল 'চীনেৰ মাৰণ ব্যৱসায়' প্ৰৱন্ধত; আৰু আনফালে আফ্ৰিকাৰ আদিম অধিবাসীৰ বুকুৰ তেজপিবলৈ পাশ্চাত্য সাম্ৰাজ্যবাদী সকলৰ মাজত কটাকটি লাগি পৰিল, যাৰ ফলত হল বুয়ৰ যুদ্ধ। ঊনৱিংশ শতাব্দীৰ সূৰ্য্য হিংসাৰ বিভৎস উৎসৱত, আফ্ৰিকা বাসীৰ তেজেৰে ৰাঙলী হোৱা মেঘৰ বুকুত অস্ত গ'ল—

"শতাব্দীৰ সূৰ্য্য আজ ৰক্তমেঘ মাঝে
অস্ত গেল—হিংসাৰ উৎসবে আজি বাজে
অস্ত্ৰে অস্ত্ৰে মৰণেৰ উন্মাদ ৰাগিণী ভয়ঙ্কৰী
স্বাৰ্থে স্বাৰ্থে বেধেছে সংঘাত, লোভে লোভে
ঘটেছে প্ৰণয়, প্ৰলয় মন্থন ক্ষোভে
ভদ্ৰবেশী বৰ্ব্বৰতা উঠিয়াছে জাগি।

পশ্চিমীয়া সভ্যতাৰ এই যে মনুষ্যত্বনাশকাৰী সাম্ৰাজ্যবাদী স্বৰূপ, সেইটো কেতিয়াও মানৱ জাতিৰ ভবিষ্যতৰ শুভলক্ষণ নহয়, ই যে সভ্যতাৰ দাৰুণ সন্ধ্যাৰ প্ৰলয় দীপ্তি, স্বাৰ্থলুব্ধ সভ্যতাৰ শেষ অগ্নি কণা, ই যে শ্মশানৰ মাজত শক্তিৰ সাধনা—ই চিৰ-কল্যাণময়ী শান্তি আৰু বাণীৰ সাধনা নহয়— কৰিৰ দৃষ্টিত—

"এই পশ্চিমেৰ কোণে ৰক্তৰাগ লেখা
নহে কভু সৌম্য ৰশ্মি অৰুণেৰ ৰেখা
তব নব প্রভাতেৰ। এ শুধু দাৰুণ
সন্ধ্যাৰ প্রলয় দীপ্তি
এই শ্মশানেৰ মাঝে শক্তিৰ সাধনা
তব আৰাধনা নহে হে বিশ্বপালক
তোমাৰ নিখিল প্লাবী আনন্দ আলোক
হয়তো লুকিয়ে আছে পূর্ব সিন্ধু তীৰে
বহু ধৈর্য্য নম্র স্তব্ধ দুঃখেৰ তিমিৰে
দীর্ঘকাল—ব্রাহ্ম মুহূর্ত্তেৰ প্রতীক্ষায়।"

মানৱ সভ্যতাৰ সেই নিখিল প্লাবী আনন্দ আলোক, শান্তি আৰু মিলনৰ আলোক এই ভাৰতবৰ্ষই বিশ্বৰ বুকুত এদিন বিলাই দিব লাগিব—

"সেই পৰম পৰিপূৰ্ণ প্রভাতেৰ লাগি
হে ভাৰত, সৰ্বদুঃখে ৰহ তুমি জাগি
সৰল নিৰ্মল চিত্ত, সকল বন্ধনে
আত্মাৰে স্বাধীন ৰাখি।"

ইয়েই ভাৰতীয় সভ্যতাৰ গৌৰৱোজ্জ্বল ভৱিষ্যত, ইয়েই বিশ্বমানৱৰ প্ৰতি মানৱ সভ্যতাৰ প্ৰতি পালন কৰিব লগীয়া ভাৰতবাসীৰ অতি গুৰু আৰু অতি মহান দায়িত্ব—যাৰ কাৰণে নৱজাগ্ৰত ভাৰতবাসী প্ৰস্তুত হব লাগিব ; ভাৰতবৰ্ষৰ সেই পৰম চৰিতাৰ্থতা সাধন কৰিব লাগিব।

"চিত্ত যেথা ভয় শূন্য, উচ্চ যেথা শিৰ,
জ্ঞান যেথা মুক্ত, যেথা গৃহেৰ প্ৰাচীৰ
আপনাৰে ৰাখে নাই ক্ষুদ্ৰ খণ্ড কৰি
... ...
যেথা বাক্য হৃদয়েৰ উৎস মুখ হতে
উৎসৰিয়া উঠে
নিজহাতে নিৰ্দয় আঘাত কৰি পিতঃ
ভাৰতেৰ সেই স্বৰ্গে কৰো জাগৰিত।

বিশ্বশান্তি আৰু মানৱ মৈত্ৰীৰ আদৰ্শ সমুখত ৰাখি ভাৰত সন্তান ত্যাগৰ পথাৰত, বিৰামহীন কৰ্ম-সাধনাৰ পথত নিৰ্ভীক হৃদয় লৈ আগবাঢ়ি যাব লাগিব।

কিন্তু দেশৰ ভিতৰত সেই সময়ত দেশপ্ৰেমৰ নামত কেৱল এটা উপকৰা হৈ চৈ চলিছিল; মেল মিটিং কৰি, ইংৰাজী বক্তৃতা আওৰাই টেটু ফালি চিঞৰি দেশৰ প্ৰাচীন গৌৰৱ প্ৰচাৰ কৰাটোৱেই যেন একমাত্ৰ কৰিব লগীয়া কাম। জাতিৰ আত্ম-প্ৰতিষ্ঠাৰ বাবে ত্যাগৰ, সাধনাৰ যি দুৰ্গম পথ ৰবীন্দ্ৰনাথে দেখিছিল, তাৰ তুলনাত এই ধৰণৰ অন্তঃসাৰশূন্য অন্ধ অহমিকা কৰিয়ে অতি তীব্ৰ বিদ্ৰূপ আৰু কটূক্তি কৰিছিল—

"বক্তৃতাটা লেগেছে বেশ, ৰয়েছে ৰেস কাণে
কি যেন কৰা উচিত ছিল, কি কৰি কে তা জানে!
অন্ধকাৰে ঐ যে শোন, ভাৰত মাতা কৰেণ 'গ্ৰোণ'
এহেন কালে ভীষ্ম দ্ৰোণ গেলেন কোনখানে?

দেশেৰ দুঃখে সতত দহি মনেৰ কথা সবাৰে কহি
এসতো নামটা সহী লম্বা পিটিশনে।
আয়ৰে ভাই সবাই মাতি যতটা পাৰি ফুলাই ছাতি
নহিলে গেল আৰ্য্য জাঁতি ৰসাতলেৰ পানে'।"

শিক্ষিত ভাৰতবাসীৰ মনত সেই সময়ত দেখা দিয়া এই অন্ধ আত্মবিস্মৃতিৰ বান্ধ ভাঙি দেশৰ ভিতৰত এক উদ্দাম গতি-শীল বিপ্লৱী জীৱনৰ প্ৰেৰণা কৰিয়ে জগাই দিব খুজিছে—

"ইহাৰ চেয়ে হতেম যদি আৰৱ বেডুইন
চৰণ তলে বিশাল মৰু দিগন্তে বিলীন,
ছুটেছে ঘোৰা উড়েছে বালি, জীৱনস্ৰোত আকাশে ঢালি
উষাৰ মতো বহ্নি জ্বালি যেতেছি নিশিদিন,
বৰশা হাতে ভৰষা প্ৰাণে সদায় নিৰুদ্দেশ
মৰুৰ ঝৰ যেমন বহে সকল বাধাহীন।

... ...

ৰবীন্দ্ৰনাথৰ হৃদয়ৰ গভীৰত ভাৰতবৰ্ষৰ যি ছবি আছিল সি হৈছে তপোবন আৰু অনাড়ম্বৰ গাঁৱলীয়া জীৱনৰ শান্ত ধ্যানী ৰূপ। তাত আছিল দাৰিদ্ৰ্যৰ কঠিন ব্ৰত, মৌনৰ স্তম্ভিত আৱেগ, নিষ্ঠাৰ কঠোৰ শান্তি আৰু বৈৰাগ্যৰ উদাৰ গাম্ভীৰ্য্য। আজিও সেই ভাৰতবৰ্ষ বিদেশীৰ সংঘাতত একেবাৰে লুপ্ত হৈ যোৱা নাই। "সংযমেৰ দ্বাৰা, বিশ্বাসেৰ দ্বাৰা, ধ্যানেৰ দ্বাৰা, এই মৃত্যু ভয়হীন আত্ম সমাহিত শক্তি ভাৰতবৰ্ষেৰ মুখশ্ৰীতে মৃদুতা এবং সজ্জাৰ মধ্যে কাঠিন্য, লোক-ব্যৱহাৰে কোমলতা এবং

স্বধৰ্ম্ম ৰক্ষায় দৃঢ়ত্ব দান কৰিয়াছে। শান্তিৰ মৰ্মগত এই বিপুল শক্তিকে অনুভৱ কৰিতে হইবে। বহু শতাব্দী ধৰিয়া বহু দুৰ্গতিৰ মধ্যে ভাৰতবৰ্ষেৰ অন্তৰ্নিহিত এই শক্তিই আমাদিগকে ৰক্ষা কৰিয়া আসিয়াছে এবং সময়কালে এই দীনহীন বেশী, ভূষণহীন, বাক্যহীন নিষ্ঠা-দ্ৰঢ়িষ্ঠ শক্তিই জাগ্ৰত হইয়া সমস্ত ভাৰতবৰ্ষেৰ উপৰে আপন বৰাভয় হস্ত প্ৰসাৰিত কৰিবে— আমৰা আজ যাহাকে অবজ্ঞা কৰিয়া চাহিয়া দেখিতেছি না, ইংৰাজী স্কুলেৰ বাতায়নে বসিয়া যাহাৰ সজ্জাহীন আভাসমাত্ৰ চোখে পৰিতেই লাল হইয়া মুখ ফিৰাইতেছি, তাহাই সনাতন ভাৰতবৰ্ষ—যখন ঝড় আসিবে তখন দেখিব এই অবিচলিত শক্তিৰ সন্ন্যাসীৰ দীপ্তচক্ষু দুৰ্য্যোগেৰ মধ্যে জ্বলিতেছে—যখন ঝড়েৰ গৰ্জনে অতি বিশুদ্ধ ইংৰাজী বক্তৃতা আৰ শোনা যাইবে না, তখন এই সঙ্গীহীন নিভৃতবাসী ভাৰতবৰ্ষকে আমৰা জানিব, যাহা স্তব্ধ তাহাকে উপেক্ষা কৰিব না, যাহা মৌন তাহাকে অবিশ্বাস কৰিব না, যাহা বিদেশেৰ বিলাস সামগ্ৰীকে ভ্ৰূক্ষেপেৰ দ্বাৰা অবজ্ঞা কৰে, তাহাকে দাৰিদ্ৰ্য বলিয়া উপেক্ষা কৰিব না।”

সেই প্ৰাচীন ভাৰতীয় সাধনাক প্ৰকৃত শিক্ষা আৰু সংযমৰ দ্বাৰা গঢ়ি তুলিবলৈ তপোবনৰ আদৰ্শত বোলপুৰত শান্তি-নিকেতন আশ্ৰম আৰু বিশ্বভাৰতী বিশ্ববিদ্যালয় স্থাপন কৰা কামত কৰিয়ে একান্তভাৱে আত্মনিয়োগ কৰে।

বিংশ শতাব্দীৰ আৰম্ভনিৰ লগে লগে ইতিমধ্যে দেশত ইংৰাজ শাসকৰ নতুন দম্ভ আৰু উৎপীড়ন দেখা দিলে। লৰ্ড

কাৰ্জনে মোগল সম্ৰাট সকলৰ অনুকৰণত দিল্লীত মধ্যযুগীয় আড়ম্বৰে ৰাজ অভিষেক পাতিলে, তাজমহলৰ অনুকৰণত কলিকতাত ভিক্টোৰিয়া মেমোৰিয়েল সজালে, দেশবাসীৰ কণ্ঠ-ৰোধ কৰিবলৈ প্ৰেছ আইন আৰু স্বিডিস্যন আইন পাছ কৰিলে, দেশবাসীৰ মাজত দলাদলি আৰু বিভেদ সৃষ্টি কৰিবলৈ মুছলমান সকলক প্ৰৰোচনা দিব ধৰিলে আৰু বংগ ভংগ আইন প্ৰণয়ন কৰিলে। ইয়াৰ বিৰুদ্ধে দেশত যি প্ৰবল স্বদেশী আন্দোলন বিয়পি পৰিল, তাত ৰবীন্দ্ৰনাথে প্ৰধান ঋত্বিকৰ অংশ গ্ৰহণ কৰি বিপ্লৱী অগ্নি-মন্ত্ৰেৰে দেশবাসীৰ মনত মৃত্যুঞ্জয়ী দেশাত্মবোধ আৰু আত্ম বলিদানৰ প্ৰেৰণা আনি দিলে।

"সঙ্কোচেৰ বিহ্বলতা নিজেৰে অপমান
সঙ্কটেৰ কল্পনাতে হয়োনা ম্ৰিয়মাণ।"

এই গানবোৰ গাই গাই সেই সময়ৰ বিপ্লৱী যুৱক সকলে হাঁহি মুখে ফাঁচী কাঠত আপোনাৰ শিৰ তুলি দিছিল।

অৱশ্যে স্বদেশী আন্দোলন যেতিয়া ক্ৰমে সন্ত্ৰাসবাদী আন্দোলনৰ ৰূপ ললে, ৰবীন্দ্ৰনাথে তাৰ বিৰোধিতা কৰিছিল। কিন্তু সেই সন্ত্ৰাসবাদী কাৰ্য্যকলাপত অভিযুক্ত হৈ যেতিয়া অৰবিন্দ ঘোষ আদিয়ে বিচাৰাধীন কাৰাবন্দী হ'ল তেতিয়া, দেশৰ স্বাধীনতা ব্ৰতলৈ নিৰ্ভীকভাৱে নিজৰ জীৱন মুক্তিযজ্ঞত আহুতি দিবলৈ আগবঢ়া অৰবিন্দৰ উদ্দেশ্যে নমস্কাৰ জনাই কৰিয়ে লিখিলে—

"অৰবিন্দ ৰবীন্দ্ৰেৰ লহ নমস্কাৰ
হে বন্ধু, হে দেশবন্ধু, স্বদেশ আত্মাৰ বাণী মূৰ্তি তুমি—
বিধাতাৰ শ্ৰেষ্ঠ দান আপনাৰ পূৰ্ণ অধিকাৰ
চেয়েছ দেশেৰ হয়ে অকুণ্ঠ আশায়
কোন অমানুষ তোমাৰ বেদনা হ'তে না পাইবে বল
মোছৰে দুৰ্বল চক্ষু মোছ অশ্ৰুজল।
দেবতাৰ দীপ হস্তে যে আসিল
সেই ৰুদ্ৰ দূতে বলো কোন ৰাজাকবে
পাৰে শাস্তি দিতে? শাস্তি? শাস্তি তাৰি তৰে
যে পাৰে না শাস্তি ভয়ে হইতে বাহিৰে
লঙ্ঘিয়া নিজেৰ গড়া মিথ্যাৰ প্ৰাচীৰ
কপট বেষ্টন। যে নপুংস কোনো দিন
চাহিয়া ধৰ্মেৰ পানে নিৰ্ভীক স্বাধীন
অন্যায়েৰে বলেনি অন্যায়
দেশেৰ দুৰ্দশা লয়ে যাৰ ব্যৱসায়
সেই ভীৰু নতশিৰ চিৰ শাস্তি ভাৰে
ৰাজ কাৰা বাহিৰেতে নিত্য কাৰাগাৰে।"

সন্ত্ৰাসবাদী সকলৰ অন্তৰৰ বিপ্লৱী প্ৰেৰণাক সম্বৰ্দ্ধনা জনাইছিল যদিও কৱিয়ে সেই পথ ভ্ৰান্ত বুলি বুজিছিল আৰু নিজৰ মত স্পষ্টভাৱে দেশবাসীৰ সমূখত দাঙি ধৰিছিল। ইংৰাজৰ উদাৰতাৰ ওপৰত কৱিৰ অগাধ বিশ্বাস থকাৰ বাবে ভাৰতৰ আত্ম প্ৰতিষ্ঠাৰ ভিতৰেদি প্ৰাচ্য-পাশ্চাত্যৰ মিলন হৈ মানৱতাৰ

নৰ মুক্তি হ'ব বুলি কৰিয়ে বিশ্বাস কৰিছিল। ইয়াৰ কাৰণে দেশবাসীয়ে কৰিক ইংৰাজ শাসকৰ পৃষ্ঠপোষক আদি আখ্যাদি তীব্ৰ নিন্দা বাণী শুনাইছিল—এই নিন্দাৰ তীব্ৰ শেলে কৰিক দিক্ ভ্ৰান্ত প্ৰায় কৰি তুলিছিল। কৰিয়ে গভীৰ বেদনা বুকুত লৈ নিজৰ সাধনাৰ পথত আগুৱাই যাবৰ বাবে দৃঢ়তা আৰু সাহস বিচাৰি গাইছে—

"যদি তোৰ ডাক শুনে কেউ না আসে
তবে একলা চলোৰে
যদি কেউ ফিৰে না চায়
যদি সবাই থাকে মুখ ফিৰায়ে সবাই কৰে ভয়
তবে পথেৰ কাঁটা, ও তুই ৰক্তমাখা
চৰণ তলে একলা চলোৰে
যদি আলো না ধৰে
যদি ঝড় বাদলেৰ আঁধাৰ ৰাতে
তুয়াৰ দেয় ঘৰে
তব বজ্ৰানলে আপন বুকেৰ পাঁজৰ
জ্বলিয়ে দিয়ে একলা জ্বলোৰে।"

সামাজিক নিন্দাবাণীৰ উপৰিও ব্যক্তিগত জীৱনত কৰিয়ে পালে উপৰ্য্যুপৰি প্ৰাণাধিক পুত্ৰ, কন্যা আৰু প্ৰিয়তমা পত্নীৰ বিয়োগৰ অন্তৰ্দাহী শোকাগ্নিৰ জ্বালা—কৰিয়ে মৃত্যুৰ সেই আঘাত সহ্য কৰিবলৈ বুকুত বল বান্ধিছে।

"ৰুদ্ৰ তোমাৰ দাৰুণ দীপ্তি এসেছে দুয়াৰ ভেদিয়া
বক্ষে বেজেছে বিদ্যুৎবাণ স্বপ্নেৰ জাল ছেদিয়া
বাজেৰে গৰজি বাজেৰে, দগ্ধ মেঘেৰ
ৰন্ধ্ৰে ৰন্ধ্ৰে দীপ্ত গগন মাঝেৰে
উদয়েৰ পথে শুনি কাৰ বাণী ভয় নাই ওৰে ভয় নাই
নিঃশেষে প্ৰাণ যে কৰিবে দান ক্ষয় নাই তাৰ ক্ষয় নাই
মৰণ নৃত্যে ছন্দ মিলায়ে হৃদয় দম্বৰু বাজাব
ভীষণ দুঃখে ডালি ভৰে লয়ে তোমাৰ অৰ্ঘ সাজাব"

কিন্তু মৃত্যুক অমৃত কৰি লোৱাটো অতি সহজ নহয়, কৱিয়ে সকলো যন্ত্ৰনাৰ অৱসান হিচাবে মাজে মাজে নিজৰ মৃত্যুকে কামনা কৰিছে। এই মৃত্যু কামনা কৰিৰ খেয়া কাব্যত ফুটি উঠিছে "আমায় নিয়ে যাবি কেৰে দিনেৰ শেষ খেয়ায়" কিন্তু কৱিয়ে জীৱন আৰু জগতক গভীৰভাৱে ভাল পায়—সেয়ে কৱিয়ে সান্ত্বনা বিচাৰি পায়—চিৰ শান্তিময়ী প্ৰকৃতিৰ বুকুলৈ, কৱিয়ে একান্ত আত্ম নিবেদন কৰে, বিৰাট বিশ্বপ্ৰাণৰ ওচৰত প্ৰাৰ্থনা কৰে।

"বিপদে মোৰে ৰক্ষা কৰো এনহে মোৰ প্ৰাৰ্থনা
বিপদে আমি না যেন কৰি ভয়
দুঃখ-তাপে ব্যথিত চিত্তে নাইবা দিলে সান্ত্বনা
দুঃখেৰে যেন কৰিতে পাৰি জয়"

বিশ্বপ্ৰকৃতিৰ শিৰাই শিৰাই কৱিয়ে এক অনন্ত প্ৰাণ চাঞ্চল্য অনুভৱ কৰে। বৰষুণৰ বতৰৰ অশান্ত প্ৰকৃতিৰ বুকুত

কৰিয়ে নিজৰ সকলো যাতনা-দুখ-ৰাতিৰ অশ্রু প্লাৱনৰ মাজেৰে উটুৱাই দিবলৈ বিচাৰিছে—ৰুদ্ৰ প্ৰকৃতিৰ নাচোনৰ তালে তালে নিজৰ মনৰ মৰণ কামনাক মষিমূৰ কৰি জীৱনক পুনৰ জগাই তুলিবৰ সাধনা কৰিছে—

'ওৰে ঝড় নেমে আয়, আয়ৰে আমাৰ শুকনো পাতাৰ ডালে
পৰাণ আমাৰ জাগল বুঝি মৰণ অন্তৰালে।'

ধুমুহা যেতিয়া শান্ত হয় কৱিৰ মনো শান্ত হয়, কৱিয়ে শান্তি পালে লীলা সংগিনীৰ বীণাৰ সুৰত সম্পূর্ণ অকলশৰীয়া হৈ, লক্ষ্যবিহীন ভাৱে কৱিয়ে নিজৰ কল্পনাক এৰি দিলে—

প্ৰকৃতিৰ শিৰাই শিৰাই প্ৰবাহিত প্ৰাণৰ কঁপনি কৱিয়ে নিজৰ ধমনীত অনুভৱ কৰিলে, "সৰ্ব্বপ্ৰাণ এজাতি" এক অন্তহীন গতিশীলতাই কৱিক মুগ্ধ কৰিলে সন্ধ্যাৰ গগনত হংস বলাকাৰ পাখীৰ স্পন্দনৰ তালে তালে।

"বাজিল ব্যাকুল বাঁশী নিখিলেৰ কাণে
হেথা নয় অন্য কোথা অন্য কোনোখানে।"

কৱিয়ে অনুভৱ কৰিলে, অতীত, বৰ্ত্তমান আৰু ভৱিষ্যতক সামৰি লৈ মহাকালৰ যি নৃত্য চলিছে, সিটো ধ্বংসৰ তাণ্ডৱ নৃত্য নহয়, সি যে জীৱন-মৰণ একাকাৰ কৰা লাস্যময়ী সৃষ্টিৰ নাচ; মহাকালৰ হাতত দম্বৰু নাই, আছে সুৰ-সৃষ্টিৰ মন্দিৰা—

দুই হাতে কালেৰ মন্দিৰা যে সদাই বাজে,

জীৱনৰ ওপৰত কৱিৰ গভীৰ বিশ্বাস আৰু নিষ্ঠা পুনৰ ঘূৰি আহিল; কৱিয়ে পুনৰ উলটি আহিল সমাজ জীৱনলৈ।

কাৰণ কৰিয়ে বিচাৰে মানৱৰ মাজত প্ৰেমৰ হাট পাতিবলৈ, হৃদয়ে হৃদয়ে প্ৰেমৰ সেতু ৰচনা কৰিবলৈ। বিৰাট প্ৰাণৰ চিৰ সুন্দৰ ৰূপ কৰিয়ে মানৱ সমাজত বিকশিত হৈ উঠাটো বিচাৰে মহামানৱতাৰ মহা মিলনৰ ভিতৰেদি। ভাৰতবৰ্ষৰ বুকুতেই সেই মহা মিলনৰ সম্ভাৱনা কৰিয়ে দেখেছিল। কাৰণ কৰিৰ দৃষ্টিত ভাৰতীয় সভ্যতা অতীতৰ পৰাই নানা সভ্যতাৰ মিলন ভূমি হৈ আহিছে। সেয়ে এইবাৰ কৰিৰ নৱলব্ধ দৃষ্টিত ভুৱন মনোমোহিনী ভাৰতমাতাই নতুন ৰূপ ধৰি ভাৰততীৰ্থ হিচাবে প্ৰতিফলিত হ'ল—

"হে মোৰ চিত্ত পুণ্য তীৰ্থে জাগোৰে ধীৰে
এই ভাৰতেৰ মহামানবেৰ সাগৰ তীৰে॥

কিন্তু ভাৰতবৰ্ষত পৰাধীনতাৰ গ্লানি আছে, অকৃতাৰ্থতাৰ দৈন্য আছে, সেয়েই মানৱতাৰ মিলন আৰু বিশেষকৈ ইংৰাজ শাসক আৰু ভাৰতবাসীৰ প্ৰেমপূৰ্ণ মিলনৰ প্ৰধান প্ৰতিবন্ধক— এই কথা ৰবীন্দ্ৰনাথে অতি দুঃখেৰে সৈতে অনুভৱ কৰিছিল—

"সেই হোমানলে হেৰো আজি
জ্বলে দুঃখেৰ ৰক্তলিখা
হবে তা সহিতে মৰ্ম দহিতে আছে
যে ভাগ্যে লিখা।
এ দুঃখ বহন কৰো মোৰ মন
শোনোৰে একেৰ ডাক—

তথাপি পশ্চিমীয়া সভ্যতাৰ নৱ-অৰুনোদয়ত ভাৰতৰ যি

নৱ জীৱন প্ৰভাতৰ সূচনা কৰিয়ে দেখিছিল তাৰ ভৱিষ্যত সম্বন্ধে অগাধ বিশ্বাস কৰিব আছিল। কৰিয়ে অৱশ্যে তীব্ৰভাৱে অনুভৱ কৰিছিল যে সমাজৰ অবহেলিত অপমানিত ভূষণহীন দীন-দৰিদ্ৰ কৃষক সকলেইহে ভাৰতীয় সমাজ জীৱনৰ কেন্দ্ৰ স্বৰূপ, প্ৰকৃত মানৱ দেৱতা প্ৰকৃত নৰ-নাৰায়ণ। বিশ্ব প্ৰকৃতিৰ কোলাত লালিত কৃষক সকলৰ স্বতঃস্ফূৰ্ত্ত জীৱনৰ ভিতৰেদিহে প্ৰকৃতভাৱে বিশ্বৰ কেন্দ্ৰীভূত বিৰাট প্ৰাণৰ মূৰ্চনা দেখা দিয়ে।

কৰিৰ দুখ এই যে, কৰি কৃষক জীৱনৰ এই স্বচ্ছন্দ প্ৰাণ প্ৰৱাহৰ পৰা আঁতৰত। সামাজিক জীৱনৰ গণ্ডী আতঁৰাই মনে চহাৰ জীৱনৰ লগত নিবিড় আত্মীয়তা স্থাপন কৰিব পৰা নাই বুলি কৰিয়ে আক্ষেপ কৰিছে—

"যেথায় থাকে সবাৰ অধম দীনেৰ হতে দীন
সবাৰ পিছে সবাৰ নীচে সবহাৰাদেৰ মাঝে
সেথায় আমাৰ প্ৰণাম, নামে নাবে
"অহংকাৰ তো পায় না নাগাল সেথায়
তুমি ফেৰ
ৰিক্ত ভূষণ দীন দৰিদ্ৰ সাজে···
সেথায় আমাৰ হৃদয় নামে না যে।"

তথাপি প্ৰেম প্ৰীতি আৰু মৈত্ৰীৰ পথেদি আগবাঢ়ি মানৱ জাতিয়ে ভৱিষ্যতত এক পৱিত্ৰ বিশ্ব-মানব সমাজ ৰচনা কৰিব পাৰিব, এই আশা ৰবীন্দ্ৰনাথে ৰাখিছিল। কিন্তু পশ্চিমীয়া বণিক সভ্যতাৰ কদৰ্য্য ৰূপ সাম্ৰাজ্যবাদৰ বৰ্বৰ লোভ আৰু

হিংস্ৰতাই বিৰাট নৰমেধ যজ্ঞৰ আকাৰ ধাৰণ কৰিলে প্ৰথম বিশ্বযুদ্ধৰ মাজেদি। এই মৃত্যুৰ গৰ্জনে কৱিক মানৱৰ গোপন হিংস্ৰ প্ৰবৃত্তিৰ স্বৰূপ দেখুৱাই দিলে—

দূৰ হ'তে শুনিস কি মৃত্যুৰ গৰ্জন,
ওৰে দীন।
ওৰে উদাসীন
ওই ক্ৰন্দনেৰ কলৰোল
লক্ষ বক্ষ হতে মুক্ত ৰক্তেৰ কল্লোল।
মৰণেৰ গান
উঠেছে ধ্বনিয়া পথে নবজীৱনেৰ অভিসাৰে
যত দুঃখ পৃথিবীৰ, যত পাপ
যত অমঙ্গল
যত হিংসা হলাহল
সমস্ত উঠেছে তৰংগিয়া, কূল উলংঘিয়া
লোভীৰ নিষ্ঠুৰ লোভ বঞ্চিতেৰ নিত্য চিত্ত ক্ষোভ
জাতি অভিমান
মানবেৰ অধিষ্ঠাত্ৰী দেৱতাৰ বহু অসম্মান।
ঝটিকাৰ দীৰ্ঘশ্বাসে জলে স্থলে বেড়ায় ফিৰিয়া
নিদাৰুণ দুঃখ ৰাতে মৃত্যুঘাতে
মানুষ চূৰ্ণিল যবে নিজ মৰ্ত্যসীমা
তখন দিবে না দেখা দেৱতায়
অমৰ মহিমা ?

ভাৰতবৰ্ষতো সেই বৰ্ব্বৰতাই অতি নৃশংস ৰূপ ধাৰণ কৰিলে যাৰ এক পৰিণতি হ'ল জালিয়ানাবাগৰ হত্যাকাণ্ড। এই পৈশাচিকতাৰ তীব্ৰ নিন্দাবাদ কবি কণ্ঠত ধ্বনিত হ'ল কৰিয়ে নাইট উপাধি বৰ্জন কৰি সম্ৰাটলৈ দিয়া চিঠিখনত :

The time has come when badges of honour make our shame glaring in their incongruous context of humiliation and I for my part wish to stand share of all special distinctions by the side of throne of my countrymen who, for their so-called insignificance are liable to suffer a degradation not fit for human beings.

ভাৰতবাসীৰ প্ৰতিবাদে আনফালে মহাত্মা গান্ধীৰ নেতৃত্বত অসহযোগ আন্দোলনৰ পথ ললে। মিলন আৰু সমন্বয়ৰ উদ্‌গাতা কৰি ৰবীন্দ্ৰনাথে ইয়াক নেতিবাচক আৰু বিৰোধমূলক আন্দোলন বুলি ধাৰণা কৰি সেই আন্দোলনক সমৰ্থন নকৰিলে। ইয়াৰ ফলত মহাত্মা গান্ধী আৰু অন্যান্য দেশনেতা সকলৰ লগত কৰিৱ মতৰ দ্বন্দ্ব হয়। কৰিয়ে জাতিৰ এই আত্মপ্ৰতিষ্ঠাৰ আৰু স্বৰাজ লাভৰ এই সংগ্ৰামী আন্দোলনৰ পৰা আঁতৰি থাকিল। মিলনৰ মাজেদি মহামানৱতাৰ আৰু মানৱ মৈত্ৰীৰ বিকাশৰ ক্ষীণ আশা হৃদয়ত আপোন কৰি লৈ গান গালে চিৰন্তন মিলন বিৰহৰ, আনন্দ বেদনাৰ, গান গালে চিত্তবিমোহিনী লীলাসংগিনীৰ, গান গালে পৰম প্ৰেমৰূপ

প্ৰকৃতিৰ বুকুত জিলিকি থকা সুন্দৰৰ বেদনা বিহ্বল অনুভূতিৰ

"দুয়াৰ বাহিৰে যেমন চাহিৰে মনে হলো যেন চিনি
কবে নিৰুপমা ওগো প্ৰিয়তমা ছিলে লীলাসংগিনী।
ইসাৰা তোমাৰ বাতাসে বাতাসে ভেসে
ঘুৰে ঘুৰে যেতো মোৰ বাতায়নে এসে
কখনো আমেৰ নব মুকুলেৰ বেশে, সু নব মেঘ ভাষে
নিয়ে যাবে মোৰে নীলাম্বৰেৰ তলে
ঘৰ ছাড়া যত দিশাহাৰাদেৰ দলে
অযাত্ৰা পথে যাত্ৰী যাহাৰা চলে নিস্ফল আয়োজনে
কাজ ভোলাবাৰে ফেৰ বাৰে বাৰে কাজেৰ কক্ষ কোণে"

জাতীয় স্বাধীনতাৰ সংগ্ৰামী আন্দোলনৰ পৰা আঁতৰি থাকিল যদিও, যেতিয়াই ইংৰাজ শাসকৰ প্ৰচণ্ড বৰ্বৰতাই ভাৰতবাসীৰ ওপৰত হিংস্ৰ অত্যাচাৰ চলায় তেতিয়াই কৰি কণ্ঠত বজ্ৰ বৰ ধ্বনিত হয়। হিজলী ডিটেন্সন কেম্পত যেতিয়া ৰাজবন্দী সকলৰ ওপৰত গুলী চালনা হয় তেতিয়া ৰবীন্দ্ৰনাথে মৰ্মাহত বেদনাত আৰু তীব্ৰ ৰোষত ঘোষণা কৰিছিল যে ইয়াৰ প্ৰতিকাৰ বোধ হয় শত্ৰুক ক্ষমা কৰা আৰু অহিংস প্ৰতিৰোধ কৰা, নহয়—

"আমি যে দেখেছি গোপন হিংসা কপট ৰাত্ৰি ছায়ে
হেনেছে নিঃসহায়ে,
আমি যে দেখেছি প্ৰতিকাৰহীন শক্তেৰ অপৰাধে
বিচাৰেৰ বাণী নীৰৱে নিভৃতে কাঁদে···

কণ্ঠ আমাৰ ৰুদ্ধ আজিকে, বাঁশী সংগীতহাৰা
অমাবস্যাৰ কাৰা
লুপ্ত কৰেছে আমাৰ ভুবন দুস্বপনেৰ তলে
যাহাৰা তোমাৰ বিষাইছে বায়ু, নিভাইছে তব আলো
তুমি কি তাদেৰ ক্ষমা কৰিয়াছ, তুমি কি বেসেছ ভালো।

মহাযুদ্ধৰ পাছত সাম্ৰাজ্যবাদী সংকট অতি ঘনীভূত হৈ আহিল। বিশ্বজুৰি অৰ্থনৈতিক সংকটে দেখা দিলে। ফলত এচিয়া আৰু আফ্ৰিকাৰ পৰাধীন জাতি সমূহৰ ওপৰত নিৰ্ম্মম শোষণ আৰু তীব্ৰতৰ হৈ উঠিল। কবি দৃষ্টিত প্ৰতিফলিত হল এই দানবীয় সভ্যতাৰ অৱশ্যম্ভাৱী অন্তিম কাল। মানৱতাৰ প্ৰেমপূৰ্ণ মিলনৰ ওপৰত কৰিৰ বিশ্বাস শিথিল হৈ আহিব ধৰিলে। এই সংকট আৰু ধ্বংসৰ ছবি বিশেষকৈ দেখিলে আফ্ৰিকাত—

"হায় ছায়াবৃতা
দস্যু পায়েৰ কাটামাৰা জুতোৰ তলায়
বিভৎস কাদাৰ পিণ্ড
চিৰ চিহ্ন দিয়ে গেল তোমাৰ
অপমানিত ইতিহাসে।

আজ যখন পশ্চিম দিগন্তে
প্ৰদোষকাল ঝঞ্ঝা বাতাসে ৰুদ্ধশ্বাস
অশুভ ধ্বনিতে ঘোষণা কৰল দিনেৰ অন্তিম কাল

এসো যুগান্তৰেৰ কবি
দাঁড়াও এই মানহাৰা মানবীৰ দ্বাৰে”

পূৰ্ব্ব-পশ্চিমৰ মৈত্ৰী বন্ধনে পুণ্য মন্ত্ৰৰ ঠাইত মানুহ জন্তুৰ হুহুংকাৰ দিশে দিশে বাজি উঠা দেখিলে—

“ক্ষুব্ধ যাৰা, লুব্ধ যাৰা
মাংস গন্ধে মুগ্ধ যাৰা একান্ত আমাৰ দৃষ্টিহাৰা
শ্মশানেৰ প্ৰান্তচৰ, আবৰ্জনা কুণ্ড তব ঘিৰে
বিভৎস চীৎকাৰে তাৰা ৰাত্ৰিদিন কৰে কেচামেচি
নিৰ্লজ্জ হিংসায় কৰে হানাহানি। শুনি তাই
আজি মানুষ জন্তুৰ হুহুংকাৰ দিকে দিকে
উঠে বাজি।”

বণিক সভ্যতাৰ লোভ আৰু হিংসাৰ উন্মত্ত নৰ্ত্তন দেখি কৰিয়ে মানৱতাৰ ভৱিষ্যত সম্বন্ধে সন্ত্ৰস্ত হৈ পৰিল ; আৰু এই ৰক্তকলুষ পৃথিৱীৰ শিশুঘাতী, নাৰীঘাতী কুৎসিৎ বিভৎসক তীব্ৰ ধিক্কাৰ বাণী হানিলে—

“মহাকাল সিংহাসনে সমাসীন বিচাৰক
শক্তি দাও শক্তি দাও মোৰে
কণ্ঠে মোৰ আনো বজ্ৰ বাণী
শিশুঘাতী নাৰীঘাতী কুৎসিৎ বিভৎসতাৰে
ধিক্কাৰ হানিতে পাৰি যেন।
নিত্যকাল ৰবে যা স্পন্দিত লজ্জাতুৰ
ঐতিহ্যেৰ হৃৎস্পন্দনে।”

সভ্যতাৰ মহাকলংক এই হিংসা আৰু লোভ উটুৱাই নি শান্তি আৰু প্ৰেম জোৰাৰেৰে ধৰণীতল নিৰ্মল আৰু গ্লানি মুক্ত কৰি দিবলৈ কৰিয়ে প্ৰাৰ্থনা কৰিছে—

"হিংসায় উন্মত্ত পৃথি নিত্য নিঠুৰ দ্বন্দ্ব
ঘোৰ কুটিল পন্থ তাৰ লোভ জটিল বন্ধ"

কৰিৰ সত্যান্বেষী দৃষ্টিত ধৰা পৰিল যে সভ্যতাৰ এই মহা সংকট কোনো ব্যক্তি বিশেষৰ লোভৰ কাৰণে নহয়; এই বৈশ্য তান্ত্ৰিক সমাজ ব্যৱস্থাই মানৱ সমাজক ক্ষুধাতুৰ আৰু ভুৰীভোজী—এই দুই বিৰোধী শ্ৰেণীত বিভক্ত কৰিছে। এই দুই শ্ৰেণীৰ সংঘাত অৱশ্যম্ভাৰী—

উপৰে আকাশে সাজানো তড়িৎ আলো
নিম্নে অতি বৰ্বৰ কালো ভূমি গৰ্ভৰ ৰাতে
ক্ষুধাতুৰ আৰ ভুৰিভোজীদেৰ নিদাৰুণ সংঘাতে
ব্যপ্ত হয়েছে পাপেৰ দুৰ্দ্দহন।
সভ্য নামিক পাতালে সেথায় জমেছে লুটেৰ নি
পাপেৰ এ সঞ্চয়
সৰ্বনাশেৰ পাগলেৰ হাতে আগে হয়ে যায় ক্ষয়
ভীষণ যজ্ঞে প্ৰায়শ্চিত্ত পূৰ্ণ কৰিয়া শেষে
নতুন জীৱন নতুন আলোকে জাগিবে নতুন দেশে।

পশ্চিমীয়া সভ্যতাৰ প্ৰতি মোহমুক্ত দৃষ্টি লৈ কৰিয়ে চাই পঠিয়ালে নিজৰ দেশ ভাৰতবৰ্ষলৈ। এই ভাৰতভূমিক প্ৰথমে কৰিয়ে কল্পনা কৰিছিল ভুবনমনোমোহিনী হিচাবে, তাৰ

পিছত ইয়াক মহামানৱতাৰ মিলনতীৰ্থ হিচাবে দেখিলে। কিন্তু এইবাৰ দেখিলে দুখন ভাৰত—এখনত নানা লুণ্ঠক সাম্ৰাজ্যৰ দস্যুবৃত্তিৰ ইতিবৃত্ত আৰু আনখন যুগে যুগে নিষ্পেষিত শ্ৰমশীল ভাৰতবাসীৰ প্ৰাণযাত্ৰা কল্লোলিত ভাৰতবৰ্ষ; এখনৰ ধ্বংস সমাগত প্ৰায় আনখনৰ ভৱিষ্যৎ সম্ভাৱনাপূৰ্ণ—

"কোন আদি যুগ হতে পশ্চিম দিগন্ত পানে
ভাৰতেৰ ভাগ্য যেথা নৃত্যলীলা কৰেছে শ্মশানে
কালে কালে তাণ্ডৱেৰ তালে তালে দিল্লীতে আগ্ৰাতে
দস্যুদল অকস্মাৎ দ্বাৰ ভেঙ্গে জাগায়াছে
আৰ্ত্ত কোলাহল
কৰেছে আসন কাড়াকাড়ি
ক্ষুধিতেৰ অন্নথালি নিয়েছে উজাৰি।"

কিন্তু এই লুণ্ঠক সাম্ৰাজ্যৰ ধ্বংস চমু চাপি আহিছে—

'ভগ্ন জানু প্ৰতাপেৰ ছায়া সেথা শীৰ্ণ যমুনায়
প্ৰেতেৰ আহ্বান বহি চলে যায়, বলে যায়
আৰো ছায়া ঘনাইছে অস্ত দিনান্তেৰ
জীৰ্ণ যুগান্তেৰ"

এই ভাৰতবৰ্ষলৈ আহিছে নানা সাম্ৰাজ্য—

"এসেছে সাম্ৰাজ্যলোভী পাঠানেৰ দল,
এসেছে মোগল
বিজয়ী ৰথেৰ চাকা উড়ায়েছে
ধূলিজাল উড়িয়াছে বিজয় পতাকা

আজ তাৰ কোনো চিহ্ন নাই
আসিয়াছে আৰবাৰ সেই শূন্য পথে
অনল নিঃশ্বাসী ৰথে প্ৰবল ইংৰেজ,
বিকীৰ্ণ কৰেছে তাৰ তেজ
জানি তাৰো পথ দিয়ে বয়ে যাবে কাল
কোথায় ভাসিয়ে নেবে সাম্ৰাজ্যেৰ দেশ
বেড়াজাল।”

কিন্তু যি শ্ৰমকাৰী ভাৰতবৰ্ষ এই নানা সাম্ৰাজ্যৰ উত্থান-পতনৰ ভিতৰেদি কালৰ সোঁতত আগবাঢ়ি গৈ আছে, ইয়াৰ ধ্বংস নাই।

“ওৰা কাজ কৰে দেশে দেশান্তৰে, নগৰে প্ৰান্তৰে
ওৰা কাজ কৰে
অঙ্গ-বঙ্গ কলিঙ্গেৰ সমুদ্ৰ নদীৰ ঘাটে ঘাটে
পঞ্জাবে বোম্বায়ে গুজৰাটে
গুৰু-গুৰু গুঞ্জৰণ গুণ গুণ স্বৰ
দিন যাত্ৰা কৰিছে মুখৰ
শত শত সাম্ৰাজ্যেৰ ভগ্নশেষ পৰে ওৰা কাজ কৰে”

এই যে ভৱিষ্যত ভাৰতৰ আৰু পৃথিৱীৰ নৱ সভ্যতাৰ পতাকাবাহী শ্ৰমজীৱি মানৱ তাৰ অন্তৰৰ বাণী কবিয়ে গান আৰু কৱিতাৰ ভিতৰেদি সাৰ্থকভাৱে ফুটাই তুলিব পৰা নাই বুলি দুখ কৰিছে। কাৰণ কৱি গোটেই জীৱনৰ সাধনাই আছিল মানৱ অন্তৰৰ মৰ্মবাণী উদ্ঘাটন কৰা, জীৱন্ত মানৱৰ

অন্তৰৰ মাজত স্থান লাভ কৰা। কিন্তু শ্ৰেণী বিভক্ত সমাজত মানুহে মানুহে অন্তৰৰ যোগ নঘটে, গতিকে কবিয়ে নিজৰ কৰি জীৱন অপূৰ্ণ হোৱা বুলি আক্ষেপ কৰি অখ্যাত জনৰ, নিৰ্বাক মনৰ মৰ্ম্মবেদনা উদ্ধাৰ কৰিব পৰা যুগান্তৰৰ নতুন কৱিক আহ্বান কৰিছে আৰু সেই নতুন কৱিকে ৰবীন্দ্ৰনাথে শেষ নমস্কাৰ দি গৈছে।

"তাই আমি মেনে নিই সে নিন্দাৰ কথা
আমাৰ সুৰেৰ অপূৰ্ণতা
আমাৰ কৱিতা জানি আমি
গেলেও বিচিত্ৰ স্থানে হয় নাই সে সৰ্বত্ৰগামী
সে আছে মাটিৰ কাছাকাছি
সে কৱিৰ বাণী লাগি কাণ পেতে আছি
এসো কবি অখ্যাত জনেৰ, নিৰ্বাক মনেৰ
মৰ্মেৰ বেদনা যত কৰিও উদ্ধাৰ,
প্ৰাণহীন এদেশেতে গানহীন যেথা চাৰিধাৰ
অবজ্ঞাৰ তাপে শুষ্ক নিৰানন্দ সেই মৰুভূমি
ৰসে পূৰ্ণ কৰি দাও তুমি
অন্তৰে যে উৎস তাৰ আছে আপনাৰি
তাৰে তুমি দাওতো উদ্ধাৰি
মুক যাৰা দুঃখে মুখে
নতশিৰ স্তব্ধ যাৰা বিশ্বেৰ সম্মুখে
ওগো গুণী, কাছে থেকে দূৰে যাৰা

তাহাদেৰ বাণী যেন শুনি
তুমি থাকো তাহাদেৰ জ্যোতি
আমি বাৰম্বাৰ তোমাৰে কৰিব নমস্কাৰ।”

এই শ্ৰমজীৱি জনসাধাৰণ একেবাৰে অনড় হৈ থকা নাই, দয়াহীন সভ্যতা নাগিনীৰ বিৰুদ্ধে সংগ্ৰাম কৰিবলৈ আৰু পৃথিৱীৰ থুকুত স্থায়ী শান্তিৰ আৰু মুক্তিৰ প্ৰতিষ্ঠা কৰিবলৈ দেশে দেশে প্ৰস্তুত হব ধৰিছে। ৰবীন্দ্ৰনাথে জনসাধাৰণৰ সেই প্ৰস্তুতিৰ আহ্বান জনাই গৈছে—

নাগিনীৰা চাৰিদিকে ফেলিতেছে বিষাক্ত নিশ্বাস
শান্তিৰ ললিত বাণী শুনাইবে ব্যৰ্থ পৰিহাস।
যাবাৰ আগে তাই ডাক দিয়ে যাই
দানবেৰ সাথে যাৰা সংগ্ৰামেৰ তৰে
প্ৰস্তুত হতেছে ঘৰে ঘৰে।

আগত দিনৰ নতুন মুক্ত মানৱতাৰ বন্দনা গান কৰিয়ে গাইছে—

“ঐ মহামানব আসে, দিকে দিকে ৰোমাঞ্চ লাগে
জয় জয় জয় হে মানৱ অভ্যুদয়
মন্দ্ৰিয়া উঠিল মহাকাশে।”

সেই ‘নবীন আগন্তুক’ সভ্যতাৰ আশা বুকুত ৰাখি পশ্চিমীয়া সভ্যতাৰ ওপৰত কৰিৰ বহুদিনীয়া গভীৰ বিশ্বাস ‘দেউলিয়া’ হৈ যোৱাৰ পিছতো মানৱতাৰ সম্বন্ধে এক উজ্জ্বল সম্ভাৱনা কৰিয়ে দেখি গৈছে—

"নবীন আগন্তুক,
নব যুগ তব যাত্ৰাৰ পথে চেয়ে আছে উৎসুক
নবদেৱতাৰ পূজায় এনেছে কি নব সম্ভাষণ
অমৰ লোকেৰ কি গান এসেছ শুনে
তৰুণ বীৰেৰ তূণে, কোন মহাস্ত্ৰ
বেধেছ কটিৰ পৰে
অমঙ্গলেৰ সাথে সংগ্ৰাম তৰে
আজকে তোমাৰ অলিখিত নাম
আমৰা বেড়াই খুজি
আগামী প্ৰাতেৰ শুকতাৰা সম
নেপথ্যে আছ বুঝি।
মানবেৰ শিশু বাৰে বাৰে আনে চিৰ
আশ্বাস বাণী
নতুন প্ৰভাতে মুক্তিৰ আলো
বুঝিবা দিতেছ আনি।"

॥ ৰবীন্দ্ৰনাথৰ গীতাঞ্জলি ॥

গীতাঞ্জলি লিখি ৰবীন্দ্ৰনাথে সাহিত্যৰ নোবেল পুৰস্কাৰ পালে আৰু বিশ্বকবি হিছাপে সন্মান লাভ কৰিলে। এয়েই ভাৰতীয় কবিৰ জগত সভাত প্ৰথম স্বীকৃতি লাভ। নোবেল প্ৰাইজ পোৱাৰ আগতে ভাৰতবাসীৰ কথাই নকওঁ, বঙালী সকলেও তেখেতক প্ৰথম শাৰীৰ বঙালী কবি হিছাপেই স্থান দিব খোজা নাছিল। আজি অৱশ্যে ৰবীন্দ্ৰনাথৰ শ্ৰেষ্ঠত্ব সম্বন্ধে কাৰো একো কবৰ নাই। তথাপি বহুতৰ ধাৰণা যে কবিতা হিছাপে গীতাঞ্জলিৰ স্থান সিমান সাৰ্ব্বজনীন নহয় আৰু ই ৰবীন্দ্ৰনাথৰ মূল প্ৰাণৰ সুৰৰ প্ৰকাশ নহয়। কাৰণ, গীতাঞ্জলিৰ মূল সুৰ আধ্যাত্মিক, কিন্তু ৰবীন্দ্ৰনাথৰ কাব্য জীৱনৰ প্ৰাণ ভগৱদ্ প্ৰেম নহয়, সি হৈছে সংবেদনশীল মানৱ হৃদয়। দ্বিতীয়তে গীতাঞ্জলিৰ আগৰ আৰু পাছৰ ধাৰাৰ লগত ইয়াৰ সুৰ ভালকৈ খাপ নাখায়। তৃতীয়তে ই পলায়নবাদী, গতিকে ই সকলো মানুহৰ হৃদয় স্পৰ্শ কৰিব নোৱাৰে।

এই প্ৰৱন্ধৰ উদ্দেশ্য কবি জীৱনত গীতাঞ্জলিৰ স্থান কোন-খিনিত সেইটো বিচাৰ কৰা। সেইটো জানিবলৈ তেখেতৰ সেই সময়ত মানসিক দ্বন্দ্ব সংঘৰ্ষ আদিৰ বিচাৰ কৰিব লাগিব।

যৌৱনৰ দুৱাৰদলিত প্ৰকৃতিৰ সৌন্দৰ্য্য আৰু মানৱ হৃদয়ৰ প্ৰীতিৰ আহ্বানে তেখেতৰ সুকুমাৰ কবি প্ৰাণ মুকুলিত কৰি দিলে। সেয়ে তেখেত হ'ল প্ৰকৃতিৰ কবি, মানৱতাৰ কবি। কিন্তু জীৱনৰ মধ্যাহ্ন বেলা সমাজৰ, সংসাৰৰ আদৰ্শ আৰু

বাস্তৱৰ তীব্ৰ বিৰোধৰ গভীৰ চাকনৈয়াত পৰাত তেখেতৰ দিক্‌ভ্ৰান্ত অৱস্থা। প্ৰথমতে আছিল সমাজৰ অনাদৰ অৱজ্ঞা আৰু অৱমাননা। সেই সময়ৰ বঙ্গদেশৰ প্ৰৱীন নবীন দুয়ো সমাজতে ৰবীন্দ্ৰনাথ অনাদৃত আৰু অৱহেলিত। প্ৰৱীন সকল সনাতন পন্থী গোৰা হিন্দু আৰু সাহিত্য ক্ষেত্ৰত সেই সকলৰ নেতা বঙ্কিমচন্দ্ৰ, নৱীন সকল হ'ল উগ্ৰ জাতীয়তাবাদী ইংৰাজী বিদ্বেষ ডেকা দল। প্ৰথম দলে ৰবীন্দ্ৰনাথক সাহিত্য ক্ষেত্ৰৰ পৰা বহিষ্কাৰ কৰিবলৈ আপ্ৰাণ চেষ্টা কৰিলে, তেখেতৰ কাব্যক অতি কটুক্তিপূৰ্ণ সমালোচনা কৰিব ধৰিলে। সেই সমালোচনা তৰুণ কবি কীটছৰ প্ৰাণঘাতী সমালোচনাতকৈও তীব্ৰতৰ। ডেকা দলে স্বদেশিকতাৰ পথত সন্ত্ৰাসবাদী হৈ ৰবীন্দ্ৰনাথক দেশদ্ৰোহী ইংৰাজৰ গোলাম আদি আখ্যা দিলে। নিজৰ দেশবাসী সকলৰ এই ধৰণৰ কটু বাক্য আৰু গাৰিহুণাই যি কোনো কবি জীৱনৰ উৎস শুকাই পেলাব পাৰে। বঙালীৰ সাহিত্য আৰু জাতীয় জীৱনত ৰবীন্দ্ৰনাথৰ স্থান নোহোৱা হ'ল। নিজৰ বিশ্বাস অটল ৰাখি দেশৰ বিপৰীত মুখী সোঁতৰ বিৰুদ্ধে অকল সংগ্ৰাম কৰি যাব—এই দৃঢ়তা ৰবীন্দ্ৰনাথৰ আছিল। তথাপি অভিমানত সহৃদয়তা আৰু সমৰ্থন বিচাৰি তেখেতৰ কবি প্ৰাণ ব্যাকুলভাৱে কান্দি উঠিছিল। কিন্তু সামাজিক অপমানৰ আঘাততকৈও গুৰুতৰ আঘাত ৰবীন্দ্ৰনাথৰ জীৱনত পৰিল। কেই বছৰ মানৰ ভিতৰতে তেখেতৰ প্ৰাণ প্ৰতিমা কনিষ্ঠা কন্যা ৰেণুকাৰ বিয়োগ, দ্বিতীয় পুত্ৰ সমীন্দ্ৰৰ মৃত্যু আৰু শেহত প্ৰিয়তমা পত্নী মৃণালিনী

দেৱীৰো মৃত্যু ঘটিল। ই যেন তেখেতৰ প্ৰতি নিজৰ জীৱন দেৱতাৰেই বিদ্ৰূপ। নিয়তিৰ এই নিদাৰুণ পৰিহাসত তেখেতৰ জীৱনৰ ওপৰত বিতৃষ্ণা উপজিল। নিজৰ বাল্যকালৰ স্কুলীয়া শিক্ষাৰ বিড়ম্বনা ব্যৰ্থতাৰ কাৰণে নিজৰ লৰাছোৱালীৰ লগতে আইনৰো প্ৰকৃত শিক্ষা লাভৰ ব্যৱস্থা কৰিবলৈ তেখেতে জীৱনৰ সকলো আদৰ্শৰ কেন্দ্ৰ কৰি শান্তি নিকেতন পাতিছিল। সেই মহান সেৱা কাৰ্য্যত একমাত্ৰ সঙ্গী আৰু সাৰথি তেখেতৰ পত্নী। সেই প্ৰাণ পত্নীৰ নিয়ত উৎসাহ, পৰিচৰ্য্যা আৰু পৰিসেৱাৰ মাজেদি তেখেতৰ জীৱন ব্ৰত আগ বাঢ়িছিল। সেই পত্নীৰ বিয়োগত, সন্তানৰ বিয়োগত তেখেতৰ জীৱনৰ ধৰণী কঁপি গ'ল। প্ৰাণে বিচাৰিলে মৰণ, এই মৰণৰ সুৰেই তেখেতৰ 'খেয়া' কাব্যত প্ৰতিধ্বনিত হৈছে—

ঘৰেও নোহে পাৰেও নোহে যেজন আছে মাঝখানে
সন্ধ্যাবেলা কে ডেকে নেয় তাৰে।

তেখেতৰ কাতৰ হৃদয়ে মৃত্যু বিচাৰিছিল যদিও বিবেকৰ নিৰ্দ্দেশে আৰু আত্মাৰ স্থিতিয়ে তেখেতক কৰ্ত্তব্য বিমুখ নোহোৱাকৈ ৰাখিলে। সমাজৰ সম্মান গৌৰৱৰ স্পৃহা বাদ দি, হৃদয়ৰ সুখানুভূতি অৱহেলা কৰি শান্তি নিকেতনৰ কামত দৃঢ়-ভাবে লাগি থাকিল, এফালে দাৰ্শনিক তত্ত্বৰ দুৰূহ বিচাৰ আৰু আনফালে আশ্ৰমৰ ছাত্ৰসকলৰ কাৰণে প্ৰথম পাঠ, ব্যাকৰণ আদি লিখাত নিজৰ শক্তি নিয়োগ কৰিলে। দাৰ্শনিক চিন্তাৰ ভিতৰেদি আত্মাৰ শান্তি বিচাৰি উপনিষদৰ জ্ঞান মাৰ্গ

আৰু নিষ্কাম জীৱনৰ আদৰ্শত খোপনি পুতিলে। এই দাৰ্শনিক দৃষ্টিৰ প্ৰকাশ তেখেতৰ "নৈবেদ্য" কাব্যত ফুটি উঠিছে।

সমাজৰ প্ৰাত্যহিক কোলাহলৰ, প্ৰশংসা বা নিন্দাৰ পৰা এই দৰে মনক সম্পূৰ্ণ আঁতৰাই আনি অন্তৰ্মুখী কৰি ল'লে, জীৱনৰ লক্ষ্য আৰু পথৰ সন্ধান কৰিব ধৰিলে, অতীত জীৱনৰ নানা ব্যৰ্থতাৰ কাৰণে আত্ম সমালোচনা কৰিব ধৰিলে। জীৱনৰ ঘনায়মান অন্ধকাৰত ব্যাকুলভাৱে পথ বিচাৰি আত্মপ্ৰত্যয় আৰু অন্ত প্ৰেৰণাৰ উৎস বিচাৰি, জীৱনক স্থায়ীভাৱে ধৰি ৰাখিব পৰা কোনো এক চিৰন্তনী স্থিতি বিচাৰি, বন্ধু বান্ধৱ আত্মীয় স্বজনৰ প্ৰীতিৰ বন্ধন আৰু সাময়িক লাভালাভৰ মোহৰপৰা মুক্তি বিচাৰি মৰণে হৰণ কৰিব নোৱৰা শান্তি আৰু সান্ত্বনা বিচাৰি জীৱনৰ নতুন সাধনা আৰম্ভ কৰিলে। এই আত্ম-সমালোচনা এই পথ সন্ধান, এই পুৰণিৰ মোহমুক্তিৰ মাজেদি চিত্তৰ নৱ জাগৰণৰ প্ৰেৰণাৰ অন্বেষণ—এই বোৰৰ পৰা অন্তৰত হোৱা তোলপাৰ, দ্বিধা আৰু দৃঢ়তাৰ উঠা নমা শঙ্কা আৰু সুনিশ্চয়ৰ জোৱাৰ ভাটা আৰু শেহত নতুন আলোক লাভৰ ইঙ্গিত এই বোৰৰেই মৰ্ম্মস্পৰ্শী কাব্য ৰূপ হৈছে গীতাঞ্জলি।

ৰবীন্দ্ৰনাথৰ প্ৰাণৰ সুৰ দাৰ্শনিকতা নহয়, সি কাব্যময়। সেই প্ৰাণে অধ্যাত্ম তত্ত্বত স্থায়ী শান্তি পাব নোৱাৰে, তাৰ বিকাশৰ বাবে লাগে মানৱ হৃদয়ৰ জীপাল সহানুভূতি আৰু আত্মীয়তা, লাগে অন্তৰৰ সমন্বয় আৰু সমৰ্থন। সেয়ে তেখেতৰ চিত্তই উপনিষদৰ পাৰমাৰ্থিকতাত নিজক নিমগ্ন কৰিব

নোৱাৰিলে। সেয়ে যদি হ'ল হেঁতেন তেন্তে ৰবীন্দ্ৰনাথক পিছৰ জীৱনত আমি শ্ৰীঅৰবিন্দৰ নিচিনা কোনো ৰূপত দেখা পালোঁহেঁতেন।

“ভূমৈব সুখম্, নাল্পে সুখমস্তি” উপনিষদৰ এই বাণীয়ে তেখেতৰ গভীৰ আত্মাক শান্তি আৰু সান্ত্বনা দিলে; কিন্তু উপনিষদৰ আত্মকেন্দ্ৰিক ব্ৰহ্মই তেখেতৰ আৱেগ প্ৰৱল প্ৰাণ স্পৰ্শ দিব নোৱাৰে, প্ৰাণ স্পৰ্শ তেখেতে পালে বৈষ্ণৱ ধৰ্ম্মৰ ভক্তি আৰু প্ৰেম বিহ্বলতাত। গীতাঞ্জলিত সেই কাৰণে ভগৱদ প্ৰেমৰ প্ৰৱল বন্যা আৰু পৰমাত্মাৰ ওচৰত কবিৰ একান্ত আত্মনিবেদন দেখোঁ।

কিন্তু পৰমাত্মাৰ প্ৰেম আৰু পৰশন লাভেই তেখেতৰ জীৱনৰ লক্ষ্য নহয়, তেখেতৰ অন্তৰৰ কামনা মানুহৰ হৃদয়ে হৃদয়ে সেতু বন্ধন। বঙালী সমাজৰ যি স্তৰৰ লগত তেখেতৰ জীৱনযাত্ৰাৰ নিবিড় সম্পৰ্ক তাৰ লগত অন্তৰৰ আৰু আদৰ্শৰ বিচ্ছেদ ঘটিল। জমিদাৰী জীৱনৰ উচ্চ শ্ৰেণীৰ আদৱ কায়দাৰ মাজত থাকি বঙালীৰ শ্ৰেষ্ঠ কবি হিছাপে সম্মান আৰু সম্বৰ্দ্ধনাৰ আশাৰ পৰা মন একেবাৰে আঁতৰি আহিল। বাহিৰ বিশ্বৰ ফালে অন্তৰ আগ বাঢ়ি আহিল। কিন্তু বাহিৰ বিশ্বৰ লগত যোগসূত্ৰ এতিয়াও গঢ়ি উঠা নাই। এই নতুন হৃদয় সেতু স্থাপনত তেখেতে পৰমাত্মাৰ ওচৰ চাপিল। সেই পৰম পুৰুষৰ পৰশ প্ৰথমে পালে প্ৰকৃতিৰ অনাবিল সৌন্দৰ্য্য আৰু শান্তিৰ মাজত। পুৱণিক এৰাৰ দ্বিধা আৰু সঙ্কোচ—

পুৰানো আবাস ছেড়ে যাই যবে
মনে ভেবে মৰি কিজানি কি হবে
নতুনেৰ মাঝে তুমি পুৰাতন
সে কথা যে ভুলে যাই।

নিজৰ জীৱনৰ ব্যৰ্থতাৰ কাৰণে আত্ম-সমালোচনা কৰি নিজৰ মোহ, অহঙ্কাৰ আদিৰ পৰা মুক্তি বিচাৰি কাতৰভাৱে প্ৰাৰ্থনা কৰিছে—

আমাৰ মাথা নত কৰে দাও হে তোমাৰ
চৰণ-ধূলাৰ তলে।
সকল অহঙ্কাৰ হে আমাৰ

তেখেতে নিজৰ দুৰ্ব্বলতাৰ বাবে দয়া বা বিপদৰ মুখত ভগৱানৰ সহায় বিচৰা নাই, তেখেতে সন্ধান কৰিছে দৃঢ় আত্ম প্ৰত্যয়ৰ—

বিপদে মোৰে ৰক্ষা কৰো এ নহে মোৰ প্ৰাৰ্থনা
বিপদে আমি না যেন কৰি ভয়।
দুঃখ তাপে ব্যথিত চিতে নাইবা দিলে সান্ত্বনা
দুঃখে যেন কৰিতে পাৰি জয়।

মানৱৰ মাজৰ পৰা আঁতৰি তেখেতে পৰমলোকৰ চিৰশান্তি বিচৰা নাই বিচাৰিছে ভগবদ প্ৰেমৰ অৱলম্বন লৈ বিশ্বমানৱ-হৃদয়ৰ লগত জীৱনৰ সেতু ৰচনা কৰিবলৈ—

যুক্ত কৰোহে সবাৰ সঙ্গে, যুক্ত কৰোহে বন্ধ
সঞ্চাৰ কৰো সকল কৰ্ম্মে শান্ত তোমাৰ ছন্দ।

কিন্তু বিশ্ব-মানৱ-হৃদয় তেতিয়াও তেখেতৰ অপৰিচিত, আৰু পৰিচিত বঙালী হৃদয়ৰ পৰা তেখেত বহিষ্কৃত, সমাজত তেখেত সম্পূৰ্ণ অকলশৰীয়া। লোকালয় এৰি গুহাৰ ভিতৰত ভগৱানৰ স্পৰ্শ বিচাৰি তেখেত নাযায়। সেই প্ৰাণ-সঞ্জীৱনী স্পৰ্শ তেখেতে পালে স্বে-মহিম্নি বিৰাজিতা প্ৰকৃতিৰ নিৰৱচ্ছিন্ন শান্তি আৰু সৌন্দৰ্য্যৰ ভিতৰত—

বনদেবীৰ দ্বাৰে দ্বাৰে শুনি গভীৰ শঙ্খধ্বনি
আকাশ বীণাৰ তাৰে তাৰে জাগে তোমাৰ আগমনী।
এই যে তোমাৰ প্ৰেম ওগো হৃদয় হৰণ
এই যে পাতায় আলো নাচে সোণাৰ বৰণ।
প্ৰভাত আলোৰ ধাৰায় আমাৰ নয়ন ভেসেছে
এই তোমাৰি প্ৰেমেৰ ৰাণী প্ৰাণে এসেছে।

কিন্তু তথাপিও সেই প্ৰকৃতিৰ বুকুত যেন কিবা এটিৰ অভাৱ। ৰবীন্দ্ৰনাথৰ হৃদয়-সন্ধানী চিত্তই মানৱ-সমাজক সম্পূৰ্ণ বাদ দি কেৱল প্ৰকৃতিৰ বুকুত পূৰ্ণ প্ৰকাশ নাপায়, সেয়ে—

হেৰি অহৰহ তোমাৰি বিৰহ ভুবনে ভুবনে ৰাজে হে
কত ৰূপ ধৰে আকাশে কাননে সাগৰে ভূধৰে মাজে হে।
সাৰা নিশি ধৰি তাৰায় তাৰায় অনিমেষ
চোখে নীৰবে দাড়ায়
পল্লব দলে শ্ৰাবণ ধাৰায় তোমাৰ বিৰহ বাজে হে।

সেই কাৰণে তেখেতে ব্যাকুলভাৱে বিশ্বমানৱতালৈ চাই পঠিয়ায়, প্ৰাণত প্ৰেৰণা জাগে নিজৰ জীৱনৰ সঙ্কীৰ্ণ পৰিসৰ

ভাঙি নিখিলৰ বুকত প্ৰাণ বিচাৰি যাবলৈ, সকলোৰে মাজত প্ৰেমৰ হাট পাতিবলৈ—

যখন আমি পাব তোমায় নিখিল মাঝে
সেইক্ষণে হৃদয়ে পাব হৃদয় ৰাজে।
আমাৰ একলা ঘৰেৰ আড়াল ভেঙ্গে বাহিৰ ভবে
প্ৰাণেৰ ৰথে বাহিৰ হ'তে পাৰব কবে।
প্ৰবল প্ৰেমে সবাৰ মাঝে, ফিৰব ধেয়ে সকল কাজে
হাটেৰ পথে তোমাৰ সাথে মিলন হবে।

কিন্তু যেতিয়াই প্ৰকৃতিৰ বুকুৰ পৰা মানব সমাজলৈ পুনৰ অহাৰ কথা ভাবে, তেতিয়াই আগৰ সমাজৰ পোৱা নিৰ্য্যাটন গ্লানি, দুখ বেদনাত মন ভৰি উঠে, মনত সংশয় জাগে, আত্ম প্ৰত্যয়ৰ অভাৱ হয়। নিজৰ শক্তিৰ আৰু সহনশীলতাৰ ওপৰত অৱিশ্বাস গীতাঞ্জলিৰ মাত্ৰ এটা কবিতাত বিশেষ ভাৱে ফুটি ওলাইছে—

দয়া দিয়ে হবেগো মোৰ জীৱন ধুতে
নইলে কি আৰ পাৰবো তোমাৰ চৰণ ছুতে।
আজ এই শুভ্ৰ কোলেৰ তৰে ব্যাকুল হৃদয় কেঁদে মৰে
দিওনা গো দিওনা আৰ ধূলায় শুতে।

কিন্তু এই অসামৰ্থ্য ভাব ক্ষণিক, তাক জয় কৰি সকলো বিপদ বুকু পাতি লৈ সকলো দুখ তাপ জয় কৰি লৈ আগবাঢ়িবলৈ শক্তি বিচাৰিছে—

এই কৰেছ ভালো নিঠুৰ এই কৰেছো ভাল
এমনি কৰে হৃদয়ে আমাৰ তীব্ৰ দহন জালো।

নিখিল হৃদয়ৰ আনন্দবেদনাত যোগ দিবলৈ মনৰ ভিতৰত আৰু গভীৰ শক্তি বিচাৰিছে, হৃদয়ৰ চিৰন্তনৰ সাহার্য্য বিচাৰিছে আৰু তাৰ ভিতৰেদি নিজৰ মনৰ অকলশৰীয়া ভাব দূৰ কৰিবলৈ বিচাৰিছে—

তুমি আমাৰ আপন, তুমি আছ আমাৰ কাছে
এই কথাটি বলতে দাও হে বলতে দাও।
আপনাৰে যবে কৰিয়া কৃপণ কোণে পৰে থাকে
দীনহীন মন
দুয়াৰ খুলিয়া হে জীবননাথ ৰাজ সমাৰোহে এসো।

এইদৰে মনৰ ভিতৰত গভীৰ বিশ্বাস, ধৈৰ্য্য, সাহস আৰু শক্তিৰ সঞ্চয় কৰি মনক পুনৰ মানৱ সমাজলৈ ঘূৰাই আনিলে, তাত দেখা পালে জীৱনৰ নতুন আলোক, নতুন সম্ভাৱনা—

এই পুৰাতন হৃদয় আমাৰ আজি
পুলক দুলিয়া উঠিছে আবাৰ বাজি
নূতন মেঘেৰ ঘনিমাৰ পানে চেয়ে

তেখেতৰ সমাজ বিমুখ পলাতক মনে আকৌ মানৱৰ মাজলৈ ঘূৰি আহি চকুৰ আগত "ভুবনমনোমোহিনী" ভাৰত মাতাক নতুন ৰূপত দেখিলে, এইবাৰ ভাৰত কিন্তু মাতা হিচাবে নাই তেখেতৰ নতুন চেতনাত বিশ্বমানৱৰ তীৰ্থ স্থান হিচাবে দেখা

দিলে, ই যেন নিখিল জীৱনৰ যজ্ঞ ভূমি ইয়াৰ বুকুত যেন মানৱতাৰ ছবি—"এই ভাৰতেৰ মহামানৱেৰ সাগৰ তীৰে।"

কিন্তু সেই ভাৰতবৰ্ষত আনফালে মানৱতাৰ এক বিৰাট অংশ অপমানিত, অৱহেলিত, ঘৃণিত সেয়ে হৈছে অস্পৃশ্য সকল। তেখেতে অনুভৱ কৰিলে যে জাতিৰ এই গ্লানি দূৰ কৰিব লাগিব নহ'লে জাতিৰ ওপৰত মৃত্যুৰ বিৰাট অভিশাপ পৰিব।

হে মোৰ দুৰ্ভাগা দেশ, যাদেৰ কৰেছ অপমান
অপমানে হোতে হবে তাহাদেৰ সবাৰ সমান।

সেই দলিত-ঘৃণিত সকলেই তো মানুহৰ প্ৰাণৰ দেৱতা জাতিৰ প্ৰাণ শক্তি। অকল অস্পৃশ্য সকলেইতো নহয়, দীনৰো দীন বঞ্চিতৰো বঞ্চিত, ভগবানতো সেই সকলৰ মাজত ৰিক্তভূষণ দীন দৰিদ্ৰবেশত বিচৰণ কৰে। ভগবান থাকে 'চাষী-মজুৰ' মাজত—

দেৱতা নাই ঘৰে
তিনি গেছে যেথায় মাটি
ভেঙ্গে কৰেছে চাষা চাষ
পাথৰ ভেঙ্গে কাটছে সেথায় পথ
খাটছে বাৰোমাস।

কিন্তু সমাজৰ উচ্চ আসনত চিৰদিন যুগৰ কোলাত লালিত ৰবীন্দ্ৰনাথ, সেই ত্যাগৰ পথ, কৰ্ম্মযোগীৰ পথ তেখেতৰ পক্ষে নহয়, কাৰণ তেখেত কবি, শিল্পী সৌন্দৰ্য্য সাধক, সমন্বয়ৰ

উদ্গাতা। এইটো তেখেতৰ অন্তৰৰ দ্বন্দ্ব, এই দ্বন্দ্বক তেখেতে শেষ জীৱন পৰ্য্যন্ত জয় কৰিব নোৱাৰিলে।

যেথায় থাকে সবাৰ হাতে দীনেৰ অধম দীন
সেইখানে যে চৰণ তোমাৰ ৰাজে
সবাৰ পিচে, সবাৰ নীচে
সব হাৰাদেৰ মাঝে।

তেখেতৰ প্ৰাণৰ আদৰ্শ মানৱতাৰ সমন্বয়। মানব জাতিক অংশ অংশ হিছাপে ভাগ কৰি চাব তেখেতে নোৱাৰে। তেখেতে সামগ্ৰিক দৃষ্টিত বিশ্বমানবতাৰ গৌৰৱময় মিলনৰ অভিযান দেখি মুগ্ধ হ'ল। ভাৰতৰ মধ্য যুগীয় সঙ্কীৰ্ণতাৰ মাজলৈ ইংৰাজ শাসনৰ যোগেদি অহা পশ্চিমীয়া ব্যক্তিত্ববাদী মানবতা বোধৰ বিশ্বজনীনতাই তেখেতৰ চিত্ত মুকলি কৰি দিছিল। বিশেষকৈ উনবিংশ শতিকাৰ ইংৰাজী নৱন্যাস, ফৰাচী সাম্য মৈত্ৰী স্বাধীনতাৰ বাণী আৰু ভিক্টোৰীয় যুগৰ উদাৰ মানৱ প্ৰেমৰ জোৱাৰে তেখেতৰ উপনিষদীয় বিশ্বভাতৃত্বৰ ভাৱক পৰিপুষ্ট কৰিছিল আৰু পশ্চিমৰ ফালেই জীৱনৰ ব্যাপ্তি বিচাৰি তেখেতে আগবাঢ়ি গ'ল। প্ৰতিদান স্বৰূপে সেই পশ্চিমেই তেখেতক বিশ্বকবিৰ সম্মানিত আসনত বহুৱালে। পশ্চিমীয়া সভ্যতাৰ মানৱতা বোধৰ ওপৰত বিশ্বাস তেখেতৰ মৃত্যুৰ আগমুহূৰ্ত্তলৈকে আছিল।

পশ্চিমে আজ খুলিয়াছে দ্বাৰ
যেথা হতে সবে আনে উপহাৰ।

তেখেত আকৌ পশ্চিমলৈ যাব, পশ্চিমে জানে মানৱতাৰ মৰ্য্যাদা কেনেকৈ দিব লাগে, পশ্চিমে জানে গুণীৰ গুণ কেনেদৰে সমাদৰ কৰিব লাগে—এয়েই তেখেতৰ প্ৰাণৰ নৱজাগৰণৰ আহ্বান—

চলে যাব আমি নব জীবন লোকে
নতুন দেখা জাগবে আমাৰ চোখে
নবীন হয়ে নূতনকে আলোকে
পৰব তব নব মিলন ডোৰ
লাগবে প্ৰাণে নূতন ভাবেৰ ঘোৰ।

ৰবীন্দ্ৰনাথৰ কবি জীৱনত গীতাঞ্জলিৰ তাৎপৰ্য্য অতি গভীৰ। ইয়াৰ ভিতৰেদি তেখেতে নিজৰ চিত্তক দৃঢ় আৰু সংহত কৰি লৈ জীৱনৰ নতুন যাত্ৰা পথত আগবাঢ়িবলৈ ইঙ্গিত পালে আৰু আগবাঢ়ি গলো। গীতাঞ্জলিৰ মানৱ সমাজবিহীন আধ্যাত্মিকতা ৰবীন্দ্ৰ কাব্যৰ চিৰন্তনী সুৰ নহয়, তেখেতৰ মানৱতা বোধৰ বিকাশৰ পথত ই এটা অপৰিহাৰ্য্য স্তৰ মাত্ৰ। যদি এই আধ্যাত্মিকতা তেখেতৰ প্ৰাণৰ লক্ষ্য হ'ল হেতেন তেন্তে মীৰাবাই, চণ্ডীদাস, বিদ্যাপতি আদিৰ নিচিনা এই ধৰণৰ গীতি কাব্যতেই তেখেতৰ চূড়ান্ত সৃষ্টিৰ শেষ হ'ল হেতেন।

গীতাঞ্জলিত ৰবীন্দ্ৰনাথৰ দেশবাসীৰ পৰা পোৱা অপমান অৱহেলাৰ মৰ্ম্মভেদী দুখ প্ৰকাশ পাইছে, আৰু নিজৰ মৰ্য্যাদাৰ বাবে সুদূৰ পাশ্চাত্যলৈ প্ৰাণে আগবাঢ়িছে। মহাত্মা গান্ধীৰ জীৱনত তাৰ ঠিক ওলোটাটোহে ঘটিল। ইংৰাজী সভ্যতাৰ

বৰ্ণবিদ্বেষত মানৱতাৰ বিচ্ছেদকাৰিতাৰ জ্বলন্ত দৃষ্টান্ত নিজে ভুক্তভোগী হিছাপে দক্ষিণ আফ্ৰিকাত দেখা পালে—দেখা পালে যে সমস্ত ভাৰতবৰ্ষ, সমস্ত প্ৰাচ্যই পশ্চিমৰ হাতত এই মানৱতাৰ নিৰ্য্যাতন ভোগ কৰিছে, মানৱমুক্তিৰ আদৰ্শই সেয়ে তেখেতক ভাৰতৰ আত্মপ্ৰতিষ্ঠাৰ পথৰ ইঙ্গিত দিলে পৰাধীনতাৰ গ্লানি দূৰ কৰাৰ ভিতৰেদি। সেয়ে আমি দেখোঁ যে ভাৰতৰ দুই বিৰাট পুৰুষে মানবতাৰ আহ্বানত দুই বিপৰীত মুখে গতি কৰিছে।

অন্যান্য বৈষ্ণব সাহিত্যৰ যি একান্ত আত্ম নিবেদন আৰু আপোন পাহৰা সুৰ. সেই সুৰ গীতাঞ্জলিৰ নহয়। ইয়াত আছে নিজৰ স্বাৰ্থময় অহংভাবৰ আৱৰণ ফালি প্ৰাণত নৰমুক্তিৰ সন্ধান, আত্মপ্ৰত্যয় আৰু আত্মপ্ৰতিষ্ঠাৰ তীব্ৰ আকুতি। মানৱ প্ৰেমক তেখেতে ভগবদ্ প্ৰেমৰ বিকাশৰ এক স্তৰ বিশেষ হিছাপে দেখা নাই, বৰং ভগবদ প্ৰেমক নিজ অন্তৰৰ মানৱতা বোধৰ স্থায়ী বিকাশৰ একমাত্ৰ অৱলম্বন হিছাপে দেখিছে। গতিকেই সেই মানৱতাৰ সাহচৰ্য্য তেখেতৰ হৃদয়ে যেতিয়া পালে তেতিয়া গীতাঞ্জলিৰ আধ্যাত্মবাদীৰ সুৰৰ ঠাইত আকৌ মানৱৰ সুখ-দুখ হাঁহি কান্দোনৰ অশ্ৰু বিগলিত গানেৰে তেখেতৰ কাব্যলোক উপচি পৰিল।

॥ ৰবীন্দ্ৰ সঙ্গীত ॥

এই আলোচনাৰ পাতনিতে লিখকৰ বক্তব্য এই যে সঙ্গীত-কলা সম্বন্ধে বিশেষ জ্ঞান নথকা সাধাৰণ শ্ৰোতাৰ অনুভূতিৰ ফালৰ পৰাহে এই আলচ কৰিবলৈ আগবঢ়া হৈছে। ৰবীন্দ্ৰসঙ্গীত বহল ভাবে আধুনিক সঙ্গীতৰ শ্ৰেণীত পৰে, অথচ তুলনামূলকভাৱে অন্য আধুনিক সঙ্গীতৰ পৰা ইয়াৰ আবেদন বহুখিনি বেলেগ, আগৰ কালছোৱাত জনসমাজত ৰবীন্দ্ৰ সঙ্গীতৰ বিশেষ সমাদৰ নাছিল ; অৱশ্যে জাতীয়-সঙ্গীত আৰু ব্ৰহ্ম-সঙ্গীতসমূহ স্বদেশী যুগ আৰু তাৰ আগছোৱাত ব্যাপকভাৱে প্ৰচলিত হৈছিল। পিচত জাতীয় আন্দোলনৰ স্বৰূপ সলনি হৈ যোৱাত এইবোৰ সঙ্গীতবো জনপ্ৰিয়তা বহুখিনি কমি আহিল। প্ৰেম আৰু প্ৰকৃতি সম্বন্ধে বহু বেচি সংখ্যক গান ৰবীন্দ্ৰনাথে ৰচনা কৰিছে, কিন্তু সেইবোৰে সাধাৰণ শ্ৰোতাৰ চেতনা সিমান গভীৰভাৱে স্পৰ্শ কৰিব পৰা নাছিল। সাধাৰণ মানুহৰ মনৰ খোৰাক সেই সময়ত বহুলভাৱে ৰচিত হব ধৰা অন্যান্য ৰচকৰ টপ্পা ঢঙৰ গান বোৰে যোগাইছিল। যি সকল মজলিচি গানৰ আৰু ৰাগ সঙ্গীতৰ চমজদাৰ আছিল সেই সকলৰ বহুতে ৰবীন্দ্ৰ সঙ্গীতক গানৰ আখ্যা দিবই নুখুজিছিল। কিন্তু আজি কেই বছৰ মানৰ ভিতৰত ৰবীন্দ্ৰ সঙ্গীতৰ সমাদৰ বিশেষকৈ বঙ্গদেশত প্ৰায় সাৰ্ব্বজনীন হৈ পৰিছে আৰু তাৰ তুলনাত অন্য আধুনিক সঙ্গীতৰ সীমাবদ্ধ আবেদন বিশেষভাৱে স্পষ্ট হৈ পৰিছে। ৰবীন্দ্ৰনাথে নিজৰ গানৰ সম্বন্ধে কৈছিল যে তেখেতৰ আনবোৰ

ৰচনাই যদি ভৱিষ্যতত স্থায়ীত্ব লাভ কৰিব নোৱাৰেও তথাপিতো তেখেতৰ ৰচিত গানবোৰ ভৱিষ্য কালত টিকি থাকিব। আজি যিমানেই জনসমাজৰ ৰসানুভূতিৰ উন্নতি হৈ আহিছে সিমানেই ৰবীন্দ্ৰ সঙ্গীতৰ সমাদৰ বাঢ়ি আহিছে। আনফালে অন্য আধুনিক সঙ্গীতৰ আবেদন তুলনামূলক ভাৱে কমি আহিছে। শ্ৰোতাৰ ফালৰপৰা এই পৰিলক্ষিত পাৰ্থক্যখিনি সঙ্গীতকাৰ আৰু গায়কসকলক কৈ দিয়াৰ আজি বিশেষ প্ৰয়োজন হৈ পৰিছে।

শ্ৰোতাৰ ফালৰ পৰা সঙ্গীতৰ মূল আবেদন তিনিটা যেনে সুৰ, তাল আৰু বিষয়বস্তুক ভাষা দিয়া কথা। ৰাগসঙ্গীতত সুৰ প্ৰধান, মজলিচি গানত তাল আৰু সুৰৰ সমন্বয় প্ৰধান, আধুনিক গানত আৰু লোক সঙ্গীতত কথাৰ আবেদন প্ৰধান। ভজন, কীৰ্ত্তন বৰগীত আদি ভগবদ্ভক্তিৰসাত্মক গানত তিনিওটা প্ৰধান। অৱশ্যে কিছুমান ওস্তাদে এইবোৰ ভক্তিমূলক গানকো ৰাগসঙ্গীতৰ সমপৰ্য্যায়ত সুৰ প্ৰধান কৰি গোৱা দেখা যায়। কিন্তু তেনেকুৱা কৰিলে এই বোৰ গানৰ বিশেষ বৈশিষ্ট্য আৰু আবেদন বজায় নাথাকে। ৰবীন্দ্ৰ সঙ্গীতত উক্ত সকলো কেইবিধৰে গান পোৱা যায়। আৰু তাৰ ভিতৰত যি বোৰক শ্ৰেষ্ঠ বুলি ধৰা হয়—যেনে ব্ৰহ্মসঙ্গীত, প্ৰেমসঙ্গীত, আৰু সাধনামূলক গান সমূহ, সেইবোৰত সুৰ, তাল আৰু কথা তিনিওটাৰে অপৰূপ সামঞ্জস্য আছে। ইয়াৰ উপৰিও তেখেতৰ কীৰ্ত্তন আৰু বাউল সুৰৰ গানবোৰে শ্ৰেষ্ঠত্বৰ দাবী কৰিব পাৰে।

প্ৰকৃতি আৰু প্ৰেমবিষয়ক গানবোৰ বেছি ক্ষেত্ৰত ৰাগৰাগিণী সমূহৰ ভেটিত বা সেইবোৰৰ সুৰৰ আশ্ৰয় লৈ ৰচিত।

গানৰ সুৰ আৰু তানৰ (Melody) দুটা ফাল আছে এটা হৈছে তাৰ কলা অৰ্থাৎ কাৰুকাৰ্য্য কৰা বা সাধিত আৰু মাৰ্জ্জিত কৰি সুষম আৰু মধুৰ কৰা ফাল আৰু আনটো তাৰ দ্বাৰা ব্যঞ্জিত কৰা ভাৱসম্পদ বা মানৱ চেতনাক কঁপাই যোৱা বেদনা বা অনুভূতিৰ ফাল। ভাৱৰ আদান প্ৰদান কৰা ভাষা আৰু শব্দ প্ৰকাশৰ যি কণ্ঠশক্তি তাকেই সাধনাৰ দ্বাৰা মাৰ্জ্জিত, সংযত আৰু সুষমাময় কৰি সুৰ আৰু তানৰ দ্বাৰা প্ৰকাশ কৰাই সঙ্গীতকলাৰ প্ৰথম কথা। ভাৰতীয় সঙ্গীতত এই কণ্ঠসাধনাৰ ফালটোত বিশেষ জোৰ দিয়া হয়। এই সাধনাৰ ভিতৰেদি বিশ্বপ্ৰকৃতি আৰু স্বভাৱজ মানৱ প্ৰকৃতিৰ পৰা উদ্ভৱ হোৱা নানা শব্দ আৰু নাদ সমূহক কলাৰূপ দিবৰ প্ৰয়াসৰ ফলত সপ্তসুৰ আৰু তাৰ সমন্বয়ত নানা ৰাগৰাগিণীবোৰৰ সৃষ্টি হৈছে। বিশ্বৰ বুকুত বিৰাজি থকা এই শব্দ আৰু নাদসমূহক অনুকৰণ কৰি অলঙ্কৃত আৰু সজ্জিত ৰূপ দি মানৱ কণ্ঠত ফুটাই তোলাটো ভাৰতীয় সঙ্গীতৰ বিশেষ দক্ষতা। ইয়াত মানৱৰ সামাজিক আৰু ব্যক্তিগত জীৱনত উদ্ভৱ হোৱা সাধাৰণ ভাৱ আৰু আবেগৰ খামখেয়ালী আৰু সাময়িক হৃদয়োচ্ছ্বাসৰ স্থান নাই।

কিন্তু ৰাগৰাগিণী সমূহৰ এই কলাৰূপৰ উপৰিও সেইবোৰৰ গভীৰত বিশেষ বিশেষ ভাৱৰূপ বা চিত্তসম্পদ নিহিত আছে। ভাৰতীয় দৰ্শনৰ লগত সামঞ্জস্য ৰাখি সুৰকাৰ সকলে এই ৰাগ-

ৰাগিণী বোৰৰ ভিতৰেদি বিশ্বপ্ৰকৃতি আৰু মানৱ প্ৰকৃতিৰ মূল অস্তিত্বৰ লগত জড়িত এক গভীৰ বেদনাৰ ক্ৰন্দন-ধ্বনি অনুভৱ কৰিবৰ চেষ্টা কৰিছিল, এই বেদনা সাধাৰণ ঐহিক বিৰহ মিলনৰ বেদনা নহয়, ই মানৱৰ মূল অস্তিত্বৰ লগত জড়িত, ই জীয়াই থকাৰ মূল বেদনা, নিশ্চিত মৃত্যুৰ সান্ত্বনাহীন শোকৰ ক্ৰন্দন, সংহাৰময় কালৰ অনিৰুদ্ধ গতিত নিৰুপায় মানৱ হৃদয়ৰ বিলাপ বিননি। এই মূল চেতনাৰ ওপৰত নিৰ্ভৰ কৰি গঢ়ি উঠিছে ৰাগসঙ্গীতৰ বিচিত্ৰ ভাৱ সম্পদ। সেয়ে এই ৰাগৰাগিণী বোৰে তন্ময় হৃদয়ক ঐহিক ব্যক্তিগত আৰু সামাজিক সুখ-দুখৰ পৰা আঁতৰাই নি এক ব্যাপক বিশ্বলোকৰ মৰ্ম্মস্থললৈ লৈ যাবৰ প্ৰয়াস কৰে। ৰবীন্দ্ৰনাথে ৰাগসঙ্গীতৰ এই ভাৱৰূপ বা চেতনা সম্পদৰ ওপৰত বিশেষ গুৰুত্ব দিছিল।

ৰাগৰাগিণীবোৰ গোৱাৰ চাৰিটা ৰীতি ভাৰতীয় সঙ্গীত-কলাত প্ৰচলিত আছে; যেনে ধ্ৰুপদ, খেয়াল, টপ্পা আৰু ঠুংৰী। ইয়াৰ ভিতৰত ধ্ৰুপদ হৈছে আটাইতকৈ বেচি প্ৰাচীন হৈ বৈদিক সঙ্গীতৰ ৰীতিৰ পৰা উদ্ভৱ হোৱা বুলি বহুতৰ ধাৰণা। ই গুৰুগম্ভীৰ, আধ্যাত্মিক আৰু ব্যাপকতা থকা ভাব প্ৰকাশৰ বাবে ই আটাইতকৈ বেচি উপযোগী, ই চতুৰঙ্গ সম্পন্ন (অৰ্থাৎ ইয়াত গানৰ কথাংশ অস্থায়ী, অন্তৰা, সঞ্চাৰী আৰু আভোগ এই চাৰিভাগত ভাগ ভাগ কৰা থাকে আৰু সেই আটাইবোৰকে সম্পূৰ্ণকৈ গাব লাগে, ই বহুল অলঙ্কাৰ বৰ্জ্জিত (অৰ্থাৎ খেয়াল গানৰ নিচিনা, ইয়াৰ তানত নানাৰকম

কাৰুকাৰ্য্য যেনে ডুন, চৌডুন, গিটকাৰী আদিৰ বাহুল্য একেবাৰেই নাথাকে), আৰু এই ৰীতিত পূজা, বন্দনা, আধ্যাত্মিক সাধনা আদিৰ গান আৰু তদনুৰূপ ৰাগৰাগিণী বেচি খাপ খায়। তদুপৰি সেইবোৰ উচ্চ ভাৱৰ সুৰৰ লগত তাক বেচি গুৰুগম্ভীৰ কৰা ৰকমৰ বিসম মাত্ৰিক ঝাপতাল, তেওৰা আদি তাল প্ৰয়োগ কৰি গানৰ ভাৱসম্পদক অতি হৃদয় উদ্বোধক ৰূপ দিব পাৰি। ৰবীন্দ্ৰনাথে বেচি ভাগ ব্ৰহ্ম-সঙ্গীততে এই ধ্ৰুপদ ৰীতি আৰু বিসম মাত্ৰিক তাল ব্যৱহাৰ কৰিছিল। ইয়াৰ ফলত তেখেতৰ ব্ৰহ্মসঙ্গীত আৰু সাধনামূলক সঙ্গীতবোৰ সৰ্ব্বাঙ্গ সুন্দৰ হোৱাত সুবিধা হৈছিল।

অৱশ্যে ৰবীন্দ্ৰনাথে সেই সময়ত বৈঠকী আৰু যাত্ৰাভিনয় বোৰত ব্যাপকভাৱে প্ৰচাৰিত টপ্পাৰীতিত গোৱা প্ৰেমৰ গান বহুত ৰচনা কৰিছিল আৰু তেখেতৰ ৰচিত তেনেবোৰ গান বৈঠকী আৰু যাত্ৰাপাৰ্টিতো গোৱা হৈছিল। মানুহৰ ঐহিক আবেগ অনুভূতিক ৰাগৰাগিণী সমূহৰ ভিতৰেদি ৰূপ দিয়াৰ প্ৰচেষ্টাৰ ফলত এই টপ্পাৰীতিৰ গানৰ উদ্ভৱ হয়। আৰু ঠুংৰী-ৰীতিতো কিছু গান তেখেতে ৰচনা কৰিছিল। গানক নাচৰ লগত মিলাবলৈ মজলিচি নাচত গাবৰ সুবিধাৰ্থে বোধ হয় উত্তৰ ভাৰতত এই ঠুংৰী ৰীতিৰ প্ৰচলন হয়। কিন্তু যি হেতু টপ্পা আৰু ঠুংৰী ৰীতিত গোৱা গানবো ভিত্তি হৈছে নিৰ্দ্ধাৰিত ৰাগ ৰাগিণী সমূহেই, সেই হিচাপে ইয়াৰ গতিৰ এটা নিৰ্দ্দিষ্ট সীমা থাকে আৰু ৰূপদানত সুৰৰ বাদী বিবাদী

সংবাদী, কড়ি কোমল আদিৰ বাধ্য বাধকতা থাকে। সেই কাৰণে ই ব্যক্তি হৃদয়ৰ ৰোমান্তিক অনুভূতিক ভালকৈ প্ৰকাশ কৰিব নোৱাৰে। পাশ্চাত্য সভ্যতাৰ আলোকত ভাৰতৰ নব গঠিত মধ্যবিত্ত মানুহৰ নতুন মুক্ত হৃদয়ত নানা ঐহিক আবেগৰ যি নানা বৰণীয়া ৰং চঙৰে তাক সঠিক ভাৱে ৰূপ দিবলৈ এই দুটা ৰীতিও অক্ষম।

ধ্ৰুপদ গানত অলঙ্কাৰৰ সাজ সজ্জা আৰু বৈচিত্ৰ্যতকৈ ৰাগৰাগিণীৰ নিজস্ব সুৰৰ ৰূপত হে বেঁচি জোৰ দিয়া হয় আৰু ৰাগ ৰাগিণীবোৰৰ ওপৰত উপযুক্ত দক্ষতা থাকিলেহে এই ৰীতিত গোৱা সম্ভৱ। সেয়ে ধ্ৰুপদ গান বিশেষ সাধনা সাপেক্ষ। বৈঠকী বা মজলিচি গানত চমজদাৰে সাধাৰণতে বিচাৰে সঙ্গীতৰ চাকচিক্য, কণ্ঠৰ কাৰচাজি গান আৰু তালৰ মিল, গায়কৰ আৰু তবলা বাদকৰ অৰিয়াঅৰি। সেয়ে বৈঠকী গান সাধাৰণতে তাল প্ৰধান, তাত ৰাগৰাগিণীৰ বিশুদ্ধ আলাপৰ স্থান আছে যদিও আলাপৰ ঠাইত গৎ হে তাত বেচি আদৰনীয় হয়। অন্য কথাত বৈঠকী গান তাল প্ৰধান আৰু অলঙ্কাৰ প্ৰধান। এনে ক্ষেত্ৰত কথাৰ সামান্য মাত্ৰ অৱলম্বন হলেই চলি যায়। তাক লৈ দ্ৰুত, মধ্য বা বিলম্বিত লয়ত, ডুন চৌডুন গিৎখাৰী আদি নানা আলঙ্কাৰিক কণ্ঠ কৌশলৰ লগত তালৰ নিখুত সামঞ্জস্য কৰি দিব পাৰিলে উৎকৃষ্ট বৈঠকী গান হয়। খেয়াল গানত কথাৰ অৱলম্বন অতি সামান্য হলেই হয় আৰু ইয়াৰ ৰূপ নানা অলঙ্কাৰময়।

গতিকে খেয়াল গানৰ হে মজলিচত বেচি আদৰ ; ধ্ৰুপদ গানে সিমান আদৰ নাপায়। ৰবীন্দ্ৰনাথে গানৰ বাহ্যিক অলঙ্কাৰ আৰু তালৰ চমৎকাৰিত্বক পৰোক্ষ কৰি তাৰ ভাৱসম্পদকহে প্ৰধান কৰি দেখিছিল আৰু হৃদয়ৰ প্ৰতি সুৰৰ সেই অনিৰ্ব্বচনীয় আবেগৰ আবেদনক মুখৰিত কৰিবলৈ ছন্দোময় আৰু কাব্যময় ভাষাৰ ভিতৰেদি তাক ৰূপ দিছিল। এই বিষয়ত তেখেতৰ সমদক্ষ সঙ্গীত ৰচয়িতা মানৱ ইতিহাসতেই অতি বিৰল। অৱশ্যে বৈষ্ণৱ কবি সকলৰ ক্ষেত্ৰত ইয়াৰ অনুৰূপ দৃষ্টান্ত মিলে। আমাৰ শ্ৰীমন্ত শঙ্কৰদেৱৰ বৰগীত ভটিমা আদিত এনে ধৰণৰ সুৰ, তাল আৰু ভাষাৰ অভিনৱ চিত্ত মনোহাৰী সমাবেশ দেখা যায়। বিশেষকৈ উল্লেখযোগ্য "শুন শুনৰে সুৰবৈৰী প্ৰমানা", 'জয় জয় যাদৱ', 'পাৰে পৰি হৰি' ইত্যাদি। কিন্তু বৈষ্ণৱ সন্ত কৱি সকলে কেৱল ভগৱদ্ভক্তিৰ আবেদনকহে সঙ্গীতত ৰূপায়িত কৰি গৈছে। মানৱহৃদয়ৰ অন্যান্য অনুভূতিক তাত স্থান দিয়া নাই। ৰবীন্দ্ৰনাথে প্ৰায় সকলো ধৰণৰ মানবীয় হৃদয়াবেগকে সাঙ্গীতিক ৰূপ দি গৈছে।

কিন্তু আগতেই কোৱা হৈছে যে বিশুদ্ধ ৰাগ ৰাগিণীবোৰৰ আবেদন নৈৰ্ব্যক্তিক আৰু নৈসৰ্গিক। এইবোৰে নিজস্ব ৰূপত ব্যক্তিগত ঐহিক হৃদয়াবেগক সঠিক ৰূপ দিবলৈ অক্ষম। ৰবীন্দ্ৰনাথে সেইবোৰ ৰাগৰাগিণীৰ নানা ভাৱে সংমিশ্ৰন কৰি, সুৰৰ বাদী বিবাদীৰ বিচাৰ নাৰাখি ভাবৰ উত্থান পতনৰ অনুকুলে সুৰ যোগ কৰি গানক ৰূপ দিছে। আকৌ যি ভাৱ

প্ৰকাশৰ বাবে লৌকিক সুৰ বেচি উপযোগী তাত লৌকিক সুৰৰ লগতে মিল থকা ৰাগ ৰাগিণীৰ তান বা কীৰ্ত্তন বাউল আদিৰ আধ্যাত্মগন্ধী সুৰৰ ৰেশ সুমাই দি ঐহিক সৰুসুৰা ক্ষণিক আবেগ সমূহকে এটা মহত্ত্ব, এটা অলৌকিক আভিজাত্য আৰু ব্যঞ্জনা দি দিয়ে। ইয়াৰ ফলত ব্যক্তি হৃদয়ত হোৱা আবেগৰ সংঘাত আৰু তাৰ একান্ত ব্যক্তি পৰায়ণতাই এক নৈৰ্ব্যক্তিক বিশালতাৰ চেতনাত নতুন ৰূপ পায় আৰু ই ব্যক্তি হৃদয়ৰ চেতনাক এটা ব্যাপক আৰু সাৰ্ব্বজনীন স্থিতিত উপস্থিত কৰি হৃদয়ক অতি সুকোমল দৰদী অথচ শান্ত উদাৰ আৰু বিশাল কৰি অব্যক্ত আনন্দ লোকলৈ লৈ যায়; চিৎশক্তিক নতুন সজীৱতা দি জীৱন সংগ্ৰামৰ বাবে পুনৰ সম্পূৰ্ণ সক্ষম কৰি তোলাত সহায় কৰে, স্বাৰ্থ লোকৰ পৰা মঙ্গল লোকলৈ, ভয়ৰ পৰা অভয়লৈ, সঙ্কীৰ্ণতাৰ পৰা ভূমা বা অসীমতালৈ, বেদনাৰ পৰা আনন্দলোকলৈ চেতনাক লৈ যায়। হৃদয়ক এই মুক্তি আনি দিব পৰা কাৰণে বৰ্ত্তমান যুগৰ সঙ্গীত সাধনাৰ ক্ষেত্ৰত ৰবীন্দ্ৰ সঙ্গীত শ্ৰেষ্ঠ আসন পাবৰ যোগ্য।

ৰবীন্দ্ৰেতৰ আধুনিক সঙ্গীতৰ বেছি ভাগতেই হৃদয়ৰ আৰু চেতনাৰ এই মুক্তি নাথাকে। সেয়ে এই ধৰণৰ বহু গানে হৃদয়াবেগৰ সংঘাত আৰু তাৰ বেদনাৰ তীব্ৰতাক আৰু বেছি তীব্ৰ কৰি হে তোলে, অন্তৰত শান্ত অনিৰ্ব্বচনীয় ৰমণীয়তাৰ পৰিবৰ্ত্তে বহুসময়ত এক অস্থিৰ উকমুকনিহে তোলে। কাৰণ এই বোৰত ভাব আৰু ভাষা থাকে একান্ত ব্যক্তিগত অনুভূতি-

মূলক আৰু সুৰেও তাকেই হে বৰং বেচি ঘণীভূত কৰে। ভাৱৰ সাধাৰণী কৰণ যদি কথাত প্ৰকাশ নাপায় আৰু সুৰৰ বিশালতাই যদি সেই ব্যক্তি-কেন্দ্ৰিক আবেগৰ সীমাৱদ্ধতা দূৰ কৰি ব্যক্তি হৃদয়ক বিশ্ব-হৃদয় বা জন-হৃদয়ৰ লগত মিলাব নোৱাৰে তেন্তে সেই সঙ্গীতৰ আবেদন অতি সঙ্কীৰ্ণ হৈ থাকে। তাত অন্তৰে মুক্তি নাপায়। অন্তৰৰ মুক্তিয়েহে মানুহক বিমল আনন্দ দিব পাৰে। আৰু তাকে কৰিব পৰাটোত হে আৰ্ট বা কলাৰ সাৰ্থকতা। বহু আধুনিক গানেই এই সীমাৱদ্ধতাৰ দোষত দুষ্ট। ভাৱৰ মুক্তি হ'ব লাগে সুৰত, আৰু সুৰৰ নৈৰ্ব্যক্তিক মুক্তি হয় ভাৰতীয় ৰাগসঙ্গীতৰ তান আৰু লয় সমূহৰ ভিতৰেদি আৰু ভজন আৰু বৈৰাগী গানৰ ঢঙৰ ভিতৰেদি। কেৱল লৌকিক ভাৱৰ লৌকিক সুৰতো (যেনে বনগীত বিহুগীত আদি) সেই মুক্তি নাথাকে।

এই কাৰণতেই আকৌ অন্য এক ফালৰ পৰা চালে ৰবীন্দ্ৰ সঙ্গীতত এটা সীমাৱদ্ধতা দেখা যায়। তেখেতৰ গানৰ মুক্তি হৈছে ব্যক্তি হৃদয়ৰ পৰা বিশ্ব-হৃদয়লৈ ; এই গানে সুৰৰ আৰু ভাষাৰ মহত্ত্বৰ ভিতৰেদি অন্তৰৰ একান্ত ব্যক্তিগত গোপন অনুভূতি সমূহক পোনপতীয়াভাৱে প্ৰকৃতিৰ ব্যাপ্তি আৰু অসীমতাৰ লগত মিলাই দি হৃদয়ক বিশ্ব-সচেতন কৰি তুলিব পাৰে। কিন্তু সেই পৰিব্যাপ্ত চেতনাত বহুত সময়ত জনসমাজৰ মুহিকতাৰ ছাপ নাথাকেই। জাতি আৰু জনসাধাৰণৰ কলৰব মুখৰ সংঘাতময় সামূহিক কৰ্ম্মসাধনাৰ দ্যোতনা সেই বোৰত

পোৱা টান। কিন্তু ব্যক্তি হৃদয়ৰ আবেগৰ মুক্তি পোনপতীয়াভাৱে বিশ্ব প্ৰকৃতি আৰু ভূমাৰ ভিতৰেদিয়েই অকল নহৈ সামূহিক জন চেতনাৰ ভিতৰেদিও হ'ব পাৰে। কাৰণ ব্যক্তি কেন্দ্ৰিকতাৰ পৰা মুক্ত বহল মানবীয় অনুভূতিৰ ভেটিত ঐক্যৱদ্ধ সমাজজীৱনৰ ব্যাপ্তিয়ে চিত্তক মুক্তি দি মঙ্গলৰ আৰু বিশালতাৰ আনন্দ দিব পাৰে। এই মুক্তি দেশ, জাতি, আৰু জনজীৱনৰ মুক্তি আৰু মঙ্গলৰ প্ৰেৰণাদায়ক সামূহিক চেতনাত উদ্বুদ্ধ গানবোৰৰ ভিতৰেদি বিশেষ ভাৱে পোৱা যায় আৰু বহু ক্ষেত্ৰত সেইবোৰ গানে সমবেত সঙ্গীতৰ ৰূপ পায়। এই গান বোৰত ভাৰতীয় ৰাগ ৰাগিণীবোৰৰ মৰ্ম্মস্থলত থকা গভীৰ কৰুণ ৰসৰ পৰিবৰ্ত্তে পোৱা যায় উদ্দীপনা, ওজস্বিতা আৰু উল্লাসৰ ভাৱ। ৰবীন্দ্ৰনাথৰ স্বদেশী গান উদ্দীপনাময় গান সমূহে অৱশ্যে এসময়ত সমস্ত বঙ্গদেশকে মতলীয়া কৰিছিল। কিন্তু তথাপিও সেই গানবোৰত সামূহিক জীৱনৰ যি সংগঠিত কৰ্ম্মমুখৰ চেতনা তাৰ স্বৰূপ প্ৰকাশ ঠিক মতে নহয় বৰং সেইবোৰতো ব্যক্তি জীৱনৰ মহত্ত্ব আৰু মঙ্গলৰ সাধনাৰ চেতনাহে বেচিকৈ প্ৰকাশ পায়। সেইবোৰ গান সমৱেত ভাৱে গালেও তাৰ ৰসৰ উপলব্ধি প্ৰত্যেক জন গায়কৰ ব্যক্তি চেতনাৰ ৰূপতহে প্ৰকাশ পায়। ব্যক্তি চেতনা লোপ পাই তাৰ ভিতৰেদি সামূহিক চেতনাই গায়কৰ হৃদয়ক তন্ময় কৰি তুলিব নোৱাৰে। আৰু বিশেষকৈ এইবোৰ গানে সামূহিক চেতনাক চেৰ পেলাই গৈ বিশ্বচেতনাৰ পিনে ধাবিত হয়। সেই কাৰণে সেইবোৰ গান (অলপ কেইটামানত

বাহিৰে) সমদলত বা জন সংগ্ৰামৰ সময়ত গোৱাৰ পক্ষে সিমান সুবিধা জনক নহয়। অৱশ্যে সামূহিক কামত আত্মনিয়োগ কৰাৰ বাবে এই সঙ্গীতৰ দ্বাৰা ব্যক্তি হৃদয়ক আগতে প্ৰস্তুত কৰি তুলিবলৈ ইবোৰ খুব উপযোগী।

ভাৰতীয় সঙ্গীত সাধনাৰ ক্ষেত্ৰত আগতে উদ্দীপনামূলক আৰু বীৰ্য্যমূলক গানৰ স্থান নাছিল। আৰু জনজীৱনৰ ঐহিক সংগ্ৰামৰ সামূহিক চেতনাৰ উদ্বোধক গানো আগতে নাছিল। ইংৰাজ শাসনৰ ভিতৰেদি তাৰ প্ৰতিক্ৰিয়া ৰূপেহে ভাৰতত ৰাজনৈতিক জাতীয় চেতনা গঢ় লৈ উঠিব ধৰে। জাতীয় চেতনা গঢ়ি উঠাৰ লগে লগে উদ্দীপনা মূলক আৰু সামূহিক কৰ্ম্ম প্ৰেৰণামূলক গানৰ প্ৰয়োজন হ'ল। কীৰ্ত্তন, বৰগীত, ওজা পালী আদি সমবেত সঙ্গীত আগতে আছিল যদিও সেইবোৰত বীৰ্য্য আৰু আত্মগৰিমাৰ ভাৱৰ পৰিবৰ্ত্তে প্ৰণতি আৰু আত্মগৰিমাৰ ভাৱহে প্ৰধান আছিল। ৰাগ ৰাগিণীবোৰৰ যি একতানা আৰোহণ অৱৰোহণ আৰু লয় সি বীৰ্য্যমূলক গানৰ বাবে অনুপযুক্ত। ইয়াৰ বাবে লাগে কাটা কাটা বিভিন্ন সুৰৰ সংঘাত আৰু সমন্বয় আৰু লগে লগে দ্ৰুত লয়ৰ তাল। পাশ্চাত্য সঙ্গীতৰ স্বৰ সঙ্গতি (Harmony) ইয়াৰ বাবে উপযুক্ত। তাত বিভিন্ন যন্ত্ৰৰ ঐক্যতান বাদনৰ ব্যৱহাৰ কৰে তেতিয়া ভাৰতীয় ৰাগ ৰাগিণীবোৰৰ আলম লৈ তাৰ একতানা ৰাগৰি যোৱা লয়বোৰক ভাঙ্গি জপিয়াই জপিয়াই যোৱা সুৰৰ সমলয় সৃষ্টি কৰিছিল। (পিয়ানো যন্ত্ৰৰ কাটা কাটা পৰম্পৰ বিচ্ছিন্ন

সুৰবোৰ ইয়াৰ বাবে বিশেষ উপযোগী)। ঠিক এই পদ্ধতিকে ব্যৱহাৰ কৰি ৰবীন্দ্ৰনাথে ভাৰতীয় সুৰৰ ভিত্তিতেই পাশ্চাত্য স্বৰ সংঘাতৰ অনুৰূপ ছন্দ প্ৰয়োগ কৰি উদ্দীপনা আৰু বীৰ্য্যৰ অনুভূতিৰ বাতাবৰণ সৃষ্টি কৰিব পাৰিছিল। ইয়াৰ বাবে তেখেতে দ্ৰুতলয় বিসম মাত্ৰাৰ তাল যেনে ঝাপতাল, তেওৰা, সুৰফাক্তা আদিৰ ব্যৱহাৰ কৰিছিল। সুখ আৰু উৎসাহ প্ৰকাশৰ বাবে দ্ৰুত লয় বিশেষ উপযোগী। ৰবীন্দ্ৰনাথে আনকি কৰুণ ৰসৰ বাবে প্ৰসিদ্ধ ভৈৰৱী ৰাগিণীকো এই ৰকমে ব্যৱহাৰ কৰি বীৰ্য্যবান গান ৰচনা কৰিছিল। কিন্তু কথা হৈছে ৰাগ-ৰাগিণীৰ তাল (Melody) ব্যৱহাৰ কৰিলেই গানৰ ভাব ৰসে সামূহিক চেতনাক চেৰ পেলাই দূৰলৈ আঁতৰি যাব খোজে, হৃদয়ক ঠিক তন্ময়ভাৱে সামূহিক চেতনাত বিলীন কৰি দিব নোৱাৰে। ইয়াৰ কাৰণে উপযুক্ত ভাব প্ৰকাশিকা কথাৰ লগত তদনুৰূপ দ্ৰুত লয় তালৰ ভিত্তিত লৌকিক সুৰ প্ৰয়োগ কৰি উদ্দীপনা মূলক সমৱেত সঙ্গীত বোধ হয় কৃতকাৰ্য্যতাৰে ৰচনা কৰিব পাৰি। সাধাৰণ লোকক সঙ্গীতৰ সুৰে সাধাৰণতে লৌকিক অনুভূতিক চেৰাই দূৰলৈ হৃদয়ক টানি নিনিয়ে। গতিকে তাকেই অদল বদল কৰি স্বৰ-সঙ্গতিৰ দ্বাৰা ঝঙ্কৃত কৰি লৈ তাৰ লগতে যন্ত্ৰ সঙ্গীতৰ যোগ্য পটভূমি ৰচনা কৰিলে সমৱেত সঙ্গীতৰ বোধহয় এক নতুন ৰূপ পোৱা যাব পাৰে।

ৰবীন্দ্ৰ সঙ্গীতৰ এটা লক্ষণীয় বৈশিষ্ট্য হৈছে এই যে, তেখেতে সঙ্গীতত অকল সুৰৰ ছন্দৰ ওপৰতে নিৰ্ভৰ নকৰে।

কথাৰ ছন্দই হে তেখেতৰ গানৰ মূল ভেটি ; সুৰৰ ছন্দই তাৰ অনুগামী হৈ সেই ছন্দৰ মাধুৰী আৰু বেচি বিস্তাৰ কৰি দিয়ে মাত্ৰ। তেখেতৰ গানৰ কথাংশৰ ছন্দ আৰু ভাৱৰ অপৰূপ সমন্বয় বৰ্ত্তমান যুগত অতুলনীয়। তেখেতৰ গানৰ ছন্দৰ লগত আমাৰ দেশৰ প্ৰচলিত তাল সমূহৰ ছন্দ কেতিয়াবা খাপ খাই নপৰে। সেয়ে তেখেতে কথাৰ ছন্দৰ ওপৰত নিৰ্ভৰ কৰি আগতে নথকা দুটামান তালৰ সৃষ্টি কৰিছে। উদাহৰণ স্বৰূপে ৮ মাত্ৰাৰ তালক ৩।২।৩ ভাগত ভগোৱা তাল নাই, সেই ভাগ সদায় ৪।৪ কিন্তু ৩।২।৩ মাত্ৰানুবৃত্ত ছন্দ তেখেতৰ গানত আছে। কিছুমান গানৰ ছন্দ আকৌ নতুন তালতো নপৰে, অথচ প্ৰচলিত তালৰ মাত্ৰা সংখ্যা, সম্, ফাক আদিৰ ধৰাবন্ধা নিয়মৰ লগতো খাপ খাই নপৰে। গানৰ তাল (Melody) হয়তো দুই এক মাত্ৰা বেচিকৈ বা কমকৈ মানি গ'লে প্ৰচলিত তালৰ সমৰ লগত মিলে। কিন্তু তেখেতে তেখেতৰ গানৰ নিজে দিয়া সুৰৰ হ্ৰস্ব দীৰ্ঘ আদিও কৰিব নিদিয়ে। কাৰণ তেখেতৰ মতে গানৰ ভাৱৰ প্ৰতি হে সুৰে আনুগত্য ৰাখিব লাগে তালৰ প্ৰতি নহয়। ভাৱ ব্যতিৰেকে সুৰৰ নিজস্ব কোনো মৰ্য্যাদা তেখেতে নামানে আৰু তাল সুৰৰ অনুগামী হ'ব লাগিব। সেয়ে বিখ্যাত গায়ক পঙ্কজ মল্লিকে তেখেতৰ এটা গানত তালৰ সম ঠিক ৰাখিবৰ কাৰণে গানৰ তালটো দুই মাত্ৰা দীঘল কৰি দিছিল। তাতে ৰবীন্দ্ৰনাথে ৰুষ্ট হৈ কৈছিল যে তেখেতৰ গানৰ ওপৰত ষ্টিম ৰোলাৰ চলাব

নালাগে। যি গানত তেখেতে দিয়া সুৰত প্রচলিত তাল ঠিক ভাৱে নিমিলে তাত তবলাত বাৰাণ বজাই গলে বা কেৱল মাত্রাৰ বোল দি গ'লেই হ'ল। ৰবীন্দ্রনাথৰ এই ধাৰণাটোৰ বিশেষ গুৰুত্ব আছে। কাৰণ সঙ্গীত কিয় যি কোনো সুকুমাৰ কলাৰেই মূল অৱলম্বন মানৱ চেতনাৰ ভাৱ সম্পদ। সেই ভাৱ সম্পদক ৰসত পৰিণত কৰাই হৈছে কলাৰ সাধনা। সঙ্গীতৰ ক্ষেত্রত সুৰে সেই কাম কৰিব লাগে। কিন্তু তালৰ লগত ভাৱৰ পোন-পতীয়া সম্বন্ধ নাই। তালৰ মূল সম্বন্ধ প্রাণ আৰু জৈৱিক দেহৰ লগত।

গতিকে চেতনা বা ভাৱ নাথাকিলে তাল থাকিব পাৰে। সেই কাৰণে ৰূপক নৃত্যত বাহিৰে স্বাভাৱিক নৃত্য তাল প্রধান। চেতনাৰ অস্তিত্ব প্রাণৰ ভিত্তিত যদিও প্রাণতকৈ চেতনা উচ্চ স্তৰৰ। গতিকে সুকুমাৰ কলাক কেৱল ছন্দ প্রধান বা গানক কেৱল তাল প্রধান কৰি তুলিলে তাৰ চিত্ত বিনোদক ৰূপ আৰু ৰস ৰূপ নাথাকিব, সি কেৱল আঙ্গিকৰ চাকচিক্য হৈ পৰিব। বহু সুৰকাৰে গানত সুৰ দিয়াত তাৰ সুৰ আৰু তালৰ মিলৰ ওপৰত হে বেচি জোৰ দিয়ে, ভাৱৰ নিজস্ব মৰ্যাদাক গ্রাহ্য নকৰে। তেনে কৰিলে গান Mechanical হৈ পৰে। অৱশ্যে ৰচক আৰু সুৰদাতা একেজন মানুহ হলে এই বিষয়ত বেচি সুবিধা হয়। আমাৰ দেশত সঙ্গীত শিক্ষণৰ যি পদ্ধতি তাত শিক্ষাৰ্থীক সুৰ আৰু তাল আৰু দুয়োটাৰ সঙ্গতিৰ শিক্ষাহে দিয়া হয় বিশেষকৈ। কিন্তু ভাৱ আৰু সুৰৰ সামঞ্জস্য সম্বন্ধে

বিশেষ কোনো শিক্ষা বোধ হয় সাধক শিক্ষাৰ্থীৰ বাহিৰে সাধাৰণ শিক্ষাৰ্থীক দিয়া নহয়। আৰু বেচি ভাগ গায়ক আৰু সুৰকাৰ সাধাৰণ শিক্ষাৰ্থী পৰ্য্যায়ৰ ওপৰলৈ নাযায়, আধুনিক গানৰ দৈন্যৰ ইও এটা প্ৰধান কাৰণ।

॥ ৰবীন্দ্ৰ কাব্যত নাৰী ॥

'ৰবীন্দ্ৰ কাব্যত নাৰী' বুলিলে দুই ৰকমে বুজিব পাৰি। এক অৰ্থত ই ৰবীন্দ্ৰনাথৰ কবি মানসত নাৰীৰ প্ৰভাৱ বুজাব পাৰে। এই প্ৰভাৱ অৱশ্যে অতি ব্যাপক আৰু গভীৰ। কিন্তু এই প্ৰবন্ধত সেই বিষয় আলচ কৰা নহয়। আন অৰ্থত নাৰীৰ অন্তৰৰ কথা কবিৰ লিখনীত কি ভাৱে প্ৰকাশ পাইছে সেইটো বুজাব পাৰে। সমাজত নাৰীৰ স্থান, নাৰীৰ কৰ্ত্তব্য, নাৰীৰ আদৰ্শ আৰু জীৱন ব্ৰত সম্বন্ধে কবিৰ যি উপলব্ধি তাৰ বিষয়েহে এই প্ৰবন্ধত চমু আলোচনা কৰা হ'ব।

আমাৰ পুৰণি সমাজত নাৰী আছিল অন্তঃপুৰবাসিনী; অসূৰ্য্যাম্পস্যা হোৱাটোৱেই আছিল প্ৰকৃত নাৰীত্বৰ শোভা, আৰু চিৰকাল পুৰুষৰ ৰক্ষিতা হোৱাটোৱে আছিল নাৰী জীৱনৰ স্থিতি। পুৰুষৰ কাৰণে বহিৰ্জগত আৰু সামাজিক জীৱনৰ সকলো দায়িত্ব আৰু অধিকাৰ, সন্তান পালন, স্বামী আৰু অন্যান্য গুৰুজনৰ সেৱা আদিয়েই আছিল নাৰীৰ দায়িত্ব। ৰবীন্দ্ৰনাথৰ দৃষ্টিত এই ব্যৱস্থা মনুষ্যত্বৰ অৱমাননাকাৰী, নিষ্ঠুৰ আৰু নিষ্পেষণমূলক আছিল। সমাজ জীৱনত নাৰীৰ প্ৰকৃত অধিকাৰ স্থাপিত হ'ব লাগে, নাৰীক কেৱল ভোগৰ সামগ্ৰী বা শ্ৰমৰ আহিলা হিচাবে দেখিলে মানৱতাৰ অপমান হয়। সমাজ জীৱনত নাৰীক ব্যক্তিত্বৰ মৰ্য্যদা দিব লাগে। ব্যক্তিত্বৰ মৰ্য্যদা আৰু সামাজিক অধিকাৰ বঞ্চিতা নাৰীৰ অন্তৰৰ বেদনা ৰবীন্দ্ৰ-নাথৰ বহু কবিতাৰ ভিতৰেদি প্ৰকাশ পাইছে—

"নাৰীকে আপন ভাগ্য জয় কৰিবাৰ
কেন নাহি দিলে অধিকাৰ
কেন নাহি লব চিনে সাৰ্থকেৰ পথ"

অন্তঃপুৰ বাসিনী অনাদৃতা নব বধুৰ অন্তৰৰ বিলাপ বাণী ৰবীন্দ্ৰনাথে 'মানসী'ৰ বধু বোলা কবিতাত অতি বেদনাময় ভাষাত প্ৰকাশ কৰিছে—

"কে যেন চাৰি দিকে দাঁড়িয়ে আছে
খুলিতে নাৰি মন শুনিবে পাছে,
হেথায় বৃথা কাঁদা দেয়ালে গেয়ে বাধা
কাঁদন ফিৰে আছে আপন কাছে।

কেহবা দেখে মুখ কেহবা দেহ
কেহবা বলে ভালো বলেনা কেহ
ফুলেৰ মালা গাছি বিকাতে আসিয়াছি
পৰশ কৰে সবে কৰেনা স্নেহ।

সবাৰ মাঝে আমি ফিৰি একেলা
কেমনে কৰে কাটে সাৰাটা বেলা
ইটেৰ পৰে ইট মাঝে মানুষ কীট
নাইকো ভালোবাসা নাইকো খেলা।"

পাশ্চাত্য সভ্যতাৰ আলোকত নব শিক্ষিত মধ্যবিত্ত পৰিয়ালত বিকাশ লাভ কৰিব ধৰা নাৰীৰ ব্যক্তিত্বৰ অনুভূতি ৰবীন্দ্ৰনাথে 'স্ত্ৰীৰ পত্ৰ' গল্পত আৰু চিত্ৰাঙ্গদা গীতি নাট্যত

প্ৰকাশ কৰিছে। 'স্ত্ৰীৰ পত্ৰ' ত স্বাধীনতা প্ৰয়াসী গৃহত্যাগিনী স্ত্ৰীয়ে স্বামীলৈ লিখিছে—

"পূজা কৰে ৰাখিবে মাথায় সেও আমি নহি, অৱহেলা কৰে ঠেলিয়া ৰাখিবে পিছে সেও আমি নহি ; যদি পার্শ্বে ৰাখো মোৰে সঙ্কটেৰ পথে, দুৰূহ চিন্তাৰ যদি অংশ দাও, যদি অনুমতি কৰ কঠিন ব্ৰতেৰ তব সহায় হইতে, তখন পাইবে মোৰ পৰিচয়।"

পুৰুষৰ শ্ৰদ্ধা আৰু সম্মানৰ পৰা বঞ্চিত হৈ নাৰীয়ে স্বাভাৱিকতে নিজৰ যৌৱন বিলাস আৰু ললিত বিভ্ৰমেৰে পুৰুষক বশ কৰিব, পুৰুষৰ অন্তৰ জয় কৰিব বিচাৰে। সেই ক্ষণিক মোহৰ দ্বাৰা নাৰীয়ে পায় পুৰুষৰ ক্ষণিক তোষামোদ কিন্তু তাত হয় নাৰীত্বৰ প্ৰকৃত মৰ্য্যদাৰ অপমান। 'চিত্ৰাঙ্গদা' নাটকত চিত্ৰাঙ্গদাৰ সখী সকলৰ মুখেদি কবিয়ে স্বাধিকাৰ প্ৰয়াসিনী নাৰীৰ মনৰ কথা প্ৰকাশ কৰিছে—

> "ৰমণীৰ মন ভোলাবাৰ ছলা কলা
> দূৰ কৰে দিয়ে উঠিয়া দাড়াক নাৰী
> সৰল উন্নত বীৰ্য্যবন্ত অন্তৰেৰ বলে
> যেন সে সম্মান পায় পুৰুষেৰ"

নাৰী অন্তৰৰ এই একে মুক্তিৰ প্ৰেৰণাকে কবিয়ে 'মহুয়া' কাব্যৰ 'সবলা' কবিতাত প্ৰকাশ কৰিছে—

> "কেননা ছুটাব তেজে সন্ধানেৰ ৰথ
> দুৰ্ধৰ্ষ অশ্বেৰ বাধি দৃঢ় বল্গা পাশে।

দুর্জয় আশ্বাসে
দুর্গমের দুর্গ হতে সাধনার ধন
কেন নাহি করি আহরণ
প্রাণ করি পণ।"
"যাবনা বাসর কক্ষে বধূ হয়ে বাজায়ে কিঙ্কিনী
আমারে প্রেমের গর্ব্বে করো অশঙ্কিনী"
"হে বিধাতা, আমারে রেখো না বাক্য হীনা
রক্তে মোর জাগে রুদ্র বীণা।
উত্তরিয়া জীবনের সর্ব্বোন্নত মুহূর্ত্তের পরে
জীবনের সর্ব্বোত্তম বাণী যেন ঝরে
কণ্ঠ হতে নির্ব্বারিত স্রোতে॥"

সমাজৰ অৱহেলাত পুৰুষৰ অসম্মানত কেৱল ভোগৰ সামগ্ৰী ৰূপা নাৰীয়ে নিজৰ অন্তৰৰ, নিজৰ ব্যক্তিত্বৰ সকলো গৰ্ব্ব আৰু মৰ্য্যদাবোধ হেৰুৱাই পেলায়, মহৎ উদাৰ মানবীয় জীৱনটোৰ পৰা বঞ্চিতা হৈ পুৰুষৰ হাতৰ পুতলা হিচাবে, ভোগৰ আহিলা হিচাবে নিজকে সজাই তোলে; এয়ে নাৰীত্বৰ চৰম আত্ম বিস্মৰণ। সেই নাৰীয়ে যেতিয়া হঠাৎ কোনো পুৰুষৰ অন্তৰৰ শ্ৰদ্ধা আৰু সম্মান পায় কেৱল ৰূপৰ তোষামোদৰ পৰিবৰ্ত্তে মানবীয় অন্তৰৰ মৰ্য্যদা পায় তেন্তে সেই নাৰীৰ মহত্ত্ব বোধ আৰু আত্মমৰ্য্যদাবোধ জাগি উঠে। এই ভাবকে কবিয়ে "পতিতা" কবিতাত প্ৰকাশ কৰিছে—ঋষ্য শৃঙ্গ মুনিয়ে যেতিয়া বাৰাঙ্গনাক এইদৰে সম্বোধন কৰিলে—

"কল্যাণময়ী মূৰতি তোমাৰ
কোন দেৱ আজি আনিলে দিবা,
অমৃত সৰস তোমাৰ পৰশ
তোমাৰ নয়নে দিব্য ৰিভা"

তেতিয়াই পতিতা নাৰীৰ জীৱনৰ মূল্য বোধ, মহত্ব বোধ জাগি উঠিল—

'তৰুণী উষাৰ উদয় সম
সে দুটি সৰল নয়ন হেৰি
হৃদয়ে আমাৰ নাৰীৰ মহিমা
বাজায়ে তুলিল মিলন ভেৰী'।

"মধুৰাতে কত মুগ্ধ হৃদয়
স্বৰ্গ মেনেছে এদেহ খানি,
তখন শুনেছি বহু চাটু কথা
শুনিনি এমন সত্য বাণী।
দেৱতাৰে মোৰ কেহতো চাহেনি
নিয়ে গেল সবে মাটিৰ ঢেলা
দূৰ দুৰ্গম মনোবন বাসে
পাঠাইল তাৰে কৰিয়া হেলা।
সেই ক্ষণে এল আমাৰ তাপস
সেই পথহীন বিজন গেহ॥

অন্তঃপুৰৰ বন্ধনৰ পৰা মুক্ত হৈ নাৰীয়ে বাহিৰৰ জগতত যেতিয়া নিজৰ প্ৰকাশ বিচাৰি পায় তেতিয়াহে নাৰীয়ে নিজৰ

নাৰীত্বৰ স্বৰূপ উপলব্ধি কৰে। ঘৰৰ ভিতৰত নিজৰ আশা আকাঙ্ক্ষাক বিলুপ্ত কৰি দহজনৰ মন যোগাই কেৱল যন্ত্ৰৰ দৰে দিনৰ পাচত ৰাতি আৰু ৰাতিৰ পাচত দিন কেৱল ধৰাবন্ধা গৃহ কৰ্ম্মৰ মাজত স্বামী স্ত্ৰীৰ ধৰাবন্ধা সম্পৰ্কৰ মাজেদি দিন কটাই দিয়াৰ গ্লানি কবিয়ে 'পলাতকা' কাব্যৰ "মুক্তি" কবিতাত প্ৰকাশ কৰিছে—

"এ সংসারে এসেছিলাম নবছরের মেয়ে
তার পরে এই পরিবারের দীর্ঘকাল বেয়ে
দশের ইচ্ছা—বোজাই করা এই জীৱনটা টেনে টেনে
পৌছিনু আজ পথের প্রান্তে শেষে এসে।
সুখের দুখের কথা
একটু খানি ভাবব এমন সময় ছিল কোথা
একটানা এক ক্লান্ত সুরে
কাজের চাকা চলেছে ঘুরে ঘুরে।
জানি নাইতো আমি যে কি—জানি
নাই এ বৃহৎ বসুন্ধরা
কীসে অর্থে ভরা।
শুনি নাই তো মানুষের কি বাণী
মহাকালের বীণায় বাজে। আমি কেৱল জানি
বাঁধার পরে খাওয়া আবার খাওয়ার পরে বাঁধা"

সেই অন্তঃপুৰৰ বন্দিনীয়ে যেতিয়া প্ৰথম বাৰলৈ বহিৰলৈ ওলাই বিশাল নীল আকাশৰ তলত প্ৰকৃতিৰ শ্যামল সমাৰোহ

আৰু জীৱনৰ গতিশীল শোভা দেখে তেতিয়া সেই নাৰীৰ মানবীয় অন্তৰ জাগি উঠে—

"আনন্দ আজ ক্ষণে ক্ষণে জেগে উঠিছে প্ৰাণে
আমি নাৰী, আমি মহিয়সী,
আমাৰ সুৰে সুৰে বেঁধেছে জোৎস্না
বীণায় নিদ্ৰা বিহীন শশী,"

হিন্দু সমাজত ছোৱালীৰ বিয়া জাতি 'ভেদৰ দ্বাৰা সঙ্কুচিত আৰু মাক বাপেকৰ ইচ্ছাৰ দ্বাৰা নিয়ন্ত্ৰিত থকাত ছোৱালীৰ পছন্দ অপছন্দ, অন্তৰৰ অনুভূতি অনুৰাগ আদিৰ কোনো স্থান নাছিল। পূৰ্ব্ব জন্মৰ দ্বাৰা আকাশৰ গ্ৰহ নক্ষত্ৰৰ দ্বাৰা নিৰ্দ্ধাৰিত পতিভাগ্যৰ ওচৰত নাৰীয়ে বিনা প্ৰতিবাদে নিজৰ অন্তৰক বলি দিব লগা হৈছিল। আকৌ নাৰীৰ ভাগ্যত অছিল অলঙ্ঘনীয় এক বিবাহ প্ৰথা আৰু স্বামী বিয়োগোত্তৰ আমৰণ বৈধব্য ব্ৰতৰ দাৰুণ আত্মনিগ্ৰহ। আনফালে পুৰুষৰ আছিল নানা শাস্ত্ৰ সম্মত ঋষি জনানুমোদিত ধৰ্ম্মসাধন প্ৰয়োজনত বহু বিবাহৰ আৰু পত্নী বিয়োগোত্তৰ পুনৰ্দাৰ গ্ৰহণৰ অৱশ্য-কৰণীয় 'শাস্ত্ৰীয় কৰ্ত্তব্য'—এইবোৰ সামাজিক প্ৰথাৰ ধ্বজাধাৰী কুলীন ৰক্ষণশীল সকলক তীব্ৰ শ্লেষ কৰি তাৰ বিৰুদ্ধে মানবীয় অন্তৰৰ দাবীত নাৰীৰ অন্তৰত যি বিদ্ৰোহ জাগে তাক কবিয়ে 'পলাতকা' কাব্যৰ 'নিস্কৃতি' কবিতাত প্ৰকাশ কৰিছে। বৃদ্ধ কুলীন দেউতাকে নাবালিকা জীয়েক মঞ্জুলীক কৌলিন্যৰ

খাতিৰত এক মৃতদাৰ বৃদ্ধ পঞ্চানবলৈ বিয়া দিয়াৰ স্থিৰ কৰে মাকৰ তীব্ৰ আপত্তি স্বত্ত্বেও, কাৰণ—

'সুখে দুখে দ্বেষে ৰাগে
ধৰ্ম্ম থেকে নড়েন তিনি, নাই হেন দৌৰ্ব্বল্য
তিনি বলেন, তাঁৰ সাধনা বড়োই সুকঠোৰ
আৰ কিছু নয় শুধুই মনেৰ জোৰ,
অষ্টাবক্ৰ জমদগ্নি প্ৰভৃতি সব ঋষিৰ সঙ্গে তুল্য
মেয়ে মানুষ বুঝবে না তাৰ মূল্য' ॥

বিয়া হৈ গ'ল আৰু দুমাহৰ পাচত মঞ্জুলীকা হ'ল বিধবা। কিন্তু বয়সে বৈধব্যৰ বাধা নামানি মঞ্জুলীকাৰ দেহমনৰ ওপৰত সোণৰ কাঠিৰ পৰশ লগাই যায়। মাকে ইচ্ছা কৰে পুনৰ বিয়া দিবলৈ। কিন্তু ধৰ্ম্মৰ নামত বাপেক অটল, স্ত্ৰীৰ কথাত তেওঁ কোনো মূল্য নিদিয়ে কাৰণ

"......মেয়ে মানুষ
হৃদয় তাপেৰ ভাপে ফানুস্
জীবন একটা কঠিন সাধন, নেই যে ওদেৰ জ্ঞান।"

কিছুদিন পিছত স্ত্ৰীৰ মৃত্যু হ'ল, দেউতাকৰ সেৱা শুশ্ৰূষাৰ ভাৰ সম্পূৰ্ণ মঞ্জুলীকাৰ ওপৰত পৰিল। নিয়ত সেৱাৰ দ্বাৰা দেউতাকক কঠিন ৰোগৰ পৰা মুক্ত কৰিলে, সকলোৱে জীয়েকক প্ৰশংসা কৰিলে।

"বাপ শুনে কয় বুক ফুলিয়ে' 'গৰ্ব কৰি নেকো
কিন্তু তবু আমাৰ মেয়ে সেটা স্মৰণ ৰেখো।

ব্ৰহ্মচৰ্য্য ব্ৰত

আমাৰ কাছে শিক্ষা যে ওৰ, নইলে দেখতে
অন্য ৰকম হতো।
আজ কালকাৰ দিনে
সংযমেৰি কঠোৰ সাধন বিনে
সমাজেতে ৰয়না কোনো বাঁধ
মেয়েৰা তাই শিখছে কেবল্
বিবিয়ানাৰ ছাঁদ।”

কিন্তু বৃদ্ধই স্ত্ৰী বিয়োগৰ কিছুদিন পিচতে নিজে আকৌ বিয়া কৰাবৰ ব্যৱস্থা কৰি বহিল। মঞ্জুলীকাই মাকৰ পৱিত্ৰ স্মৃতিত এই অপমানৰ প্ৰতিবাদ কৰাত বৃদ্ধই কলে—

“আমাৰ পক্ষে বিয়ে কৰা বিষম কঠোৰ কৰ্ম্ম,
কিন্তু গৃহ ধৰ্ম্ম
স্ত্ৰী নাহলে অপূৰ্ণ যে ৰয়
মনু হতে মহাভাৰত সকল শাস্ত্ৰে কয়।
সহজ তো নয় ধৰ্ম্ম পথে হাঁটা
এতো কেবল হৃদয় নিয়ে নয়কো
কাঁদা কাটা।”

বাপেক বৰ সাজি বিয়া কৰাবলৈ গ’ল, আৰু লগে লগে সকৰে পৰা বাপেকৰ মুখত শিকা নাৰীত্বৰ ধৰ্ম্ম, সতীত্বৰ মহত্ত্ব, ত্যাগ আৰু কৃচ্ছ সাধনৰ পাৰমাৰ্থিক মঙ্গল, ধৰ্ম্মৰ দুৰ্গম পথ আৰু ব্ৰহ্মচৰ্য্যৰ কঠিন ব্ৰত সকলো শাস্ত্ৰীয় আৰু পুৰুষ বিঘোষিত

নাৰীৰ জীৱনাদৰ্শৰ মূল্যবোধ ভাঙ্গি চিঙ্গি গ'ল। মঞ্জুলীকাই সমাজৰ শাসনৰ বিৰুদ্ধে বিদ্ৰোহ কৰি বাল্যসঙ্গী পুলিনৰ লগত (যাৰ লগত মাকে মঞ্জুলীকাৰ বিয়াৰ প্ৰস্তাৱ কৰিছিল) ঘৰৰ পৰা ওলাই গৈ নিজৰ ঘৰ পাতিলে।

কিন্তু মঞ্জুলীকাৰ এই বিদ্ৰোহ ব্যক্তিগত বিদ্ৰোহ। এনে ধৰণৰ ব্যক্তিগত বিদ্ৰোহে নাৰীৰ সামাজিক মুক্তি আনিব নোৱাৰে। আৰু বহুক্ষেত্ৰত সমাজে এনেকুৱা বিদ্ৰোহীৰ ওপৰত তীব্ৰ প্ৰতিশোধ লয় আৰু তাৰ ফলত মুক্তি প্ৰয়াসী, মানবতা প্ৰয়াসী বহুতৰ জীৱন কৰুণ বিয়োগান্ত হৈ পৰে। সমাজত নাৰীৰ অধিকাৰ প্ৰতিষ্ঠা কৰিব লাগিলে সচেতন ভাবে সঙ্ঘবদ্ধ ভাবে একনিষ্ঠ সমবেত সংগ্ৰাম কৰিব লাগিব, ব্যক্তিগত মহত্ত্বৰ অনুভূতিক সাধনাৰ দ্বাৰা সমষ্টিৰ মাজত বিয়পাই দিব লাগিব, নিজৰ ভাব বিলাসিতা পৰিহাৰ কৰি ব্যাপক সামাজিক চেতনাৰ দ্বাৰা উদ্বুদ্ধ হ'ব লাগিব। ৰবীন্দ্ৰনাথে নাৰী মুক্তিৰ এই কাৰ্য্য-কৰী সঙ্ঘবদ্ধ সাধনাৰ পথ সম্বন্ধে বিশেষ কোনো ইঙ্গিত দিয়া নাই। অৱশ্যে 'গান্ধাৰীৰ আবেদন' নাট্য কাব্যত গান্ধাৰীৰ অনুভূতিৰ ভিতৰেদি নাৰী হিচাবে সমাজত নাৰীৰ অপমানৰ বিৰুদ্ধে যি ৰোষ আৰু নাৰীৰ মৰ্য্যদা ৰক্ষাৰ কাৰণে যি দৃঢ় সংকল্প নাৰীৰ ওপৰত জাগে তাৰ আভাস কৰিয়ে দিছে। গান্ধাৰীৰ পুত্ৰ দুৰ্য্যোধনৰ আদেশত দুঃশাসনে ৰাজসভাত দ্ৰোপদীক যি অপমান কৰিলে সেই নাৰীত্বৰ অপমানত গান্ধাৰীৰ নাৰী অন্তৰ জ্বলি উঠিল আৰু তাৰ দহনত গান্ধাৰীৰ মাতৃহৃদয়, পুত্ৰ স্নেহ ডেই

পুৰি গ'ল। দ্ৰোপদীৰ অপমানত নাৰী হিচাবে গান্ধাৰীয়ে নিজৰ পুত্ৰকো ক্ষমা কৰিব নোৱাৰিলে। পুত্ৰক নিৰ্ব্বাসন দিবৰ কাৰণে স্বামী ধৃতৰাষ্ট্ৰৰ ওচৰত দৃঢ় ভাবে নিবেদন জনালে। ধৃতৰাষ্ট্ৰই যেতিয়া ক'লে—

"ধৰ্ম্ম তাৰে কৰিবে শাসন
ধৰ্ম্মেৰে যে লঙ্ঘন কৰিছে—
আমি পিতা"

তেতিয়া গান্ধাৰীয়ে প্ৰতিবাদ জনালে—

"মাতা আমি নহি? গৰ্ভভাৰ জৰ্জৰিতা
জাগ্ৰত হৃদপিণ্ডতলে বহি নাই তাৰে?
তবু কহি মহাৰাজ—
সেই পুত্ৰ দুৰ্য্যোধনে ত্যাগ কৰো আজ।"

তথাপি ধৃতৰাষ্ট্ৰই আকৌ যেতিয়া পিতৃত্বৰ নামত সেই আবেদন গ্ৰহণ নকৰিলে তেতিয়া গান্ধাৰীয়ে যেন সমাজৰ লাঞ্ছিতা সমস্ত নাৰীকুলৰ হৈ ধৰ্ম্ম ৰক্ষক ৰজাক প্ৰশ্ন কৰিছে—

"শুধাই তোমাৰে
যদি কোনো প্ৰজা তব সতী অবলাৰে
পৰগৃহ হতে টানি কৰে অপমান
বিনাদোষে, কি তাহাৰ কৰিবে বিধান।

ধৃতৰাষ্ট্ৰ— নিৰ্ব্বাসন।

গান্ধাৰী— তবে আজি ৰাজ পদ তলে
সমস্ত নাৰীৰ হয়ে নয়নেৰ জলে

বিচাৰ প্ৰাৰ্থনা কৰি। পুত্ৰ দুৰ্য্যোধন
অপৰাধী প্ৰভু। তুমি আছ হে
ৰাজন প্ৰমাণ আপনি।
.........দণ্ডনীতি, ভেদনীতি,
কূটনীতি কত শত পুৰুষেৰ ৰীতি
পুৰুষেই জানে............
মোৰা থাকি দূৰে
আপনাৰ গৃহ কৰ্ম্মে শান্ত অন্তঃপুৰে।
যে সেথা টানিয়া আনে বিদ্বেষ অনল
যে সেথা সঞ্চাৰ কৰে ইৰ্ষাৰ গৰল
বাহিৰেৰ দ্বন্দ হতে পুৰুষেৰ ছাড়ি
অন্তঃপুৰে প্ৰবেশিয়া নিৰুপায় নাৰী
গৃহ ধৰ্ম্ম চাৰিণীৰ পুণ্য দেহ পৰে
কলুষ পুৰুষ স্পৰ্শে অসম্মানে কৰে
হস্তক্ষেপ, পতি সাথে বাধায়ে বিৰোধ
সে নৰ পত্নীৰে হানি লয় তাৰ শোধ—
সে শুধু পাষণ্ড নহে, সে যে কাপুৰুষ।
............হায় নাথ, সেদিন যখন
অনাথিনী পাঞ্চালীৰ আৰ্ত্ত কণ্ঠৰৱ
প্ৰাসাদ পাষাণ ভিত্তি কৰি দিল দ্ৰৱ
লজ্জা ঘৃণা কৰুণাৰ তাপে, ছুটি গিয়া
হেৰিনু গবাক্ষে, তাৰ বস্ত্ৰ আকৰ্ষিয়া

খল খল হাসিতেছে সভা মাঝখানে
গান্ধাৰীৰ পুত্ৰ পিশাচেৰা ধৰ্ম্ম জানে
সেই দিন চুর্ণিয়া গেল জন্মেৰ মতন
জননীৰ শেষ গৰ্ব্ব”
... .দূৰ কৰো জননীৰ লাজ
বীৰ ধৰ্ম্ম কৰহ উদ্ধাৰ—
পদাহত সতীত্বেৰ
ঘুচাও ক্রন্দন—অৱনত ন্যায় ধৰ্ম্মে
কৰহ সম্মান ত্যাগ কৰো দুৰ্য্যোধনে”

বনবাস গমনোদ্যাতা দ্রোপদীক আলিঙ্গন কৰি গান্ধাৰীয়ে কৈছে—

যে তোমাৰে অবমানে তাৰি অপমান
জগতে ৰহিবে নিত্য—কলঙ্ক অক্ষয়।
তব অপমান ৰাশি বিশ্ব জগন্ময়
ভাগ কৰে লইয়াছে সৰ্ব্ব কুলঙ্গনা—”

দ্রোপদীৰ অপমানক বিশ্বৰ সকলো নাৰী সমাজে নিজৰ অপমান বুলি কৈছে—সেই অপমানৰ আঘাতত গান্ধাৰীৰ মাতৃ-স্নেহেও পৰাজয় মানিলে কবিৰ এই গভীৰ অন্তদৃ´ষ্টি মন কৰিব লগীয়া। ইয়াকেই বোলে শ্রেণী সংহতি, class solidarity এই চেতনাই সামাজিক মুক্তিৰ বাবে সঙ্ঘবদ্ধ নাৰী আন্দোলনৰ প্ৰকৃত ভিত্তি। এই চেতনাৰ ভিত্তিতেই আজি ভাৰতত মহিলা আন্দোলন গঢ়ি উঠিব ধৰিছে। কিন্তু ৰবীন্দ্রনাথে যেতিয়া এই নাট্য কাব্য লিখিছিল তেতিয়া ভাৰতীয় নাৰী সমাজত এই

চেতনাৰ কোনো অঙ্কুৰেই গজা নাছিল। তথাপি কবিৰ ভৱিষ্যদৰ্শী চেতনাত সামাজিক অত্যাচাৰৰ বিৰুদ্ধে নাৰী হৃদয়ৰ এই সমবেত প্ৰতিবাদ ৰূপকৰ ভিতৰেদি হ'লেও প্ৰতিফলিত হৈছিল। যি দৰে ইংৰাজৰ গোলামীৰ বিৰুদ্ধে ভাৰতবাসীৰ মুক্তি আৰু আত্ম-প্ৰতিষ্ঠাৰ প্ৰেৰণাই সেই সময়ত ব্যাপকভাৱে প্ৰচলিত হোৱা ঐতিহাসিক আৰু পৌৰাণিক নাট্যাভিনয় বোৰৰ ভিতৰেদি ৰূপক আকাৰে প্ৰকাশ হৈছিল। জাতিৰ স্বাধীনতাৰ চেতনাক গঢ়ি তোলাত এনে ধৰণৰ (বঙ্গদেশত দ্বিজেন্দ্ৰলাল, গিৰীশ ঘোষ আদিৰ আৰু অসমত বেজবৰুৱা, অতুল হাজাৰিকা আদিৰ) নাটকবোৰে বহু সহায় কৰিছিল।

সেই সময়ত সমাজৰ বাস্তৱ ক্ষেত্ৰত ভাৰতীয় নাৰীৰ অন্তৰত যদিও নৱ জীৱনৰ কল্পনাই অন্তৰক অনুপ্ৰাণিত কৰিছিল, তথাপি নৱ জীৱনক বাস্তৱ কৰাৰ বাবে কাৰ্য্যাকৰী পন্থা লোৱাৰ কোনো সুবিধা আৰু সম্ভাৱনা দেখা দিয়া নাছিল। সেয়ে এই চেতনাই কেতিয়াবা ৰবীন্দ্ৰনাথৰ কাব্যত ব্যক্তিগত বিদ্ৰোহৰ ৰূপত প্ৰকাশ পাইছে। যেনে ওপৰত উল্লেখ কৰা মঞ্জুলীকাৰ ক্ষেত্ৰত আৰু কেতিয়াবা হতাশা, বেদনা, মৃত্যু কামনা আৰু নাৰী জীৱনৰ একান্ত সহায়হীনতা আৰু উপায় হীনতাৰ অনুভূতি ৰূপে ৰবীন্দ্ৰনাথৰ কাব্যত প্ৰকাশ পাইছে। সামাজিক অন্যায়ৰ বিৰুদ্ধে নাৰীৰ অন্তৰৰ প্ৰতিবাদ অথচ তাৰ সম্মুখত আত্ম প্ৰতিষ্ঠা প্ৰয়াসী নাৰীৰ একান্ত উপায় হীনতাৰ মৰ্ম্ম বেদনা কবিৰ 'পুনশ্চ' কাব্যৰ 'সাধাৰণ মেয়ে' কবিতাত প্ৰকাশিত হৈছে।

শিক্ষাহীনা ইংৰাজী শিক্ষা পোৱা ছোৱালীৰ ‘মন ভোলাবাৰ ছলাকলা’ নজনা ‘মালতী’ৰ স্বামী নৰেশ উচ্চ শিক্ষাৰ বাবে বিলাতলৈ গৈ যেতিয়া ইংৰাজী ছোৱালীৰ লগত প্ৰেমত মছগুল হৈ অত্যন্ত উদ্ধত ভাৱে সেই প্ৰেমৰ কথা মালতীক চিঠি লিখি জনায় তেতিয়া মালতীৰ অন্তৰত যি বিদ্ৰোহ আৰু মনোবেদনা জাগে তাৰ প্ৰকাশ কৰিব মালতীয়ে বিচাৰিছে উপন্যাসিক শৰৎচন্দ্ৰক এটি গল্প লিখিবলৈ অনুৰোধ কৰি—

“তোমাকে দোহাই দিই
একটি সাধাৰণ মেয়েৰ গল্প লেখো তুমি
তাৰ নাম দিও মালতী……
তাৰা ফৰাচী জাৰ্ম্মাণ জানে না
কাঁদতে জানে।
তুমি হয়তো ওকে নিয়ে যাবে ত্যাগেৰ পথে
দুঃখেৰ চৰমে, শকুন্তলাৰ মত
দয়া কৰো আমাকে।……
বিছানায় শুয়ে শুয়ে ৰাত্ৰিৰ অন্ধকাৰে
দেবতাৰ কাছে যে অসম্ভৱ বৰ মাগি
যে বৰ আমি পাব না
কিন্তু পায় যেন তোমাৰ নায়িকা।

গল্পত সেই মালতী অন্ততঃ প্ৰথম হৈ এম্. এ. পাছ কৰি বিলাতকৈ যাওক—যত

"সেখানে যাৰা জ্ঞানী, যাৰা বিদ্বান, যাৰা বীৰ,
যাৰা কবি, যাৰা শিল্পী, যাৰা ৰাজা
দল বেঁধে আসুক ওৰ চাৰ দিকে।
জ্যোতির্বিদেৰ মতো আৱিষ্কাৰ কৰুক ওকে
শুধু বিদুষী বলে নয় নাৰী বলে।"

মালতীৰ অন্তৰত স্বামীৰ বিৰুদ্ধে বিদ্ৰোহ আৰু প্ৰতিহিংসাৰ অনুভূতি জাগিছে কিন্তু লগতে অতি নিদাৰুণ ভাবে এইটোও মালতীয়ে অনুভৱ কৰিছে যে তেওঁ নিৰুপায়, অত্যন্ত সাধাৰণ মেয়ে; সমাজত তেওঁৰ এই লাঞ্চিতা অৱস্থাৰ প্ৰতিবিধান কৰোতা কোনো নাই। বঙ্গ দেশত শৰৎ চন্দ্ৰই গল্প উপন্যাসৰ ভিতৰেদি নাৰী জীবনৰ ওপৰত অত্যাচাৰ আৰু তাৰ বিৰুদ্ধে নাৰী অন্তৰৰ ক্ষোভ দুখ আৰু মৰ্ম্ম বেদনা বহু ভাৱে প্ৰকাশ কৰিছে। সেয়ে কবিৰ মালতীয়ে নিজৰ অনুভূতি প্ৰকাশ নকৰি শৰৎ চন্দ্ৰৰ ওচৰ চাপে। আজিৰ দিনত তেনে মালতী হয়তো অন্য নাৰীৰ লগ লাগি নাৰীৰ সামাজিক অধিকাৰ প্ৰতিষ্ঠাৰ বাবে সামাজিক আন্দোলন গঢ়ি তুলিলে হেঁতেন। এই কবিতাত কবিয়ে আৰু এটা তাৎপৰ্য্যপূৰ্ণ কথাৰ ইঙ্গিত কৰিছে। প্ৰাচীন ভাৰতীয় সমাজত লাঞ্চিতা নাৰীৰ বাবে ত্যাগ, কৃচ্ছ সাধন আদিৰ যি জীৱনাদৰ্শ সীতা, শকুন্তলা আদিৰ কাহিনীৰে মহীয়ান কৰি প্ৰচাৰ হৈছিল, সেইটো অপমানিতা নাৰীৰ প্ৰাণৰ কথা নহয়। নাৰীৰ হৃদয়ে নিৰ্বিচাৰে সামাজিক অত্যাচাৰ মূৰ পাতি লৈ একান্ত আত্মনিগ্ৰহ আৰু অহং বিলুপ্তিৰ পথ লবলৈ;

বিচাৰে তাৰ প্ৰতিকাৰ, বিচাৰে নিজৰ ব্যক্তিত্ব প্ৰতিষ্ঠা আৰু সামাজিক স্বীকৃতি ; তাৰেই কল্পনা কৰে উৎপীড়িতা নাৰীয়ে উজাগৰ ৰাতি বিছনাত ছটফটাই থাকি। এই অনুভূতিকেই ৰবীন্দ্ৰনাথে নানা ভাৱে তেখেতৰ কাব্যত ৰূপ দিছে। কালিদাসৰ কাব্যত ৰামৰ দ্বাৰা বিনা কাৰণে নিৰ্ব্বাসিতা হোৱা সীতাই পৰজন্মত আকৌ সেই ৰামকে স্বামীৰূপে পাবলৈ তপস্যা কৰে।

"সাৎহং তপঃ সূৰ্য্য নিৰ্বিষ্ট দৃষ্টি
ৰূৰ্দ্ধ প্ৰসুতে শ্চৰিতুং যতি'
ভুয়ো যথামে জননান্তৰেছপি
ত্বমেব ভৰ্ত্তা ন চ বিপ্ৰযোগ।"

শকুন্তলাক যেতিয়া স্বামী দুষ্মন্তই অতি নীচ ভাবে প্ৰত্যাখান কৰে তেতিয়া সেই দুষ্মন্তৰে দাসীবৃত্তি কৰি থাকিবলৈ সাৰঙ্গৰৱে শকুন্তলাক উপদেশ দিয়ে কাৰণ সেয়ে সাধ্বী ভাৰতীয়া নাৰীৰ আদৰ্শ।

যদি যথা বদতি ক্ষিতিশুয়া ত্বমসি
পুনৰুৎকুলয়া ত্বয়া।
অথ তু বেৎসি শুচিব্ৰতমাত্মনঃ
পতিগৃহে তব দাস্যমপি ক্ষমাম।
—অভিজ্ঞান শকুন্তলম্

কিন্তু স্বামী পৰিত্যক্তা মালতীৰ সেই আদৰ্শ নহয়, আদৰ্শ হৈছে সামাজিক আত্ম প্ৰতিষ্ঠাৰ নাৰী হিচাবে মানব সমাজত

নিজৰ ব্যক্তিত্বৰ স্বীকৃতি আৰু মৰ্য্যদা লাভ কৰাৰ। এই নাৰীৰ ছবিয়েই ৰবীন্দ্ৰ কাব্যত বাৰে বাৰে ফুটি উঠিছে আৰু এই আদৰ্শৰ ৰূপায়নত কবিচিত্তত পাশ্চাত্য ভাৱ ধাৰাৰ প্ৰভাৱ অতি স্পষ্ট।

॥ ৰবীন্দ্রনাথৰ নাট্য ৰীতি ॥

ৰবীন্দ্র নাথৰ নাট্য ৰীতিৰ কথা আলচ কৰাত এটা কথা মনত ৰাখিব লাগিব যে তেখেতৰ জীৱন দৃষ্টি মূলতঃ কৰ্বিক, নাটকীয় নহয়। সেই কাৰণে তেখেতে লিখা নাটকবোৰত ভাবৰ আৰু অনুভূতিৰ মূৰ্চ্ছনাই প্ৰধান; জীৱনৰ দ্বন্দ-সংঘৰ্ষ, তাৰ বস্তু নিষ্ঠা আদিৰ অৰ্থাৎ ইংৰাজীত যাক কোৱা হয় action বা ঘটনা তাৰ স্থান গৌণ।

ৰবীন্দ্ৰনাথৰ নাটক বোৰক সাধাৰণতেঁ চাৰি ভাগত ভগাব পাৰি। যেনে—গীতি-নাট্য, কাব্য-নাট্য, নাট্য-কাব্য আৰু ৰূপক নাট্য। এই গোটেই কেই শ্ৰেণীৰ নাটকৰে সাধাৰণ লক্ষ্য হৈছে এই যে সকলোবোৰেই ভাবৰ নাটক, ঘটনাৰ নাটক নহয়। ইংৰাজী সমালোচক মিঃ টমছনৰ মতে "His dramatic work is the vehicle of ideas, rather than the expression of action" নাটকৰ ভিতৰেদি ৰূপায়িত হোৱা ভাৱবোৰ তাৰ ঘটনাৰ আৱেষ্টনীৰ ভিতৰেদি জন্মলাভ কৰি পৰিণতি লাভ কৰে, অৱশ্যে ৰূপক-নাট্য বোৰৰ কথা সুকীয়া। ৰূপক নাট্য বোৰত জীৱন বা জগত-সম্বন্ধে কোনো এটা বিশেষ ভাৱক নাটকীয় ৰূপত প্ৰতিফলিত কৰা হৈছে। গতিকে তাৰ চৰিত্ৰবোৰ কোনো ব্যক্তিগত সামাজিক জীৱ নহয়, একোটা একোটা বিশেষ ভাৱ বা আদৰ্শৰ ৰূপায়ণ মাত্ৰ। কিন্তু বাকী নাটকবোৰৰ চৰিত্ৰ-বোৰ তেনে ভাৱ সৰ্ব্বস্ব মাত্ৰ নহয়, সেইবোৰ বাস্তৱ পৰিস্থিতিৰ মাজত গঢ়ি উঠা বাস্তৱ-মানুহ। কিন্তু সেই চৰিত্ৰবোৰৰ

বিকাশত সামাজিক আৰু নৈসৰ্গিক পৰিৱেশৰ ঘাত প্ৰতি-ঘাতত্তকৈ ভাব আৰু আদৰ্শৰ ঘাত প্ৰতিঘাতৰ স্থান বেছি।

আমাৰ সমাজত বৰ্ত্তমান যি ধৰণৰ নাটকৰ প্ৰচলন সেই-বোৰ ঘাইকৈ পৌৰাণিক আৰু বুৰঞ্জীৰ আখ্যান মুলক নাটক নাইবা সামাজিক নাটক। প্ৰথম ভাগৰ নাটকবোৰ সাধাৰণতে আমাৰ পুৰণি সংস্কৃত নাটকৰ ৰীতি আৰু পাশ্চাত্য সেক্সপিয়ৰ অদিৰ নাটকৰ ৰীতিৰ এটা সংমিশ্ৰন। সেই নাটবোৰৰ চৰিত্ৰ-বোৰ বিশেষ ভঙ্গিমাৰ লোক, যেনে ৰজা, সেনাপতি, বীৰ, ৰথা ইত্যাদি আৰু দ্বিতীয়তে তাৰ কথোপকথন উচ্চ ধৰণৰ আৰু কাব্যময় (বিশেষকৈ অমিত্ৰাক্ষ ছন্দৰ) এই ধৰণৰ নাটকৰ প্ৰচলন হয় বিশেষকৈ বঙ্গদেশৰ গিৰীশ চন্দ্ৰ ঘোষ আৰু দ্বিজেন্দ্ৰলাল ৰায়ৰ লিখাৰ ভিতৰেদি।

দ্বিতীয় ভাগৰ অৰ্থাৎ সামাজিক নাটকবোৰ বোধ হয় সম্পূৰ্ণ-ৰূপে আধুনিক পাশ্চাত্য নাটক ৰীতিৰ পৰা আহে। ইউৰোপত এই ধৰণৰ নাটকৰ প্ৰচলন কৰে ইবছেন্, বাৰ্ণাৰ্ড শ্ব আদিয়ে। এইবোৰ নাটকৰ চৰিত্ৰবোৰ বাস্তৱ সমাজৰ স্বাভাৱিক আৰু সাধাৰণ মানুহ আৰু সেইবোৰৰ কথোপকথন সাধাৰণ গদ্যৰ, আৰু সমস্যাবোৰ বস্তুনিষ্ঠ। আমাৰ দেশৰ চহৰবোৰৰ থিয়েটাৰ আদিত আৰু বিশেষকৈ বোলছবিত এই নাটকৰ প্ৰাধান্য খুব বেছি।

কিন্তু গীতি-নাটৰ অৱতাৰণা আমাৰ দেশত ৰবীন্দ্ৰনাথেই বোধহয় সৰ্ব্ব প্ৰথমে কৰে। তেখেতৰ প্ৰথম জীৱনত ৰচিত নাটক "বাল্মিকী-প্ৰতিভা", 'কালমৃগয়া' আৰু "মায়াৰ খেলা"

এই ধৰণৰ নাটক। এই নাটবোৰৰ বৈশিষ্ট্য এই যে ইয়াৰ চৰিত্ৰ বোৰে কাব্যৰ ভাষাতো কথা নকয়, গদ্যৰ ভাষাতো কথা নকয়, কেৱল গান আৰু সুৰৰ মাজেদি সেইবোৰে পৰিণতি লাভ কৰে। ইউৰোপত এই ধৰণৰ অভিনয়ক Ballet বোলে। এই Ballet অভিনয়ত গান আৰু নৃত্যৰ মাজেদি ঘটনা প্ৰৱাহ দেখুৱা হয়। গানৰ লগতে নাচো সেই অভিনয়ৰ প্ৰধান অঙ্গ। (আমাৰ ইয়াৰ ভাওনাবোৰতো নাট বোৰৰ নাচৰ এটা বিশেষ স্থান আছে) ৰবীন্দ্ৰনাথে প্ৰথম বয়সত বিলাতত বোধ হয় এই Ballet অভিনয় চাই বহুখিনি প্ৰভাৱান্বিত হৈছিল। আৰু ভাৰততো তেনে নাটক প্ৰচলনৰ প্ৰয়াস কৰি ওপৰত উল্লিখিত, নাট কেইখনি ৰচনা কৰে। তেখেতৰ পাৰিবাৰিক অভিনয়ত সেইবোৰ অভিনীত হয় আৰু ৰবীন্দ্ৰনাথে নিজে সেইবোৰত অভিনয় কৰিছিল। এই অভিনয়ত নাচ নাই, কেৱল গান হে আছে। গানবোৰত তেখেতে ভাৰতীয় ৰাগ ৰাগিণীৰ সুৰ দিছিল। প্ৰাচীন ভাৰতীয় ৰাগ ৰাগিণীৰ প্ৰধান বৈশিষ্ট্য হৈছে যে ভিন ভিন ৰাগিণীবোৰ ভিন ভিন আবেগ—অনুভূতিক সুৰৰ ভিতৰেদি মূৰ্ত্ত কৰে। আৰু বিশেষকৈ কাণেৰে শুনিহে তাৰ ৰসাস্বাদ গ্ৰহণ কৰা হয়। গতিকে সেইবোৰ বৈঠকি বা মজলিচত গোৱা হয়। সেই ৰাগ ৰাগিণীবোৰক নাটকীয় চৰিত্ৰৰ জৰিয়তে ৰবীন্দ্ৰনাথে ৰঙ্গমঞ্চলৈ তুলিলে। তাৰ ফলত সেই নৈসৰ্গিক সুৰবোৰ জীৱন্ত মানৱীয় ৰূপ পালে। "বাল্মীকি প্ৰতিভা" সম্বন্ধে তেখেতে "জীৱন-স্মৃতিত" লিখিছে—

"ইহাৰ সুৰগুলি অধিকাংশই দেশী, কিন্তু এই গীতি নাট্যে তাহাকে তাহাৰ বৈঠকি মৰ্য্যাদা হইতে বাহিৰ কৰিয়া আনা হইয়াছে। উহা সঙ্গীতেৰ এক নূতন পৰীক্ষা—অভিনয়েৰ সঙ্গে কাণে নাশুনিলে ইহাৰ স্বাদ গ্ৰহণ সম্ভবপৰ নহে।"

বৈঠকি-গানত সুৰেই প্ৰধান, কথা অৱলম্বন মাত্ৰ; গতিকে তাল, মান, সঙ্গতিয়ে তাৰ বৈশিষ্ট্য। ইংৰাজী গানত ভাব প্ৰকাশক কথাই প্ৰধান; সুৰ তাল তাৰ অৱলম্বন মাত্ৰ। ৰবীন্দ্ৰনাথে এই গীতি নাট্যবোৰত দুয়োটাতে সমন্বয়ৰ চেষ্টা কৰিলে। অৱশ্যে ইংৰাজী গানৰ প্ৰভাৱত ৰবীন্দ্ৰনাথৰ আগতে ভাৰতীয় সঙ্গীতৰ আলোড়ন হৈছিল; প্ৰাচীন সুৰবোৰৰ ধৰাবন্ধা তাল আৰু নিকপকপীয়া বৈশিষ্ট্য ভাঙি নতুন ঐক্য তানৰ সৃষ্টিৰ পৰীক্ষা হয়। যাত্ৰা গানৰ কন্সাৰ্টবোৰ আগতে এনে ধৰণৰ আছিল, অৱশ্যে আজিকালি আধুনিক গানৰ সুৰ-বোৰকে কন্সাৰ্ট কৰি বজোৱা হয়। আজিকালিৰ আধুনিক গান সেই পৰীক্ষাতেই এটা পৰিণতি মাত্ৰ। এই গানবোৰ ইংৰাজীৰ অনুকৰণত কথা-প্ৰধান হোৱা কাৰণে তাৰ ব্যক্তিগত অনুভূতিত নানা সংমিশ্ৰণত সুবিধা। গতিকে তাৰ সুৰো প্ৰাচীন ধৰাবন্ধা ৰীতিৰপৰা মুক্ত হৈ নানাভাৱে সানমিহলি হৈ কথাক আশ্ৰয় কৰি মূৰ্চ্ছিত হয়। আধুনিক গানৰ সুৰ গতিকে দেশী সুৰেই; কিন্তু সি বাধামুক্ত আৰু সানমিহলি।

অসমত এনে ধৰণৰ গীতি-নাট্য প্ৰচলিত হোৱা নাই। তাৰ প্ৰধান কাৰণ হয়তো তেনে নাটক ৰচয়িতাৰ একান্ত অভাৱ।

আৰু বঙ্গদেশতো বোধ হয় ৰবীন্দ্রনাথৰ বাহিৰে আনে এনে প্রয়াস কৰা নাই ; আৰু তাৰ জন-সমাজৰো অতি সীমাবদ্ধ। এই অভিনয় উপভোগ কৰিবৰলৈ দৰ্শক বেছ সঙ্গীত-ৰসিক হ'ব লাগে।

ৰবীন্দ্রনাথৰ দ্বিতীয় বিধ নাটক আমাৰ দেশত প্রচলিত দৃশ্যকাব্যৰ নাটকবোৰৰ দৰেই। গতিকে সেইবোৰৰ বিষয়ে বিশেষ নকলেও হ'ব। প্রধান কথা এইবোৰ নাটক ভাব-প্রধান, ঘটনা-প্রধান, নহয়। 'ৰাজা ও ৰাণী', 'মালিনী', 'প্রকৃতিৰ প্রতিশোধ', 'নটীৰ পূজা', 'বিসৰ্জ্জন' ইত্যাদি।

তেখেতৰ তৃতীয় বিধ নাটকক নাটক নুবুলি কাব্য বোলা উচিত। কাৰণ এইবোৰ প্রকৃততে নাটকীয় ৰূপত লিখিত কবিতা। কবিতাৰ নিচিনা ইয়াৰ পঢ়িবৰ বাবেই হে, অভিনয়ৰ বাবে ইয়াক লিখা বোধ হয় হোৱা নাই। এইবোৰৰ ভিতৰেদি ৰবীন্দ্রনাথৰ শাশ্বত মানৱতাৰ প্রতি আবেগনিষ্ঠা প্রকাশ পাইছে। এইবোৰত মূৰ্ত্ত হোৱা ভাৱ তেখেতৰ স্বকীয় নীতিবোধ আৰু ধৰ্ম্মবোধ। কচৰ কথা, 'কোন স্বাৰ্থ কৰিনা কামনা' বা গান্ধাৰী 'এককালে ধৰ্ম্মাধৰ্ম্ম দুইতৰী পৰে পা দিয়ে বাঁচেনা কেহ' ইত্যাদি তেখেতৰ ধৰ্ম্মবোধৰ উদাহৰণ।

ৰবীন্দ্রনাথৰ আৰু এক শ্রেণীৰ নাটক হৈছে ৰূপক। এই ৰূপক নাট্যৰ প্রচলন হয় পশ্চিমত, বিশেষকৈ মেটাৰলিঙ্কৰ নাটকৰ প্রভাৱত। তেখেতৰ 'ব্লুবাৰ্ড'খনৰ কথা সকলোৱে জানে। ৰবীন্দ্রনাথেও এই নীতি অনুকৰণ কৰি 'ফাল্গুনী',

"অচলায়তন", 'ডাকঘৰ', 'ৰক্তকৰবী' আদি নাট লিখে। এই নাটকবোৰৰ ঘটনা-মূল্য একেবাৰেই নাই বুলিব পাৰি; ইয়াৰ চৰিত্ৰবোৰ প্ৰকৃত মানৱ নহয়. একোটা একোটা ভাব বা আদৰ্শ। এই চৰিত্ৰবোৰৰ ভাষাও সাধাৰণ অনুভূতিৰ প্ৰকাশ নহয় বা সাধাৰণভাৱে বোধগম্য নহয়, কাৰণ সেইবোৰৰ একোটা ভাষাতীত ব্যঞ্জনা আছে। আৰু সেই ভাষাতীত ব্যঞ্জনাই এই-বোৰ নাটৰ মূল কথা। মানৱ জীৱনৰ আদৰ্শ, তাৎপৰ্য্য, তাৰ অন্বীক্ষা আদিয়েই ইয়াঁৰ মূল সুৰ। 'ডাকঘৰ'ৰ চৰিত্ৰ অমল হৈছে সেই ভাৱপ্ৰৱণ মানৱ, যিয়ে সদায় সুদূৰৰ অলব্ধ সত্যৰ সন্ধানত বলিয়া। ৰক্তকৰবীৰ নন্দিনী হৈছে মানৱ-অন্তৰৰ সৌন্দৰ্য্যৰ আৰু প্ৰাণৰ তৃষ্ণা, ৰঞ্জন হৈছে মানৱৰ প্ৰেমময় প্ৰাণ-লীলা আৰু লক্ষীপুৰী হৈছে যন্ত্ৰ সভ্যতাৰ চেপাত ৰুদ্ধ প্ৰাণ মানৱ সমাজ। মানৱ যে একধাৰে বস্তুনিষ্ঠ হ'ব নোৱাৰে, সুদূৰৰ সঙ্গীতত যে কি অন্যমনা 'rumbling of the distant drum' শুনি যে সি মতলীয়া সীমাৱদ্ধতাৰ অস্তিত্ব নেওচি যে সি ভূমাৰ সন্ধানত গৃহহাৰা—এইবোৰ ভাবৰ সাঙ্কেতিক প্ৰকাশেই হৈছে তেওঁৰ এইবোৰ ৰূপক নাট্য।

॥ ৰবীন্দ্ৰনাথৰ জন্মদিনে ॥

ৰবীন্দ্ৰনাথৰ 'জন্মদিনে' কবিতাগ্ৰন্থ ২৯টা খণ্ড কবিতাৰ সমষ্টি। এই গ্ৰন্থ তেখেতৰ জীৱন কালৰ শেষ জন্মদিন (একাশীতম জয়ন্তী) উপলক্ষে প্ৰকাশিত। সেই বছৰৰে ১৯৪১ চনৰ ৭ আগষ্ট (২২ শাওণ) তাৰিখে তেখেতৰ দেহান্তৰ ঘটে। এইবোৰ কবিতা লিখাৰ কেইমাহমানৰ আগতে তেখেতে কঠিন পীড়াগ্ৰস্ত হৈ মৃত্যুৰ সম্মুখীন হৈছিল আৰু সেই সময়ৰ মানসিক অৱস্থাৰ কথা 'ৰোগশয্যায়' আৰু 'আৰোগ্য' কৱিতা পুথিত প্ৰকাশিত হৈছে। মৃত্যুৰ মুখামুখি হৈ আৰোগ্য লাভ কৰাৰ পাচত ৰবীন্দ্ৰনাথে স্পষ্টভাৱে অনুভৱ কৰিছিল যে আৰু বেছি দিন জীয়াই থকাৰ সম্ভাৱনা তেখেতৰ নাই। সেয়ে তেখেতে উক্ত জন্মদিনক আসন্ন মৃত্যু দিনৰ আলোকত উপলব্ধি কৰিছে। আৰু এই উপলব্ধিৰ মাজেদি তেখেতৰ জীৱন দৃষ্টি অতি সুগভীৰ আৰু সংহতভাৱে চেতনাৰ মৰ্ম্মস্থলীৰপৰা স্বতঃস্ফূৰ্ত্তভাৱে ওলাই আহিছে। এইটোৱেই হৈছে "জন্মদিনেৰ" কবিতাসমূহৰ বৈশিষ্ট্য। এইবোৰক ঠিক কৱিতা বুলিব নোৱাৰি, কাৰণ ইয়াত ৰূপসৃষ্টিৰ, প্ৰয়াস কবিয়ে কৰা নাই বুলিবই পাৰি। গভীৰ জীৱন দৃষ্টিৰ স্বতঃস্ফূৰ্ত্ত প্ৰকাশ হিছাপে এইবোৰে মন্ত্ৰ ৰূপ লাভ কৰিছে। ডঃ অমিয় চক্ৰৱৰ্ত্তীৰ ভাষাত এইবোৰ কবিতা 'কবিতাৰ চেয়ে বেশি'। আসন্ন মৃত্যুৰ ভাবনাই এইবোৰ কৱিতাক ঠিক বেদনাময় কৰি তোলা নাই; বৰং

শান্ত, নিৰুদ্বিগ্ন, বৈৰাগ্যৰ দৃষ্টিত জীৱন আৰু মৃত্যুক কৰিয়ে স্থিৰভাৱে নিৰীক্ষণ কৰিছে, আৰু মৃত্যুক যেন অতি সহজভাৱে গ্ৰহণ কৰিব পাৰে তাৰ বাবে চেতনাক প্ৰস্তুত কৰিছে।

"জন্মদিনে মৃত্যুদিনে দোঁহে যবে
হবে চোখাচোখ
দেখি যেন সে মিলনে
পূৰ্বাচলে অস্তাচলে
অবসন্ন দিবসেৰ দৃষ্টি বিনিময়
সমুজ্জ্বল গৌৰৱেৰ প্ৰণতসুন্দৰ অৱসান।"

জীৱনৰ আৰম্ভণিৰপৰাই জীয়াই থকাৰ প্ৰতি এটা তীব্ৰ আকূতি আৰু মৃত্যুৰ প্ৰতি বিভীষিকা কবিৰ মনত নিয়ত প্ৰতি-ফলিত হৈছিল, কাৰণ ৰবীন্দ্ৰনাথ পৃথিবীৰ কবি, মানৱৰ কবি। "মৰিতে চাহিনা আমি সুন্দৰ ভুবনে, মানৱেৰ মাঝে আমি বাচিবাৰে চাই" সুদীৰ্ঘ জীৱনৰ বাণী সাধনাৰ ভিতৰেদি জীৱনৰ বিয়লি বেলাত (৬০ বছৰৰ পাচত) কবিৰ মনলৈ ক্ৰমে জীৱনৰ প্ৰতি এটা উদাসীনতাৰ এক গভীৰ বৈৰাগ্যৰ আৰু মৰণৰ প্ৰতি এটা বিষাদময় অপেক্ষাৰ ভাব আহিছিল যাৰ স্বৰূপ প্ৰকাশ পাইছে 'প্ৰান্তিকৰ' কবিতা সমূহৰ ভিতৰেদি। যেনে "যাবাৰ সময় হ'ল বিহঙ্গেৰ এখনি কুলায় ৰিক্ত হবে—শুষ্ক পত্ৰ জীৰ্ণ পুষ্পসাথে পথচিহ্নহীন শূন্যে উৰে যাব ৰজনী প্ৰভাতে উদয় সাগৰ উত্তৰিয়া" কৰ্মময় চলমান জীৱন প্ৰৱাহৰ পৰা আঁতৰি জীৱনৰ পথৰ প্ৰান্তত উপনীত হোৱাৰ এক অভিনৱতা কবি চিত্তত সেই

সময়ৰূপৰাই দেখা দিয়ে। পৰবৰ্ত্তী 'মেজ্ঞতি' কাব্য গ্ৰন্থত প্ৰকাশিত 'জন্মদিনে' কৱিতাত জীৱনৰ যাত্ৰাপথত পথ প্ৰান্তত অপেক্ষা কৰাৰ ভাৱেই প্ৰকাশিত হৈছে "জন্মদিনে" কবিতাত জীৱনৰ যাত্ৰাপথত পথপ্ৰান্তত অপেক্ষা কৰাৰ ভাৱেই— "জন্মদিনে এই সে আসন্ন পাতা, হেথা আমি যাত্ৰী শুধু, অপেক্ষা কৰিব, নব টীকা মৃত্যুৰ দক্ষিণ হস্তে নবীন অৰুণ লিখা যবে দিবে যাত্ৰাৰ ইঙ্গিত।"

জন্মান্তৰ যাত্ৰীৰ ভাৱনাই 'জন্মদিনে'ত বিশেষভাৱে প্ৰকাশিত। যেনে

"মন বলে ঘৰে যাব
কোথা ঘৰ নাহি জানে
দ্বাৰ খোলে সন্ধ্যা নিঃসঙ্গিনী,
সম্মুখে নিৰন্ধ্ৰ অন্ধকাৰ।"

জীৱন সন্ধ্যাৰ পাচত নৱজীৱনৰ আলোকৰ ভাৱনাই কৱিৰ অন্তৰৰ গভীৰতম সান্ত্বনা।

"নব জন্মদিন তাৰে বলি,
আধাৰেৰ মন্ত্ৰ পড়ি
সন্ধ্যা যাবে জাগায় আলোকে"

কাৰণ "জীৱনেৰ প্ৰান্তভাগে অন্তিম ৰহস্য
পথে দেয় মুক্ত কৰি
সৃষ্টিৰ নতুন ৰহস্যেৰে।"

অৱশ্যে দেহান্তৰৰ নৱ জন্মৰ ৰহস্যক কবিয়ে পুনৰ্জন্ম হিছাপে দেখা নাই। পুনৰ্জন্মত বিশ্বাস কবিৰ আগৰ কবিতা দুই এটাত দেখা যায়; বিশেষকৈ প্ৰৌঢ় বয়সৰ 'নৈবেদ্য'ৰ এটা কবিতাত যেনে মাকৰ স্তনৰপৰা স্তনান্তৰলৈ গলে 'কাঁদে শিশু ডৰে' কিন্তু কবিৰ স্থায়ী বিশ্বাস হৈছে বিশেষকৈ উপনিষদীয়, মৰ্ত্য জীৱনৰ শেষত আত্মাৰ যি অমৃত ৰূপ সি হৈছে অনাদি অসীম চৈতন্য সমুদ্ৰৰ মাজত বিলীন হৈ যোৱাৰ স্বৰূপ। যি সনাতন বিশ্ব-চৈতন্যৰ ৰহস্যময় প্ৰকাশ হিছাপে জীৱন আৰু জগতৰ উদ্ভৱ, জীৱনান্তত সেই চৈতন্যৰেই নামহীন, ৰূপহীন জ্যোতিঃসমুদ্ৰৰ তৰঙ্গত লীন হৈ যোৱাই হৈছে নৱজীৱনৰ আলোক। যেনে "মন বলে আমি চলিলাম যেথা নাই নাম, যেখানে পেয়েছে লয় সকল বিশেষ পৰিচয়, নাই আৰ আছে এক হয়ে যেথা মিলিয়াছে, যেখানে অখণ্ড দিন ক্ৰমে পৰিপূৰ্ণ চৈতন্যেৰ সাগৰ সঙ্গমে।"

মৃত্যুৰ মুখামুখিভাৱে থিয় হৈ কবিয়ে অতীত জীৱনৰ স্মৃতিৰ পৰা নিজৰ মনক ক্ৰমে ক্ৰমে আঁতৰাই আনিছে; জীৱনৰ নানা ৰূপ, বন্ধন, তৃষ্ণা, সংগ্ৰাম, জয়-পৰাজয় আদিৰ ভাৱনা কবি চিত্তৰ পৰা বিলীন হৈ যাব ধৰিছে। অনুভূতিৰ প্ৰৱল আকৰ্ষণৰ ভিতৰেদি পৃথিৱীৰ প্ৰতি আৰু মানুহৰ প্ৰতি প্ৰেমৰ যি আত্মীয়তা গোটেই জীৱন ব্যাপি অবিচল থাকি নানা সৃষ্টিৰ পথত নানা সাধনাৰ ক্ষেত্ৰত, নানা মোহৰ বেষ্টনীত আৰু দেশ বিদেশে বন্ধু মিলনৰ বাবে কৰা নানা পৰিক্ৰমাৰ পথত নিয়ত

পৰিচালিত কৰি ৰাখিছিল, সেই আত্মীয়তা শিথিল হৈ অহাৰ বিষাদ আৰু বৈৰাগ্য এইবোৰ কবিতাত প্ৰকাশ পাইছে। যেনে—

"পুৰাতন আমাৰ আপন শ্লথবৃন্ত ফলেৰ মতন
ছিন্ন হয়ে আসিতেছে। অনুভৱ
তাৰি আপনাৰে দিয়েছে বিস্তাৰি
আমাৰ সকল কিছু মাঝে·········
পশ্চাতেৰ কবি মন্থিয়া কৰিছে ক্ষীণ
আপন হাঁতেৰ আঁকা ছবি।"

"এ বৎসৰে বৃথা হ'ল পলাশবনেৰ নিমন্ত্ৰণ,
আসন্ন বিৰহ স্বপ্ন ঘনাইয়া নেমে আসে মনে
জানি, জন্ম দিন এক অবিচিত্ৰ দিনে
ঠেকিবে এখনি, মিলে যাবে অচিহ্নিত
কালেৰ পৰ্য্যায়ে।"

মৃত্যুৰ অতীত অবিচিত্ৰ আৰু অচিহ্নিত অনন্ত আনন্দ স্বৰূপ আত্মাৰ যি আদি জ্যোতি, সেই জ্যোতিৰ প্ৰকাশ দেখিবলৈ কবিয়ে উপনিষদৰ শ্লোকৰ ভাষাতেই প্ৰাৰ্থনা জনাইছে।

ঈশ উপনিষদৰ

"হিৰণ্ময়েণ পাত্ৰেন সত্যমানিহিতং মুখম্।
তত্ত্বং পূষন্নপাবৃনু সত্যধৰ্মায় দৃষ্টয়ে॥"

অৰ্থাৎ "যি হিৰন্ময় পাত্ৰৰ দ্বাৰা সত্যৰ স্বৰূপ আবৃত্ত আছে,

হে পূষণ (সূৰ্য্য) সেই আচৰণ আঁতৰাই দিয়া যাতে মই সত্য ধৰ্ম্ম দেখা পাওঁ। 'জন্মদিনে'ৰ দুটা কবিতাত উক্ত প্ৰাৰ্থনা কবিয়ে জানাইছে—

"আজি এ প্ৰভাত কালে ঋষি বাক্য জাগে
অন্তৰতম পৰম জ্যোতিৰ মধ্যে দেখি।"

আকৌ "হে সবিতা তোমাৰ কল্যাণতম ৰূপ
কৰো অনাবৃত, সেই দিব্য আবিৰ্ভাবে
হেৰি আমি আপন আত্মাৰে
মৃত্যুৰ অতীত।"

জীৱনৰ প্ৰতি মায়াৰ আৰু স্মৃতিৰ বন্ধন শিথিল হৈ অহাৰ পিচত কবিয়ে উপলব্ধি কৰিবৰ চেষ্টা কৰিছে নিজৰ জীৱনৰ সুদীৰ্ঘ সাধনাৰ প্ৰকৃত তাৎপৰ্য্য কি, আত্মাৰ এই মৰ্ত্য নিকেতনত তেখেতৰ জীৱনাচাৰ্য্যৰ বিশেষ বৈশিষ্ট্য কি ? সেই সাধনাৰ ভিতৰত কবিৰ সৃষ্টিত বহু মিথ্যা আৰু বহু আৱৰ্জ্জনা সোমাই আছে—এই কথা কবিয়ে স্বীকাৰ কৰিছে—"পড়ে থাক পিচে বহু আবৰ্জ্জনা বহু মিছে" কিন্তু তথাপি সেইসাধনাৰ ভিতৰেদি মানৱ জীৱনৰ পৰম সত্যৰ প্ৰকাশ আৰু মানৱ চিত্তৰ বন্ধন আৰু আচৰন উন্মোচনৰ ভিতৰেদি আত্মাৰ নৱ নৱ আলোকৰ বিকাশ কবি সাধনাত বহু পৰিমাণে সম্ভৱ হৈ উঠিছে—এই উপলব্ধিৰ পৰা আনন্দ আৰু প্ৰশান্তি কবিয়ে শেষ বয়সত লাভ কৰিছে—

"পৃথিৱীৰ নাট্য মঞ্চে
অঙ্কে অঙ্কে চৈতন্যেৰ ধীৰে ধীৰে
প্ৰকাশেৰ পালা আমি সে নাট্যেৰ,
পাত্ৰদলে পৰিয়াছি সাজ।
আমাৰো আহ্বান ছিল যবনিকা
সৰাবাৰ কাজে এ আমাৰ পৰম বিস্ময়"

আকৌ— 'এ মৰ্ত্তেৰ লীলাক্ষেত্ৰে
সুখে দুখে অমৃতেৰ স্বাদ
পেয়েছি তো ক্ষণে ক্ষণে
বাৰে বাৰে অসীমেৰে দেখেছি
সীমাৰ অন্তৰালে।
বুঝিয়াছি, এজন্মেৰ শেষ অৰ্থ ছিল
সেই খানে
সেই সুন্দৰেৰ ৰূপে
সে সঙ্গীতে অনিৰ্বচনীয়"
"ধৰণীৰ দেবালয়ে ৰেখে যাব
আমাৰ প্ৰণাম,
দিয়ে যাব জীবনেৰ সে নৈবেদ্যগুলি
মূল্য যাৰ মৃত্যুৰ অতীত।"

মৃত্যুৰ অতীত যি অমূল্য বাণীৰ নৈবেদ্য কবিয়ে মানৱক দিব পাৰিলে, ব্যক্তিগত জীৱনৰ কি বিশেষ বৈশিষ্ট্যৰপৰা সেইটো সম্ভৱ হল—কবিয়ে নিজৰ জীৱনৰ গতিৰ সেই বিশেষ বৈশিষ্ট্যৰো

প্ৰকৃতি উপলব্ধি কৰিছে। আশী বছৰ বয়সত অতীতলৈ চাই পঠিয়াই কবিয়ে নিজৰ জীৱনৰ প্ৰথম পুৰাৰ ছবি দেখিছে—"বয়স আমাৰ বুঝি হয়তো এখন হবে বাৰো" বা তুই এক বছৰ বেশি"। অকলশৰীয়া বন্ধ ঘৰত কবিৰ কল্পনাই বুদ্ধিৰ বাধা আৰু সঙ্গীৰ দৌৰাত্ম্যৰ পৰা মুক্ত হৈ নিখিল প্ৰাণৰ সং[illegible] কৰি "অস্তিত্বৰ বেদনা" অনুভৱ কৰি ৰূপ-লোকৰ মাজ[illegible] ৰূপ লোক ৰচনা কৰি আপোন মনে বিকশি উঠিবৰ সুবিধা পাইছিল। কৰ্মময় জীৱনৰ প্ৰয়োজনৰ তাড়নাৰ পৰা মুক্ত হৈ আপোন মনে হৃদয়াবেগৰ নানা ৰহণেৰে কবি চিত্তক ৰঞ্জিত কৰিব পাৰিছিল—

"চাৰি দিকে শাখায়িত সুনিবিড় প্ৰয়োজন যত
তাৰি মাঝে এ বালক অৰকিত তৰুকাৰ মতো
ডোবা কাটা খেয়ালেৰ অদ্ভূত বিকাশে
দোলে শুধু খেলাৰ বাতাসে।"

"আৰ মনে পড়ে সেই দিন আৰ ৰাত
প্ৰশস্ত সে ছাত
সেই আলো সেই অন্ধকাৰে
কৰ্মসমুদ্ৰেৰ মাঝে নৈষ্কৰ্ম্য দ্বীপেতু
পাৰে বালকেৰ মন খানা মধ্যাহ্নে
ঘুঘুৰ ডাক যেন।"

—সেহ 'ছেলেমানুষিৰ' জগতত বুদ্ধিৰ ভৎ'সনা নাই।

সংসাৰৰ চাৰি ফালে ভাগ্যৰ চক্ৰান্তৰ কি খেলা চলিছে তাৰ বিষয়ে মনত কোনো ভাৱনা বা প্ৰশ্ন নাই।

এইদৰেই কবি জীৱন সৰুৰেপৰা বাস্তৱৰ সীমাৱদ্ধ চিন্তা ভাৱনা আদিৰপৰা মুক্ত হৈ নিখিলৰ লগত, দেশকালৰ বিৰাট ব্যাপ্তিৰ লগত মিল হৈ যাব পাৰিলে। আৰু তাৰ উপৰিও যৌৱন কাল ... ৰু পৌঢ় বয়সত কবি-জীৱনত পদ্মা নদীৰ প্ৰভাৱে দূৰত্বৰ আকৰ্ষণে কবি চিত্তক সদায় ব্যাকুল আৰু উন্মনা কৰি ৰাখিলে। কবি-জীৱনেই নদীৰ প্ৰকৃতি পালে অৰ্থাৎ স্থিতিহীন বন্ধন মুক্ত গতি, নানা দেশ দেশান্তৰৰ বিচৰণ ইত্যাদি—"নদীৰ পালিত এই জীৱন আমাৰ—যে নদী বিশ্বেৰ দূতা দূৰকে নিকটে আনে—চিৰদিন তাৰ স্ৰোতে বাঁধন বাহিৰে মোৰ চলমান বাসা ভেসে চলে তীৰ হতে তীৰে। আমি ব্ৰাত্য, আমি পথচাৰী।"

সেই জীৱন-নদীৰ "পূৰ্ব্ব পশ্চিমেৰ নানা গীত স্ৰোত জালে ঘেৰা তাৰ স্বপ্ন আবৰণ।"

সমাজৰ বিধি বিধানৰ বন্ধনৰ বাহিৰত ব্ৰাত্য হৈ থাকি জীৱন অতিবাহিত কৰিব লগীয়া হোৱাৰ দাৰুণ মৰ্মদাহী দুখ ৰবীন্দ্ৰনাথে বিশেষকৈ মধ্য বয়সত পাবলগীয়া হৈছিল। তাৰ ফলত মন ভৰি উঠিছিল গ্লানিত, সাধনাত আহিছিল নৈৰাশ্য। সেই কথাকেই কবিয়ে বহুদিন আগতে লিখা "পচিশে বৈশাখ" নামক কবিতাত কৈছে "পায়ে বিধেছে কাঁটা ক্ষতবক্ষে ঝড়েছে ৰক্তধাৰা নিৰ্মম কঠোৰতা মেৰেছে ঢেউ আমাৰ নৌকাৰ দাইনে বায়ে; জীৱনেৰ পণ্যকে চেয়েছে ডুবিয়ে দিতে নিন্দাৰ তলায়

পঙ্কেৰ মধ্যে সেই দুঃখৰ সময়ত কবিচিত্তই ধৃতি লাভ কৰিছিল মানৱ ইতিহাসৰ মহাপুৰুষ সকলৰ জীৱন কাহিনীৰ কথা সুঁৱৰি। 'ৰেখে যাই আমাৰ প্ৰণাম তাদেৰ উদ্দেশ্যে যাৰা জীৱনেৰ আলো ফেলেছেন পলে যাহা বাৰে বাৰে সংশয় ঘুচালো'; আৰু জীৱনৰ প্ৰকৃত স্থিতিৰ এই বাণীয়েই কবিয়ে উত্তৰ-সাধক সকলৰ প্ৰতি দিছে—

"নানা দুঃখে চিত্তেৰ বিক্ষেপে
যাহাদেৰ জীবনেৰ ভিত্তি যায়
বাৰংবাৰ কেঁপে,
তাৰা শোনো
আপনাৰে ভুলনা কখনো।
মৃত্যুঞ্জয় যাহাদেৰ প্ৰাণ
সব তুচ্ছতাৰ মাঝে দীপ যাৰা
জ্বালে অনিৰ্বাণ,
তাহাদেৰ মাঝে যেন হয়
তোমাদেৰ নিত্য পৰিচয়।"

নিয়ত সাধনা আৰু অশিথিল অধ্যৱসায়ৰ ভিতৰেদি জীৱনৰ প্ৰতিটো মুহূৰ্ত্ত পৰম দুঃখৰ বিনিময়ত জয় কৰি কবিয়ে পাৰ্থিব জীৱনত ভূমাৰ উপলব্ধিৰ পৰম আনন্দ লাভ কৰিছিল। সেয়ে কৱিৰ মনত এই পৃথিৱী সাবিত্ৰী পৃথিবী। সেই পৃথিৱীৰ প্ৰকৃতিৰ বুকত বিশাল বিশ্বৰ আয়োজনত অমৃত লোকৰ যি সুৰ লহৰী খেলা কৰে—"দুৰ্গম তুষাৰগিৰি' 'মহাপ্লাৱী প্ৰচণ্ড নিৰ্ঝৰ।'

'অসীম নিঃশব্দ নীলিমা'ৰ যি অজ্ঞাত তাৰা এইবোৰৰ মিলিত ঐক্যতানত যোগ দিয়াৰ অধিকাৰ লাভ কৰি প্ৰাণৰ বিপুল সম্মানত কবিয়ে ধন্য মানিছে। বিভিন্ন দেশত কবিয়ে ভ্ৰমণ কৰিছে, দেশে দেশে বন্ধু লাভ কৰিছে, আত্মাৰ আনন্দ ক্ষেত্ৰত অচিনা বন্ধুৰ আত্মীয়তাৰ অভ্যৰ্থনা লাভ কৰিছে। উদাহৰণ স্বৰূপে চীন দেশৰ কথা কবিয়ে কৈছে—

"একদা গিয়েছি
চীন দেশে, অচেনা
যাহাৰা ললাটে দিয়েছে
চিহ্ন তুমি আমাদেৰ চেনা
বলে, খসে পড়ে গিয়েছিল
কখন পৰেৰ ছদ্মবেশ
দেখা দিয়েছিল তাই
অন্তৰেৰ নিত্য যে মানুষ
অভাৱিত পৰিচয়ে আনন্দেৰ বাঁধ দিল খুলে।"

বিশ্বমানৱতাৰ লগত কবিৰ পৰিচয় আৰু আত্মীয়তা সংস্কৃতি সাধনাৰ ভিতৰেদি, 'গীত ভাৰতীৰ ভিতৰে'দি, 'পূৰ্ব্ব পশ্চিমেৰ নানা গীত স্ৰোতজাল'ৰ ভিতৰেদি। কিন্তু মানৱ ইতিহাসত ইমান দিনে সংস্কৃতি সাধনাৰ সুবিধা আৰু অধিকাৰ সমাজৰ উচ্চ শ্ৰেণীৰ ভিতৰতে সীমাৱদ্ধ হৈ আহিছে। সৰ্ব্বসাধাৰণ যি শ্ৰমকাৰী মানুহ, সেই সকলে উচ্চ সাংস্কৃতিক জীৱনৰ মৰ্য্যদা লাভৰ অধিকাৰৰ পৰা বঞ্চিত হৈ আহিছে। "ৰাচিয়াৰ চিঠি"ত ৰবীন্দ্ৰ-

নাথে মানৱতাৰ এই গ্লানিৰ কথা আন্তৰিকভাৱে উপলব্ধি কৰি প্ৰকাশ কৰিছে। মানৱ সভ্যতা পোহৰোৱা সংস্কৃতিৰ বন্তিগছিৰ গছাডাল ধাৰণ কৰে সাধাৰণ মানুহে, তেওঁলোকৰ গাৰ ওপৰেদি শলিতাৰ তেল বাগৰি যায় অথচ তেওঁলোকে সদায় সেই বন্তিৰ আলোকৰপৰা বঞ্চিত হৈ অন্ধকাৰত জীৱন নিয়াব লগীয়া হয়। তাৰ উপৰি সংস্কৃতিৰ আঁৰে আঁৰে ক্ৰিয়া কৰি থাকে শোষণ আৰু অত্যাচাৰৰ প্ৰচণ্ড বৰ্বৰতা আৰু নৃশংসতাই যাৰ পৰিণতি হয় বিশ্বজোড়া সাম্ৰাজ্যবাদ আৰু সাম্ৰাজ্যবাদী যুদ্ধ। দ্বিতীয় মহাযুদ্ধৰ ধ্বংস লীলাত কবি অন্তৰৰ প্ৰচণ্ড প্ৰতিবাদ ধ্বনিত হৈছে।

"যে লোভ ৰিপুৰে লয়ে গেছে যুগে যুগে
দূৰে দূৰে সভ্য শীকাৰীৰ দল।
পোষ মানা শ্বাপদেৰ মত,
দেশ বিদেশেৰ মাংস কৰেছে বিক্ষত,
লোল জিহ্বা সেই কুক্কুৰেৰ দল
অন্ধ হয়ে ছিড়িল শৃঙ্খল
ভুলে গেল আত্মপৰ
আদিম বন্যতা তাৰ উদ্ধাৰিয়া উদ্দাম
নগৰ পুৰাতন ঐতিহ্যেৰ পাতাগুলি
ছিন্ন কৰে ফেলে তাৰ অক্ষৰে অক্ষৰে
পঙ্কলিপ্ত চিহ্নেৰ বিকাৰ।"

কিন্তু কবিৰ বিশ্বাস যে মানৱ ইতিহাসত যুগে যুগে যি

কল্যাণৰ শক্তিয়ে ক্ৰমাগতভাৱে বিকাশ লাভ কৰি আহিছে সেই শক্তিয়েই এই ধ্বংসৰ মাজেদি নতুন ৰূপ ধৰি মানৱ সমাজৰ সমতাৰ, শান্তিৰ আৰু মিলনৰ দৃঢ় ভেটি ৰচনা কৰিব।

"দামামা ঐ বাজে,
দিন বদলের পালা এলো
ঝড়ো যুগের মাঝে।"

"হঠাৎ অপমৃত্যুৰ সঙ্কেতে নূতন দখল. চাষের তরে আনবে নূতন খেতে।"

"এ কুৎসিত লীলা যবে হবে অবসান
বীভৎস তাণ্ডরে
এ পাপ যুগের অন্ত হবে,
মানব তপস্বী বেশে
চিতাভস্ম শয্যা তলে এসে
নব সৃষ্টি ধ্যানের আসনে
স্থান লবে নিৰাসক্ত মনে
আজি সেই সৃষ্টিৰ আহ্বান
ঘোষিছে কামান।"

কবিয়ে ভৱিষ্য দৃষ্টিত মানৱতাৰ অন্তর্নিহিত এই কল্যাণ শক্তিৰ জয় লাভৰ সম্ভাৱনা দেখা পাইছে। ভাৰতৰ বীণাপাণিৰ বৰপুত্ৰ হিচাপে কবিয়ে এদিন অনলস বাণী সাধনাৰ গভীৰ দায়িত্ব আৰু সুমহান গৌৰৱ নিজৰ অন্তৰত উপলব্ধি কৰিছিল

আৰু সেই কথাকেই কবিয়ে মধ্য বয়সৰ "কল্পনা" কাব্যগ্ৰন্থৰ 'অশেষ' কবিতাত প্ৰকাশ কৰিছিল—

"শুধু আমি তোৰে সেবি
বিদায় পাইলে দেবী
ডাক ক্ষণে ক্ষণে
বেছে নিলে আমাৰেই
দুৰূহ সৌভাগ্য সেই
বহি প্ৰাণপনে।

সেই গৰ্বে জাগি ৰব
সাৰা ৰাত্ৰি দ্বাৰে তব
অনিদ্ৰ নয়নে,
সেই গৰ্বে কণ্ঠে মম
বহি বৰ মাল্য তব
তোমাৰ আহ্বান।"

আৰু অক্লান্ত সাধনাৰ শেহত জীৱন সন্ধ্যাত নতুন বাণী সাধকৰ হাতত সৃষ্টিৰ দায়িত্ব অৰ্পণ কৰি বিদায় মাগিব এই আছিল কবিৰ কল্পনা।

"কৰ্মভাৰ নব প্ৰাতে
নব সেবকেৰ হাতে
কৰে যাব দান,
মোৰ শেষ কণ্ঠ স্বৰে
যাইব ঘোষণা কৰে
তোমাৰ আহ্বান।"